REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1988

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VO. III

### NO. 20

The 22nd March, 1979

---

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781 022*

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 20

Dated the 22th March, 1979.

## CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 54 |
| 2. | Miscellaneous ... ... ... ... | 54— 56 |
| 3. | Announcement by Speaker ... ... ... | 56— 166 |
| 4. | Miscellaneous ... ... ... ... | 166— 170 |
| 5. | Calling Attention ... ... ... ... | 170— 175 |
| 6. | Matter under rule 301 ... ... ... | 175— 181 |
| 7. | Adjournment ... ... ... ... | 181 |

Proceedings of the third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chaember, Dispur, Gauhati on Thursday, the 22nd March, 1979 with the Hon: Speaker in the Chair, 9 ( nine ) Ministers, 5 ( five ) Minister of State, 4 ( four ) Parliamentary Secretries and 50 ( fifty ) Members present.

—

## STARRED QUESTIONS AND ANSWERS

Date : 22nd March, 1979

( To which oral answers are given )

——

বি ঃ ৰাইজৰ বাতৰি, Assam Information আৰু অসমী বাতৰি কাকত

শ্ৰীদেবানন্দ বৰাই সুধিছে ঃ—

* ২৬৯। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰে প্ৰকাশ কৰা ৰাইজৰ বাতৰি, Assam Information আৰু অসমা কাকতকেইখন প্ৰত্যেকৰে মুঠ কিমানখন কাকত ছপা আৰু প্ৰচাৰিত হয়?

(খ) উক্ত কাকতকেইখন প্ৰকাশ কৰোতে ছপাশালৰ খৰচকে ধৰি ইয়াৰ বাবে নিয়োজিত কৰ্মচাৰী সকলৰ দা-দৰ্ম্মহা বাবদ মাহে কিমান টকা খৰচ হয়?

(গ) উক্ত কাকত বিলাকৰ পৰা চৰকাৰৰ কিবা আয় হয়নে?

(ঘ) সাধাৰণ ৰাইজৰ কিমানজনে এই কাকত কেইখন পঢ়ে তাৰ তথ্য চৰকাৰৰ হাতত আছেনে?

(ঙ) যদি ৰাইজৰ মাজত প্ৰচাৰ হোৱা নাই, তেন্তে কাকতকেইখন বন্ধ কৰি দিয়া নাই কিয়?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে:

২৬৯। (ক)—বৰ্ত্তমানে Assam Information, ৬০০ খন অসমা ৬০০ খন আৰু ৰাইজৰ বাতৰি গড়ে ৬০৯ খন ছপা আৰু প্ৰচাৰিত হয়।

(খ)—মাহিলি গড় হিচাবে মোটামুটি বাৰ হেজাৰৰ পৰা চাৰে বাৰ হেজাৰ টকা খৰচ হয়।

(গ)—সামান্য আয় হয়।

(ঘ)—সাধাৰণ ৰাইজৰ কিমানজনে এই কাকত পঢ়ে তাৰ সঠিক হিচাব দিয়াটো সম্ভৱপৰ নহয়।

(ঙ)—চৰকাৰৰ নীতি আৰু আঁচনিৰ সমূহ প্ৰচাৰৰ কাৰণে বাতৰি কাকত কেইখন ৰাইজৰ মাজত বিতৰণ আৰু প্ৰচাৰ কৰা হয়। এতেকে বাতৰি কাকত কেইখন বন্ধ কৰাৰ প্ৰশ্ন নুঠে।

শ্ৰীদেবানন্দ বৰা :— অধ্যক্ষ মহোদয় এই যে ৬০০ খন বাতৰি কাকতৰে চৰকাৰী আঁচনি সমূহ প্ৰচাৰ কৰা হয়, এতিয়া সাধাৰণ ভাবে হলেও চৰকাৰী আঁচনি সমূহ আৰু জনসাধাৰণৰ বহুল প্ৰচাৰৰ কাৰণে কিবা বিবেচনা কৰিছেনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— এই বাতৰি কাকতৰ বহুল প্ৰচাৰ হলে ভালেই আছিল। ইতিমধ্যে পইচা লোৱাৰ কাৰণে বিক্ৰি কমি আহিছে আৰু সেইকাৰণেই এজেণ্ট সকলেও এই বাতৰি কাকত বিক্ৰি কৰিবলৈ মান্তি হোৱা নাই। যিহেতু ইয়াৰ বিক্ৰি কম হয়।

শ্ৰীনগেন বৰুৱা :— এই বাতৰি কাকত জনপ্ৰিয় কৰিবৰ কাৰণে যিমান বিলাক আৱশ্যকীয় বাতৰি প্ৰচাৰ কৰা প্ৰয়োজন, তাৰ প্ৰতি মনোযোগ দিয়া হৈছেনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— চৰকাৰী আঁচনি লগতে মাননীয় সদস্যই কোৱা কথাৰ প্ৰতি মনোযোগ দি এই বাতৰি কাকতৰ বহুল প্ৰচাৰৰ কাৰণে চেষ্টা কৰা হব।

শ্ৰীনুরুল হুদা :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় এখবর রাখেন কি না যে পশ্চিম বঙ্গ সরকার যে দুইটি কাগজ বের করেন (ইংরাজী ও বাংলা) — তার সার্কুলেশন বামপন্থী সরকার আসার পরে কয়েক হাজার থেকে কয়েক লাখ পর্যন্ত বেড়েছে। কিন্তু আমাদের রাজ্য সরকারের যে কাগজটি আছে তার সার্কুলেশন ক্রমশঃ কমে আসছে

কেন তার তদন্ত করা হবে কি এবং পঃ বাংলা সরকার তাদের কাগজ গুলির সার্কুলেশন কি ভাবে বাড়িয়েছেন— সে ব্যাপার তাদের সঙ্গে যোগাযোগ করে আমাদের সরকারী কাগজটির সার্কুলেশন বাড়াবার কোনও ব্যবস্থা সরকার গ্রহণ করবেন কি ?

শ্রীকেশৱ গগৈ (মন্ত্ৰী) :— এই বাতৰি কাকতখন ১৯৭৬ চনৰ ১৫ আগষ্টৰ পৰা প্ৰকাশিত হৈছিল। তেতিয়া আছিল ২৮ হেজাৰখন। এতিয়া এইটো কমি গৈ ৬০৯ খনত পৰিছেগৈ এইটো চৰকাৰে নিশ্চয় বিবেচনা কৰি উন্নত কৰাৰ কাৰণে চেষ্টা কৰিব।

শ্ৰীএম ইব্ৰাহিম আলী :— চৰকাৰৰ আঁচনি সম্বলিত এই পেপাৰ-খন ৰাইজে নপঢ়ে নেকি ? কিয়নো এই বাতৰি কাকতখনে চৰকাৰৰ আঁচনি সমূহৰ বাহিৰে জনসাধাৰণৰ মনযোগোৰাকৈ বাতৰি পৰিবেশন নকৰা কাৰণে এই অৱস্থা হৈছে এই বিষয়ে চৰকাৰে দৃষ্টি আকৰ্ষণ কৰিছেনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— ৰাইজে নপঢ়ে বুলি কব নোখোজো। ৰাইজৰ মন আকৰ্ষণ কৰিব পৰাকৈ যি পৰিমাণৰ বাতৰি ইত্যাদি প্ৰচাৰ কৰাটো আৱশ্যক সেই বিষয়ে বিবেচনা কৰি আছো।

Shri Shanti Ranjan Das Gupta :— Will the Ministers state whether these papers are published on social service or profit or loss basis ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— দুইটা উদ্দেশ্যই আছিল।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই বাতৰি কাকতত অসমৰ বিভিন্ন চৰকাৰী বিভাগৰ লোকসকল আৰু মন্ত্ৰী সকলৰ ফটো ইয়াত ওলায়, যিহেতু জনসাধাৰণে মন্ত্ৰী সকলক এনেয়ে দেখি থাকে কেৱল কাগজত চোৱাৰ বাবে আগ্ৰহী নহয় সেইটো ভাবেনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— বিবেচনা কৰি চোৱা হব ।

শ্ৰীদেবানন্দ বৰা :— এই বাতৰি কাকতখন বন্ধ কৰি দি এখন নতুন কাগজ উলিয়াবলৈ চেষ্টা কৰিছে নেকি ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— বাতৰি কাকতখন বন্ধ কৰাৰ কাৰণে বিবেচনা কৰা নাই, ৰাইজৰ ইয়াৰ প্ৰতি আগ্ৰহ বঢ়োৱাৰ কাৰণেহে চেষ্টা কৰা হৈছে ।

শ্ৰীমুকুট শৰ্ম্মা :— ইয়াৰ এটা মূল্য নিৰ্দ্ধাৰণ কৰা হৈছে আৰু সেইকাৰণেই এইটো বিক্ৰি নহয় নেকি ? সেই কাৰণে চৰকাৰে ৰাইজৰ মাজত বিনামূলীয়াকৈ বিতৰণ কৰাৰ কিবা ব্যৱস্থা কৰিব নেকি ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— বিনামূলীয়াকৈ বিক্ৰি কৰা কথা বিবেচনা কৰা নাই । এই কাগজৰ পৰা চৰকাৰে ৰাজহ ১৬ হাজাৰ ৫শ ৯৮.১০ পইচা পাইছে ।

শ্ৰীদীপক ভট্টাচাৰ্য্য :— স্যার, বর্তমানে আমাদের জোনে সি আই এ-র ব্রহ্মপুত্র অপারেশনের কাজ শুরু হয়েছে বলে মনে হচ্ছে, যার ফলে এখানে বিভিন্ন জাতিগত বিদ্বেষের সৃষ্টি হয়েছে । কিন্তু এই অবস্থায় সরকারের প্রচার যন্ত্র অত্যন্ত দুর্বল । আমাদের সরকারের কোনও ডেইলি পেপার নাই, আর উইক্‌লি এবং ফোর্ট নাইটলি যে গুলি কাগজ বেরোয়—সে গুলিরও—মান উন্নয়ন করে ব্যাপক প্রচারের মাধ্যমে জনসাধারণকে প্রকৃত ঘটনা সম্পুর্কে ওয়াকিবহাল করার ব্যবস্থা গ্রহণ করবেন কি ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— বিবেচনা কৰা হব ।

শ্ৰীচামচুল হুদা :— কি কি কাৰণত এই কাকতখনৰ প্ৰতি ৰাইজ বিতশ্ৰদ্ধ হৈছে । তাৰ সঠিক কাৰণ বিলাক উলিয়াই এটা কমিটি

কৰি দি তদন্ত কৰি এই কাগজখন যাতে সোনকলে বৃদ্ধি কৰিব পাৰি তাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— এই কাগজখন বিক্ৰি হোৱাৰ কাৰণে আমাৰ এই কাগজৰ এজেণ্ট বিলাকে কাগজখন বিক্ৰি কৰাটো বন্ধ কৰি দিলে আৰু পঞ্চায়ত বিলাকক কাগজ দিছিলে সেই পইচা আৰু পে'মেণ্ট নকৰিলে। সেইকাৰণে কাগজখনৰ বিক্ৰি কমি গৈছে।

শ্ৰীচিৰাজূল হক :— এই কাগজখনৰ যিবিলাক আঁচনিৰ কথা প্ৰকাশ কৰা হয় সেইবিলাক বাস্তৱ ক্ষেত্ৰত কাম হোৱা দেখা নাযায়। সেইকাৰণেই পঢ়ুৱৈ আৰু জনসাধাৰণৰ আগ্ৰহ কমি গৈছে নেকি ?

শ্ৰীকেশৱ গগৈ ( মন্ত্ৰী ) :— চৰকাৰৰ যিখিনি আঁচনি প্ৰচাৰ কৰা হয়, সেইবিলাক বাস্তৱ হিচাবে প্ৰকাশ কৰা হয়।

শ্ৰীৰনেন্দ্ৰ নাথ বসুমতাৰী :— চৰকাৰৰ মুখপত্ৰ হিচাবে এই বাতৰিখনৰ বাহিৰে অইন বাতৰি কাকত নাই। গতিকে ই আমাৰ গাৱঁত যিবিলাক লাইব্ৰেৰী, ক্লাব বা মহিলা অনুস্থান আছে সেইবিলাকত বিনামূলীয়াকৈ বা পঞ্চায়ত ব্ল'ক বিলাকত বিতৰণ কৰিবৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ গগৈ ( মন্ত্ৰী ) :— তেখেতে যিটো পৰামৰ্শ আগবঢ়াইছে সেইটো যথাৰ্থ। ইয়াৰ দ্বাৰাই উপকৃত হব বুলি মই ভাবো।

শ্ৰীজগত পাটগিৰি :— গাঁৱে-ভূঞে বাতৰি কাকতখন বিক্ৰি কৰা হৈছে এজেণ্টৰ জৰিয়তে, আৰু কি কি মাধ্যমৰ জৰিয়তে এই বাতৰি কাকতখন বিক্ৰি কৰা বা বিতৰণ কৰা হয় সেইবিষয়ে ৰাইজে জানিলে সুবিধা হয়।

শ্ৰীকেশৱ গগৈ ( মন্ত্ৰী ) :— এজেণ্টৰ জৰিয়তে বিক্ৰি কৰা হৈছিল। কিন্তু এতিয়া অমাপ্তি হৈছে।

Shri Altaf Hussain Mazumdar :— Will the Hon'ble Minister state in how many languages the paper is published?

শ্ৰীকেশৱ গগৈ ( মন্ত্ৰী ) :— অসমীয়া ভাষাত কৰা হয়।

Shri Altaf Hussain Mazumdar :— Why Is it not in Bengali as there are about 20 lakhs of Bengali population in Cachar? Will the Minister consider that a Bengali version of the paper is also published?

শ্ৰীকেশৱ গগৈ ( মন্ত্ৰী ) :— বিবেচনা কৰা হব।

বিষয় ঃ আহতগুৰি লক্ষীনাথ বেজবৰুৱা ঘাটত কপিলী নদীৰ ওপৰত দলং।

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে :—

*২৭০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মৰিগাওঁ মহকুমাৰ উত্তৰখোলা মৌজাৰ অন্তৰ্গত "আহতগুৰি লক্ষীনাথ বেজবৰুৱা ঘাটত" কাৰ্বি আংলং জিলা আৰু আমচৈ অঞ্চল

সংযোগ কৰি কপিলী নদীৰ ওপৰত এখন দলং নিৰ্মান কৰাৰ সম্পৰ্কে চৰকাৰে আঁচনি প্ৰস্তুত কৰিছেনে ?

(খ) যদি কৰিছে, এই কাৰ্য্য কেতিয়া আৰম্ভ হ'ব ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৭০। (ক) এনে আঁচনি সীমিত পুঁজিৰ বাবে চৰকাৰৰ হাতত নাই ।

(খ) প্ৰশ্ন নুঠে ।

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈ :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৮ চনৰ ১১ জানুৱাৰী তাৰিখে সাহিত্যৰথী বেজবৰুৱাৰ স্মৃতি সৌধ উদ্বোধনী সভালৈ আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী যাওঁতে ৰাইজৰ আগত আশ্বাস দিছিল যে অতি সোনকালেই তাত এখন দলং দিয়াৰ কাৰণে প্লেন এষ্টিমেট কৰা হ'ব আৰু এইটো ভেতিয়াই কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা হ'ব বুলি আশ্বাস দিয়া কথাটো সঁচানে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, দলং এখন সোনকালে কৰিব পাৰিলে ৰাইজৰ উপকাৰ হ'ব বুলি কোৱাটো সত্য। কিন্তু এতিয়াই কৰিব লাগে বুলি কোৱাটো সত্য নহয়। কাৰণ দলং এখন সম্পূৰ্ণ কৰি সাজিবলৈ হলে যথেষ্ট পইচা খৰচ হ'ব। যিহেতু সেই ঠাইতেই খ্যাতনামা সাহিত্যিক বেজবৰুৱাদেৱৰ জন্ম হৈছিল। গতিকে এই ঠাইখিনিৰ ওপৰত ইম্পৰ্টেন্স বঢ়াবৰ কাৰণে সেই ব্যক্তি জনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবৰ কাৰণে সেই ৰাষ্টাটো আৰু কাৰ্বি আংলং জিলাক আমচৈৰ লগত সংযোগ কৰা যিখন দলং দিবলৈ আমি নিশ্চয় চিন্তা কৰি আছো। কিন্তু ৰাষ্টাটো আগতে ভাল কৰি লোৱাৰ পিচতহে দলং খন দিয়াৰ আঁচনি লোৱা হ'ব বুলি কোৱা কথাটোহে সত্য।

শ্ৰীকালীৰাম ডেকা ৰজা :— মাননীয় অধ্যক্ষ মহোদয়, সিদিনাখন আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে তাত এটা কথা কৈছিল যে, আঁহতগুৰিখন হেনো এখন সন্ধিয়াৰ ধুনীয়া গাওঁ। আমাৰ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে কপিলীৰ ওপৰত যিখন দলং দিব সেই দলংখনৰ নাম বেজবৰুৱাৰ নামেৰে নামাকৰণ হ'ব প্ৰতিশ্ৰুতি দিয়াটো সচানে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইবিলাক সম্পূৰ্ণ কাল্পনিক কথা। তেখেত সিদিনা তাত উপস্থিত নাছিল। দলংখন দিয়াৰ বাবে নিশ্চয় চেষ্টা কৰা হ'ব বুলিহে কৈছিলো। কাৰণ দলংখনৰ আৱশ্য-কতা নিশ্চয় আছে। তাৰ আগতে ৰাষ্টাটোৰ মেৰামতি কৰিবলৈ ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু টকা পইচা হলেই প্ৰয়োজনীয় ব্যৱস্থা নিশ্চয় কৰা হ'ব।

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী বৰুৱাদেৱৰ লগত সিদিনা মইও উপস্থিত আছিলো। তেখেতে ৰাইজক যিটো আশ্বাস দিছিল, সেইটো আন্তৰিকতাৰে দৈতে দিয়া বুলি আমাৰ বিশ্বাস হৈছিল। কিন্তু যেহেতু আমচৈ এখন পিছ পৰা অঞ্চল আৰু সেই অঞ্চল সৰ্কলো ফালৰ পৰাই পিছ পৰি আছে সেয়েহে দলং খনৰ প্ৰস্তুতি যেতিয়া কৰা হৈছে, প্লেন এষ্টিমেট কৰোতে নিশ্চয় বেছি টকাৰ দৰকাৰ নহ'ব। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ে সোনকালে কিবা ব্যৱস্থা কৰিব নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, টকা পইচা যেতিয়া নাই প্লেন এষ্টিমেট কৰিনো কি লাভ ? তথাপি চাৰ্ভে এষ্টিমেট কৰা হৈছে। মোৰ কথাত আন্তৰিকতা আছে আৰু সেই মতে প্ৰাথমিক পৰ্যায়ৰ কাম কৰিবলৈ দিয়া হৈছে। চাৰ্ভে ৰিপৰ্টমতে এইটো দেখা গৈছে যে চিংগোল ল'গ হলে ৫৭ লাখ ৫৫ হেজাৰ টকা আৰু ডবল্ হলে

৭০ লাখ ৫০ হেজাৰ টকা আৰু লেঙথ্ হ'ল ১৮৫ মিটাৰ। গতিকে টকা পইচা নাই যদিও আমি এনেয়ে বহি থকা নাই। টকা পইচাৰ প্ৰয়োজন যিহেতু বহু পৰিমাণৰ হ'ব আৰু সেইটো হলেই প্ৰথমে ৰাষ্টাটো ভাল কৰি যাতায়তৰ সুবিধাৰ কাৰণে কাৰবী আংলং জিলা আৰু আমচৈৰ অঞ্চলৰ লগত সংযোগ ৰাখি এখন মাৰ নাওৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে।

শ্ৰীঅতুল গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, যিহেতু বেজ-বৰুৱাদের ভূমিস্থ নহৈ নৌকাস্থ হৈছিল সেয়েহে মন্ত্ৰী মহোদয়ে দলঙৰ ব্যৱস্থা নকৰাকৈ নৌকাৰ ব্যৱস্থাকেই কৰি ৰখা হৈছে নেকি ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, হয়, দলং কৰাৰ আগতে নৌকাৰ বন্দোৱস্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

Re : Judicial Officers

Shri ABDUL MUQTADIR CHOUDHURY asked :

* 271: Will the Minister, Judicial be pleased to state—

(a) How many Judical Officers in Assam are residing in rented houses?

( Sub-Division-wise break up may be shown )

(b) Is it a fact that a Court of Assistant District and Sessions Judge has been started at Karimganj recently ?

(c) Whether any provision has been made for the construction of quarter for the Assistant District and Sessions Judge at Korimganj ?

(d) Whether the Assistant District and Sessions Judge of Korimganj is residing at present ?

Shri KESHAB CHANDRA GOGOI ( Minister, Judicial ) replied :

271. (a)

| | |
|---|---|
| Gauhati— | 4 |
| Nalbari— | 2 |
| Barpeta— | 4 |
| Nowgong— | 6 |
| Marigaon— | 2 |
| Tezpur— | 2 |
| Mangaldoi— | 5 |
| Jorhat— | 7 |
| Sibsagar— | 4 |
| Golaghat— | 5 |
| Dhubri— | 4 |
| Goalpara— | 4 |
| Kokrajhar— | 2 |

| | |
|---|---|
| N. Lakhimpur— | 4 |
| Dhemaji— | Nil |
| Dibrugarh— | 3 |
| Tinsukia— | 4 |
| Silchar— | 3 |
| Karimganj— | 6 |
| Hailakandi— | 3 |
| Total— | 74 |

(b)—Yes.

(c)—No.

(d) Rented house on private arrangement.

Shri Abdul Muqtadir Choudhuri :— Sir, We cannot expect fair judgment from the Judicial Officers residing in the Dakbungalows and facing scarcity of accommodation. Whether the Government proposes to construct quarters for the Judicial Officers in a phased manner, and if so, what is the proposal of the Government ?

Shri Keshab Chandra Gogoi ( Minister, Judicial ):— Sir, I have already stated on the floor of the House and the Govrnment also feel that if the officers are allowed to stay in the rented houses then they cannot

work whole-heartedly and also cannot do justice. The Government has proposal for constructing houses in a phased manner.

Shri Altaf Hussain Mazumder :— Sir, the Hon'ble Minister has said that he is aware that if a Judicial Officer is allowed to beg about for a rented house he cannot function independently and impartially. If that be so, why no immediate arrangement is made for construction of houses or in the alternative why houses are not requisitioned by the Government so that they may not have to move about in the towns, after their transfer, begging houses from individuels ?

Shri Keshab Chandra Gogoi :— Government have already decided to provide them with houses as far as practicable.

Shri Kiron Chandra Bezbarua :— Mr. Speaker, Sir, will the Minister for Judicial State whether it is a backlog or all the officers have come into existence only last year ?

Shri Keshab Chandra Gogoi :— Sir, it is definitely a backlog and therefore we are not capable to clear it immediately.

শ্রীনিশীথ রঞ্জন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় বলেছেন যে করিমগঞ্জে এডিশ্যনেল ডিষ্ট্রিক্ট এণ্ড সেসন জজ-এর কোর্ট করা হয়েছে। এই কোর্ট সেখানে হওয়ার পর শিলচর থেকে সমস্ত মামলা করিমগঞ্জ কোর্টে চলে এসেছে এবং মামলার সংখ্যাও ক্রমবর্দ্ধমান। যার ফলে একজন এডিশ্যনেল ডিষ্ট্রিক্ট জজ-এর পক্ষে এই সমস্ত মামলা দ্রুত নিষ্পত্তি করা সম্ভব হচ্ছেনা—এই কথা বিবেচনা করে করিমগঞ্জে একটা এডিশ্যনেল জজ কোর্ট করার ব্যবস্থা সরকার করবেন কি? তাছাড়া এই নতুন কোর্টের জন্য কোনও আলাদা বিল্ডিং না থাকায় সেখান-কার মুন্সেফ কোর্টে এই সেসন জজ-এর কাজকর্ম চলায় অত্যন্ত অসুবিধার সৃষ্টি হয়েছে—একথা মন্ত্রী মহোদয় জানেন কি?

শ্রীকেশব চন্দ্র গগৈ (মন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, এচিচটেণ্ট ডিষ্ট্রিক্ট জাজ কৰ্ট কৰাৰ কথা আছিল। ঘৰৰ অভাৱত কৰ্ট হোৱা নাছিল। মই কৰিমগঞ্জলৈ যাওতে বা'ৰ এচ'চিয়েচনে ঘৰ এৰি দিয়াৰ কথা কৈছিল। তেওঁলোকে ঘৰ এৰি দিয়াৰ কাৰণেহে পাতিব পৰা হৈছে। অৱশ্যে দুজন এচিষ্টেণ্ট ডিষ্ট্রিক্ট জাজৰ, এজন কাছাৰ আৰু আনজন ডিব্রুগড়ত কৰ্ট পাতিবৰ কাৰণে আমাৰ হাতত প্ৰপ'ৰজেল আছে।

Shri Ranendra Narayan Basumatari :— Sir, I would like to know from the Hon'ble Minister the basis for starting the Assistant District and Sessions Judge in the Sub-division. Whether the Government has taken a policy decision to start Assistant District and Sessions Judge's court in all the Sub-divisions, and if so, whether one such Judge will be posted at Kokrajhar?

Shri Keshab Chandra Gogoi :— The decision

is not taken by the Government. Initially it was a High Court decision who on the consideration of workload of the sub-division or a District gave such a proposal and we accepted the proposal on the recommendation of the High Court.

শ্ৰীনগেন বৰুৱা :— মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছোঁ যে চাব ডিভিজন বা জিলা বিলাকত যি সকল জুডিচিয়েল মেজিষ্ট্ৰেট ৰেণ্টেড হাউচত আছে সেই সকলৰ কাৰণে চৰকাৰী ঘৰ তুৰাৰ সাজিবৰ কাৰণে মাটি-বাৰীৰ বন্দবস্তি কৰি দিয়াৰ সম্পৰ্কত যি ধৰণে ব্যৱস্থা লব লাগে সেই মতে ব্যৱস্থা চৰকাৰে নোলোৱাৰ কাৰণে নতুবা জুডিচিয়েল মেজিষ্ট্ৰেটৰ ঘৰ হোৱা নাই সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— এইটো আগতে হৈছিল কিন্তু এতিয়া হোৱা নাই। এতিয়া এইবোৰ জুডিচিয়েলেও পাইছে আৰু এক্‌জিকিউটিভেও পাইছে। আমাৰ হাতত ঘৰ সজাৰ প্ৰপজেল আছেই। ধুবুৰীত অৱশ্যে মাটি পোৱা নাই কাৰণে ঘৰ সাজিব পৰা নাই। মই এইটো ক'ব পাৰো যে ফাইনেন্স কমিছনে ঘৰ আদি সাজিবৰ কাৰণে টকা দিছে। এই টকা খৰছ কৰি যথেষ্ট ঘৰ সাজিব পৰা হ'ব আৰু ঘৰৰ এই অভাৱ কিছু পৰিমানে হলেও পুৰাব পৰা হ'ব বুলি আশা কৰিছোঁ।

শ্ৰীচিৰাজুল হক :— মাননীয় মন্ত্ৰী মহোদয়ে যোৱা বাৰো এই কথা কৈছিল। কিন্তু আজি এবছৰ পাৰ হৈ গ'ল— এই এবছৰে কিমান ন্যায় পালিকাৰ বাসস্থান সজা হ'ল আৰু সজাৰ ব্যৱস্থা কৰি আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— পাঁচটা ঘৰ সাজি থকা হৈছে। তাৰে ৪ টা ইতিমধ্যে সম্পুৰ্ণ হৈছে। অৱশ্যে ধুবুৰীত মাটি নোপোৱাৰ কাৰণে

ঘৰ সাজিব পৰা নাই।

শ্ৰীৱামেন্দ্ৰ দে :— স্যার, দেখা যাচ্ছে যে অনেক জুডিসিয়েল অফিসার্স আছেন— যাদের বাসস্থান নাই। সুতরাং এই অবস্থায় সরকার কোনও পরিকল্পনা গ্রহণ করিছেন কি না— করলে কিভাবে তা নিয়েছেন তা আমাদের জানা নেই। কিন্তু প্রশ্নটা হলো যে— সরকার এই জুডিসিয়েল অফিসারদের বাসস্থানের কথা বিবেচনা করার সময় যারা পুরনো অফিসার—অর্থাৎ যাদের এখনো বাসস্থান নাই—তাদের অগ্রাধিকার দেবেন না নতুন গঠিত জিলা ও মহকুমার অফিসারদেরকে আগে বাসস্থানের ব্যবস্থা করে দেওয়া হ'বে ? যেখানে পূরানো জিলা বা মহকুমার officer দের থাকার ব্যবস্থা করা সম্ভবপর হয় নি সেখানে আরো নতুন মহকুমা বা জিলা গঠনের ঘোষণা করার যুক্তি কি ?

শ্ৰীকেশ্বৰ চন্দ্ৰ গগৈ :— ডিষ্ট্ৰিক আৰু চাব-ডিভিজন বিলাক আমি লৈছোঁ আৰু ফেজ ওৱাইজ এইবিলাক কৰাৰ ব্যৱস্থা কৰা হব বুলি মুখ্যমন্ত্ৰীয়েও আশ্বাস দিছে। ফেজ ওৱাইজ কৰিবলৈ যাওতে অৱশ্যে টকা পইচাৰ আৱশ্যক হব। সেয়ে টকা পইচা যোগাৰ হলেই ফেজ ওৱাইজ এই বিলাক কৰাৰ ব্যৱস্থা কৰা হ'ব। বৰ্তমান অৱস্থা সিমান টনকিয়াল নহয় সেয়ে নতুনকৈ জিলা আৰু মহকুমা বিলাক হোৱাৰ পিচত একেলগে কৰাই ভাল হ'ব।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— প্ৰশ্ন 'এ' ৰ উত্তৰ দিওঁতে মন্ত্ৰী মহোদয়ে গোৱালপাৰাত চাৰিটা ৰেণ্টেড হাউচ আছে। কিন্তু গোৱালপাৰাৰ এচ ডি অ' জনৰ হাতত এটা ঘৰ থকা স্বত্বেও তাত থকা এচ ডি এম জনক ঘৰ নিদি সেই ঘৰটোত তলা চাবি মাৰি বন্ধ কৰি ৰাখিছে। এই বিষয়ে কমিচনাৰে নিৰ্দ্দেশ দিয়া স্বত্বেও তেওঁ সেই নিৰ্দ্দেশ কাৰ্য্যকৰী কৰা নাই। মন্ত্ৰী মহোদয়ে সেই এচ ডি অ' জনক ঘৰটো

এচ ডি এম্ জনক এৰি দিবলৈ নিৰ্দ্দেশ দিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— এই কথাটো কেইদিনমানৰ আগতে আমাৰ দৃষ্টি গোচৰ হৈছে আৰু ইয়াৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হব ।

**Re : Vacant posts in the office of Commissioner of Sales-tax.**

Shri KIRON CHANDRA BEZBARUAH asked :

*272. Will the Minister, Finance be pleased to state—

(a) Whether there is any vacancy in the office of the Commissioner of Sales Tax ?

(b) If so, what is the number and why the vacancies have not been filled up ?

(c) How many persons have served as the Commissioner of Taxes during the last 5 years and the reason for frequent change of Commissioner of Taxes during last 5 years ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance) replied :—

272. (a)—There is no vacancy in the offiice of the Commissioner of Taxes, Assam at present, except one post of Selection Grade Typist.

(b)—The vacancy of one Selection Grade Typist could not be filled up due to non-availability of qualified persons amongst the existing Typist as per norms laid down in the provisions of Ministerial Servic Rules.

(c)—5 (five) including the present incumbent. Changes were made for administrative exigencies.

Shri Kiron Chandra Bezbarua :— Sir, in reply to question (c) the Minister has stated that there are 5 changes of in-cumbent in 5 years. Will the Minister, Finance state whether such frequent changes have been made in the interest of the State or in the interest of the person who holds that job ?

Shri Keshab Chandra Gogoi (Minister, Finance) :— Finance Department is not responsible for the changes of incumbent holding the post of Commissioner of Taxes, someother department deals with transfer and posting of the post of Commissioner of Taxes.

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, এই বিভাগত বা চৰকাৰৰ অন্যান্য বিভাগত যদি এটা পাৰমেনেণ্ট ভেকেন্সী ওলায় সেই ভেকেন্সী পূৰণ কৰিবৰ কাৰণে এমপ্লইমেণ্ট এক্সচেঞ্জৰ নিয়মমতে একজিকিউটিভ

পোষ্ট বিলাক ডাইৰেক্টৰ অৱ এমপ্লইমেণ্ট এক্সেঞ্জে আৰু তলৰ পোষ্ট বিলাকৰ কাৰণে এমপ্লইমেণ্ট এক্সেঞ্জত নটিফাই কৰিব লাগে। এই-দৰে নটিফাই কৰা হৈছে নে? যদি কৰা হৈছে তেন্তে যোৱা ৫ বছৰৰ ভিতৰত কিমান ভেকেন্সী নটিফাই কৰা হৈছে আৰু কিমান কেছ সনন্সৰ কৰি এপইণ্টমেণ্ট দিয়া হৈছে জনাবনে ?

Shri Keshab Chandra Gogoi (Minister, Finance) :— I want separate notice to answer this question.

Shri Kiron Chandra Bezbarua :— Does the Minister feel that the person who holds that post should have some technical knowledge and also financial ?

Shri Keshab Chandra Gogoi (Minister, Finance) :— Yes, personally I feel ; but under the present circumstances it has not been possible to appoint one technical man. But I feel if the Commissioner of Taxes possesses technical knowledge we will get better services.

Shri Kiron Chandra Bezbarua :— Sir, I can cite some instances. One is illegal refund of Rs. 37 lakhs to the India Carbon by the Commissioner of Taxes. Another one is that Melody organised some show here in Nehru Stadium, where the Government, to my knowledge, refused to give them permision for show free of taxes but the Commissioner has given permission. This is my own information. I want to

know from the Minister whether it is a fact ?

Shri Keshab Chandra Gogoi (Minister) :— Sir, in the second instance, I can inform the hon'ble member that I rejected the prayer for granting exemption of amusement tax. But to my surprise the exemption was permitted by the Tax Department. I have already passed orders to institute enquiry into this case and I can assure you that I shall take appropriate action,

Shri Kiron Chandra Bezbarua :— Sir, I have not been able to understand what the Finance Minister has said about the refund to India Carbon.

Shri Keshab Chandra Gogoi (Minister) :— Sir, the matter is being enquired into and action will be taken accordingly.

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে অহা কালিলৈ অৰ্থাত ২৫ তাৰিখে চিত্ৰ তাৰকা সকলৰ যি ক্ৰিকেট খেল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হব তাত এমিউজমেণ্ট টেক্স এক্‌জেম্পট্ কৰা হৈছে নেকি ?

Shri Keshab Chandra Gogoi (Minister) :— Yes, on payment of Rs. 50,000.00 in cash.

Shri Kiron Chandra Bezbarua :— Sir, there is an allegation that an amount of Rs. 37 lakhs was

refunded illegally. Whether the Finance Minister knows it and whether he was taken any action on it ?

Shri Keshab Chandra Gogoi (Minister, Finance) : – Yes, the amount was returned to the India Carbon by the Commissioner of Taxes. The matter is being enquired into.

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, যোৱা ৫ বছৰে ইণ্ডিয়া কাৰ্বনৰ নিচিনা অনুষ্ঠান এটাৰ দ্বাৰা টেক্স একজেম্পচন কিমান দিয়া হৈছে চৰকাৰে অনুসন্ধান কৰি জনাবনে ?

শ্ৰীকেশৱ গগৈ ( মন্ত্ৰী ) :— ব্যৱস্থা কৰা হব ।

শ্ৰীচামচুল হুদা :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মেলডিৰ ক্ষেত্ৰত তদন্ত কৰাৰ কথা কৈছে আৰু লগতে মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে সেই অফিছটো যত মেলডি শ্ব' চলিছিল আমি শুনিবলৈ পাইছোঁ ইতিমধ্যে সেই অফিছটোৱেই জ্বলি গৈছে, বা জ্বলাই দিয়া হৈছে আৰু সমস্ত নথি পত্ৰ আদিও জ্বলি নষ্ট হৈ গৈছে । সমস্ত জ্বলি যোৱাৰ পিচতহে পুলিচক ৰিপোৰ্ট কৰা হৈছিল । ( ভইচ—আমি নিজে দেখি আহিছোঁ ) মাননীয় সদস্য কেইজনমানে নিজ চকুৰে এই অৱস্থা দেখি অহা বুলিও কৈছে । কিন্তু এই ঘটনা কেনেকৈ হবলৈ পালে এই বিষয়ে তদন্ত কৰি সঠিক তথ্য জনাবনে ? মন্ত্ৰী মহোদয়ে একজেম্পচন ৰিজেক্ট কৰাৰ পিচত আকৌ কেনেকৈ এজেম্পচন দিলে আমাক জনাবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— মাননীয় সদস্য কেইজনমানে এই কথা সিদিনা আমাক জনাইছিল আৰু ইতিমধ্যেই আমি ইয়াৰ তদন্ত কৰি

ৰিপোৰ্ট দিবলৈ কৈছোঁ আৰু সকলোবোৰ তথ্য পাতি পালেই আমি সদনত জনোৱাৰ ব্যৱস্থা কৰিম।

Mr. Speaker :— The question relates to vacancies only. This is to be kept in mind.

Shri Ranendra Narayan Basumatary :— Sir, as the question relates to vacancies only I want to know from the bona'ble Minister whether sub-divisional pattern will be reflected in the appointment or feelling up the vacancies in the office of the Commissioner of Taxes ?

Shri Keshab Chandra Gogoi (Minister) :— We appoint Lower Division Assistants in the offiice of the Superintendent of Taxes for different sub-divisions. We shall try to reflect the po-pulation pattern in the sub-divisions.

Shri Altaf Hussain Mazumder :— Does the hon'ble Finance Minister know that there is a written commit-ment of the Government of Assam as well as of the Chief Minister for executing the policy laid down in the matter of appointment in which population pattern of the State should be reflected ? If so. will the Finance Minister assure that it will be done ?

Shri Keshab Chandra Gogoi (Minister) :— We are

traying to adhere to it and I am glad to inform the House that as far as practicable, in the Finance Department we are traying to implement it.

Shri Noorul Huda :— The hon'ble finance Minister has already admitted that one year's time for such important post of Commissioner of Taxes is too short a period. Will the hon'ble Minister, Finance take up this problem with the competent authority concerned, may be the C. M.'s. Secretariat and see that for such an important post of Commissioner of Taxes duly qualified person with technical background and that period of duration is fixed at least to 3 years ?

Shri Keshab Chandra Gogoi (Minister) :— I have explained in my answer already, that frequent transfer of the Commissioner of Taxes has created such a situation. I have got an assurance that from now on there will be no transfer frequently.

Shri Kiron Bezbaruah :— Sir, the Minister has replied in (c) that transfers were made for administrative reasons. Does the Minister know that 42 lakhs are to be paid by welford and that because of the change of the Commissioner of Taxes no one finds time to go into the details which resulted in refund of Rs. 37 lakhs to India Carbon also ? May I therefore,

request the Minister to look into these matters and take appropriate steps ?

Shri Keshab Chandra Gogoi (Minister) :— I will look into it personally.

শ্ৰীমুকুট শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অহা ২৫ তাৰিখে চিত্ৰ তাৰকা সকলৰ যিখন ক্ৰিকেট খেল হব, এই খেলখন যে বিশ্বজিতৰ নিজৰ ব্যৱসায় এইটো কথা জানেনে ? আৰু যদি জানে এই খেল খনত কিয় টেক্স একজেম্পুট কৰি দিছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ— মই এইখন এখন তাৰকাৰ ব্যৱসায় বুলি নাজানো। আমি টেক্স একজেম্পট কৰা নাই। আমাক ৫০ হাজাৰ টকা দিবলৈ কৈছো এনেয়ে আমি টেক্স লগালে ৫০ হাজাৰ টকা নাপাবও পাৰো। সেইকাৰণে এইটো ডাইৰেক্ট টেক্স হিচাবে দিবলৈ কৈছো।

Shri Naren Dutta :— The hon'ble Minister has replied that the vacancy has not been filled up due to lack of qualified candidate fulfilling the norms laid down. Will the Minister tell us what are the norms ?

Shri Keshab Chandra Gogoi (Minister) :— It is a Selection Grade Typist's post and the norms laid down are, he must have certain typing speed and he must have served for a number of years.

Re : Lecturers promoted as Inspectors of Schools.

Shri NOORUL HUDA asked :

* 273. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the Education Department while promoting cadres, seniority were not maintained specially in the cases of Lecturer who were promoted to the cadre of Inspectors of Schools ?

(b) If so, the reoson there of ?

Shri LAKSHYADHAR CHOUDHURY (Minister, Education) replied :

273. (a)—It is not a fact.

(b)—Does not arise.

Shri Noorul Huda :— I would request the hon'ble Education Minister to go in to the files again and state the correct position to the House later on a suitable date. As far as I know since 1951 and 1952 some lecturers from Cotton College were promoted as Inspector of Schools and posted in different districts of the State and I am pretty sure seniority was not

maintained in all cases. I can also cite examples. That is why will the Minister look into the files again since 1951 and 1952 and give us a correct position.

Shri Lakshyadhar Choudhury (Minister) :— The question is regarding promotion of lecturers. In this case I find from the relevant file, ofcourse I may not know the position of 1952 file, lecturers were not promoted as Inspector of Schools. Only the Professors were promoted. I already expressed yesterday evening that I have liked the hon'ble member Shri Noorul Huda bringing a new point about some appointment. If any particular case is brought to my notice surely I will look into it.

শ্ৰীপ্ৰমোদ গগৈ :— অধ্যক্ষ মহোদয়, প্ৰশ্নটো হৈছে জেনাৰেল। ইয়াত কোৱা হৈছে— Whether it is a fact that the Education Department whice promoting cadres seniority were not maintained specially in the cases of Lacturers who were promoted to the cadre of Inspectors of Schools ? ইয়াৰ উত্তৰত তেখেতে কৈছে 'নো' যিহেতু প্ৰশ্নটো জেনাৰেল সেইকাৰণে মই জানিব বিচাৰিছো যে অলপতে শিক্ষা বিভাগে ইন্সপেক্টৰ সকলৰ মজৰ পৰা এজনক জইণ্ট ডি, পি, আই, লৈ প্ৰমোচন দিলে। কিন্তু যিজনক প্ৰমোচন দিলে তেখেতৰ নাম লিষ্টৰ ৬ নম্বৰতহে আছিল। গতিকে ৪/৫ জনক চুপাৰচিড কৰি প্ৰমোচন দিয়া হৈছে। কি কি কাৰণত চুপাৰচিড কৰি প্ৰমোচন দিয়া হ'ল ?

শ্রীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ— মই আগতেই কৈছো যে আমাৰ ইয়াত যিটো নীতি সেই নীতি মতে চিনিয়ৰিটি কাম মেৰিট হিচাবেও কৰবাত দিয়া হৈছে। এই প্ৰশ্নটো শ্ৰী হুদা ডাঙৰীয়াই উত্থাপন কৰোতেই লেক্‌চাৰৰ পৰা ইন্সপেক্টৰলৈ প্ৰমোচন দিয়াৰ বিষয়ত মই নিজেই যথেষ্ট বছৰ পিচুৱাই গৈ অধ্যয়ন কৰি আহিছো। আৰু মই এইটোও জানো যে যিহেতু শ্ৰী হুদা ডাঙৰীয়াই উত্থাপন কৰিছে, ইয়াত নিশ্চয় কিবা এটা গুৰুত্বপূৰ্ণ কথা আছে। সেইকাৰণে কথাটো স্পেচিফিক ভাবে জানিব পাৰিলে নিশ্চয় এই বিষয়ে ব্যৱস্থা কৰা হব। কিছু ক্ষেত্ৰত মই কৈছোৱেই যে চিনিয়ৰিটি কাম মেৰিটৰ কথা আছে। আমি মেৰিটক শ্ৰদ্ধা কৰো আৰু সেই কাৰণে নীতিগত ভাবে দিবলৈ থিৰাং কৰিছো। আৰু যিখন চিনিয়ৰিটি লিষ্ট আগতে হৈছিল তাত বহুতো অভিযোগ থকাৰ কাৰণে আজি ৮/১০ বছৰে লিষ্ট কৰিব পৰা হোৱা নাই। এই ক্ষেত্ৰতো কিছু আপত্তি নোহোৱা নহয়। চিনিয়ৰিটি কাম মেৰিটৰ লিষ্ট উলিয়াটো বৰ দূৰুহ কাম। এজন ফিজিক্‌চৰ প্ৰফেচাৰ দৰকাৰ হোৱাত তেওঁক ৰেগুলেচন ৩ (এফ) ত দিয়া হ'ল। তাৰ পিচত আকৌ এজন এ. পি, এচ. চিয়ে অসমীয়া প্ৰফেচাৰ ললে। এতিয়া এই দুজনৰ মাজত চিনিয়ৰিটি নিৰ্ণয় কৰাটো বৰ টান। সেইকাৰণে চিনিয়ৰিটি লিষ্ট শুদ্ধ বুলি কব নোৱাৰি। সকলো এম্‌প্লয়ৰে অভিযোগ আছে। যদি কোনোবা লেক্‌চাৰাৰক ইন্সপেক্টৰ কৰা হৈছে সেইটো মই অনুসন্ধান কৰি চাম। মই এটা কথা কবলৈ লাজ নকৰো যে মই অসত্য কথা নকওঁ বুলি কৈছো। মই ১৯৭৬ চনৰ পৰাহে ফাইল চাই আহিছো। মই ১৯৭৭ চনৰ ১৩ এপ্ৰিলত আসাম গেজেটেডত প্ৰকাশিত হোৱা চৰকাৰী চাকু্লাৰ খনৰো শুদ্ধ অশুদ্ধ খিনি চাই আহিছো। গতিকে শ্ৰী হুদা ডাঙৰীয়াই যিটো অভিযোগ আনিছে এইটো ডেফিনিট্‌লি দিলে মই ভাল পাওঁ। শ্ৰী গগৈ ডাঙৰীয়াই যি কৈছে সেই বিলাক চোৱা চিটা কৰিবৰ কাৰণে শ্ৰীৰমেশ চহৰীয়াই কোৱাৰ দৰে আৰু এজন মন্ত্ৰী লব লাগিব। মই

কৈছোৱেই যে তেনেকুৱা অভিযোগ পোৱা মতে আসোঁৱাহ পোৱা নাই। যদি ডেফিনিট্‌লি খবৰ দিয়ে মই চাম।

শ্ৰীপ্ৰমোদ গগৈ :— এটা স্পষ্টীকৰণ বিচাৰিছো যে, শিক্ষা বিভাগৰ প্ৰমোচনৰ ক্ষেত্ৰত চিনিয়ৰিটি আৰু মেৰিটৰ ওপৰত কৰা নাই! কিয়নো দুজন ইন্সপেক্টৰক জইন ডিৰেক্টৰলৈ প্ৰমোচন দিয়া হৈছে। আৰু এই প্ৰমোচন দিওঁতে ৪/৫ জনক চুপাৰচিট কৰা হৈছে। কি বেচিচত চুপাৰ-চিট কৰিছে, সেইটো বিবেচনা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এইটো নিশ্চিতভাবেই কৰা হৈছে। বিবেচনা কৰাৰ আৱশ্যক নাই। ইয়াত যদি কিবা ব্যথিক হৈছো এইটো প্ৰত্যাহ্বান লবলৈ সাজু আছো।

Shri Kiron Bezbaruah :— Sir, will the hon'ble Minister inform us whether the lecturers who are promoted to the post of Inspector of Schools, they all bellong to the Cotton College only ?

Shri Lakshyadhar Choudhuri (Minister) :— Sir, that is a Government College. According to the seniority they are promoted ; and here. the professors, not the lecturers are promoted.

Shri Kiron Bezbaruah :— My question is are they only promoted from Cotton College ?

Shri Lakshyadhar Choudhuri (Minister) :— Sir, formerly, only the Cotton College was the Government college. And now, Diphu and Haflong College have also

become the government college and as they have come into being latter on, naturally their staff are junior to those of Cotton College.

Shri Kiron Bezbarua :— Sir, does the Mininter know that from today the Cotton College Professors and Lecturers are on strike because of some irregularities committed by the Education Department in their cadre.

Mr. Speaker :— That is a different question.

Shri Lakshyadhar Choudhury (Minister) :— That is a different question; they have also the democretic right to go on strike.

Shri Premadhar Bora :— Sir, is the Minister aware that some Assistant Inspectors and Inspectors are also recruited from amonst the teachers of the Governments Higher Secondary Schools ?

Shri Lakshyadhar Choudhury (Minister) :— There is a rule for recruitment of this officers directly. There was a Resolution in 1976 which has been published in April/77 gazette; there was some Resolution about appointment and direct recruitment of 30% – 75% and like that.

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, এই ইন্সপেক্টৰ, ডি, পি, আই, জইণ্ট ডি, পি, আই প্ৰত্যেকবে নিজাকৈ চেয়াৰ নাই জানো ? যদি আছেই এই যে চিনিয়ৰিটি লিষ্টৰ কথা কৈছে সেইটো প্ৰতি বছৰেই ৰক্ষা কৰা নহয় জানো ? ইয়াৰ আগতে চিনিয়ৰিটি লিষ্ট কেইবাৰ কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— আগতে এবাৰ কৰা হৈছিল সেইটো বহুতো অভিযোগ থকাৰ কাৰণে এইবাৰ চিনিয়ৰিটি লিষ্ট ফাইনেল কৰাৰ আগতে কাৰোবাক কিবা কব লগীয়া থাকিলে সুবিধা দিয়া হৈছে।

Shri Prasad Chandra Doloi :— Sir, in the field of education, seniority cum merit is the basis of promotion ; but in the case of scheduled cast and scheduled tribes officers who have served about 20 years, their cases were not considard on the basis of seniority-cum-merit. Now, will the Minister consider the cases of those candidates belonging to scheduled castes and scheduled tribes who are meritorious and who have got their seniority on the basis of the formula of 10% in the case of scheduled tribes and $7\frac{1}{2}$% for the scheduled castes ?

Mr. Speaker :— That is a vary wide question you are asking.

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— চিডুল কাষ্ট আৰু চিডুল ট্ৰাইব্‌চৰ প্ৰতি মোৰো যথেষ্ট সন্মান আছে আৰু সেই বিষয়ে বিবেচনা কৰা হব

Starred Question Nos: 274 and 275 were not put, the Members being absent.

বিঃ— মঙ্গলদৈ চিভিল হস্পিতাল

শ্ৰীৰমেশ চহৰীয়াই সুধিছে ঃ

* ২৭৬। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ নগৰত থকা চিভিল হস্পিতালত কিমানজন ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা আছে ?

(খ) উক্ত হস্পিতালখন আহল-বহল ঠাইলৈ উঠাই লৈ যোৱাৰ প্ৰস্তা আছে নেকি ?

(গ) যদি আছে, উক্ত প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ আনুমানিক ব্য (estimated) কিমান হব আৰু কেতিয়া কাৰ্য্যকৰী কৰা হব ?

ডাঃ কোযেশ্বৰ বৰা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৭৬। (ক)—৮৫ জন।

(খ)—হয়, আছে।

(গ)—আনুমানিক ব্যয় কিমান হব কোৱা টান যেহেতু প্ৰাক্‌ক এতিয়াও প্ৰস্তুত হোৱা নাই।

শ্ৰীৰমেশ চহৰীয়া ঃ— প্ৰাক্কলন প্ৰস্তুত কৰা আৰু মাটি ডোখৰ অধিগ্ৰহণ কৰাৰ কাৰণে বিভাগক নিৰ্দ্দেশ দিবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) ঃ— মাটি ডোখৰ অধিগ্ৰহণ কৰা হৈছে কিন্তু প্ৰাক্কলন এতিয়াও প্ৰস্তুত কৰা হোৱা নাই। ফান্দ হলেই সেইটো প্ৰস্তুত কৰা হব।

Starred question Nos. 277 and 278 were not put, the Members being absent.

### বিঃ অসমত উৎপাদিত ঘৰুৱা শিল্পৰ সামগ্ৰী

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

*২৭৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত উৎপাদিত ঘৰুৱা শিল্পৰ কিছুমান সামগ্ৰীৰ বিদেশত ভাল বজাৰ আছে এই কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, এই সামগ্ৰীৰ ৰপ্তানিৰ কাৰণে ষ্টেট ট্ৰেডিং কৰপৰেচনৰ এটি কাৰ্য্যালয় অসমত স্থাপন কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীজগন্নাথ সিংহ (উদ্যোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৭৯। (ক)—হয় জানে।

(খ)—ষ্টেট ট্ৰেডিং কৰ্পৰেচনে তাৰ এটা শাখা অলপতে গুৱাহাটীত খোলাৰ কথা আছে।

শ্ৰীমুকুট শৰ্ম্মা ঃ— মই উদ্যোগ মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে, অসমৰ বাঁহ আৰু বেতৰ যি শিল্প আছে এই শিল্পৰ ওপৰত চৰকাৰৰ চকু পৰা নাই। সেইকাৰণে এই শিল্পটোৰ কথা সাধাৰণতে নুঠে। ইয়াৰ দ্বাৰা বিদেশলৈ বা বাহিৰলৈ বস্তু পঠিয়াই আমি কিছু আয় কৰিব পাৰো। সেই কথা মন্ত্ৰী মহোদয়ে ভাবেনে?

শ্ৰীজগন্নাথ সিংহ ঃ— চৰকাৰৰ দৃষ্টি আকৰ্ষণ যে হোৱা নাই সেইটো কথা নহয়। সেইকাৰণে অলপতে ষ্টেট ট্ৰেডিং কৰ্পৰেচনৰ লগত আলোচনা কৰি ইয়াতে এটা অফিচ কৰিবলৈ অনুৰোধ কৰা হৈছে। তেওঁলোকৰ ফালৰ পৰাও ৰাজি আছে বুলি জনাইছে। সোনকালে ইয়াত এটা অফিচ কৰিব পৰা হব।

শ্ৰীজীৱন বৰা ঃ— এই বাঁহ বেতৰ পৰা আমাৰ অসমত বিশেষকৈ গাৱঁত বহু মানুহৰ জীৱিকা চলি আছে। গতিকে এই মানুহ বিলাকক সহায় কৰাৰ কাৰণে এই বাঁহ বেতৰ পৰা উৎপাদন কৰিব পৰা বস্তু আৰু তাক বিক্ৰি কৰাৰ কাৰণে ইত্যাদি সু-ব্যৱস্থা তেওঁলোকে কৰিবনে?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— আমি এটা হেন্দিকেপ্‌চ কৰিবলৈ ব্যৱস্থা লৈছো। এইকাৰণে এটা ট্ৰেনিং চেণ্টাৰো খোলা হৈছে। এই চেণ্টাৰ নলবাৰী আৰু নিলাম বজাৰত কৰা হৈছে।

শ্ৰীঅতুল গোস্বামী ঃ— যোৱা কেইবছৰত উদ্যোগ মন্ত্ৰীয়ে দায়িত্ব গ্ৰহণ কৰাৰ পিচৰে পৰা আজি পৰ্য্যন্ত অসমত অসমৰ কোন কোন

অঞ্চলত ঘৰুৱা উদ্যোগ গঢ়ি উঠিছে আৰু কি কি সাহায্য দিয়া হৈছে সেইটো মন্ত্রী মহোদয়ে জনাবনে ?

শ্রীজগন্নাথ সিংহ (মন্ত্রী) :— এইটো বেলেগে প্রশ্ন কৰিলে ভাল হয়। এই বিষয়ে এচোছিয়েটেড Institute হায়দৰাবাদ, দিটেইল্চ এন্কুৱাৰী কৰি ৰিপোর্ট চাব্মিট কৰিবলৈ দিয়া হব বুলি সিদ্ধান্ত লোৱা হৈছে।

শ্রীচামচুল হুদা :— মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমত বেতৰ শিল্প চলাবলৈ বৰ অসুবিধা হৈ পৰিছে— কিয়নো এই বস্তু বিলাক কলিকতাৰ পৰা আনিব লগা হোৱাৰ কাৰণে আমাৰ এই শিল্পী সকলে ৰাস্তা খৰচৰ বাবদ বহুতো পইচা ভৰিব লগা হয়। অসমত যেনেকৈ কেৰাচিন তেল উৎপাদন হয় আৰু অসমৰ মানুহেই বেছি পইচা ভৰিব লগা হয় ঠিক সেইদৰে বেতৰ ক্ষেত্রতো আমাৰ মানুহে বেছি পইচা ভৰিব লগা হয়। এই কথাটো মন্ত্রী মহোদয়ে জানেনে ?

Shri Jagannath Singha (Minister) :— This is nothings but an irony of fate. কিন্তু এই বিষয়ে আমি কথা-বার্ত্তা চলাই আছো। ইয়াৰ কাৰণে আমি বন বিভাগৰ লগত কো-অপাৰেটিভ ভিত্তিত কৰিবলৈ আলোচনা চলাই আছো।

শ্রীআক্রাম হুছেইন :— মন্ত্রী মহোদয়ে কৈছে যে অসমত উৎ-পাদিত ঘৰুৱা শিল্পৰ সমগ্র বিদেশতে বজাৰ আছে। মই তেখেতৰ পৰা জানিব বিচাৰিছো যে কোন কেইটা বস্তুৰ বিদেশত বজাৰ আছে সেই কথা জনাব নে ?

শ্রীজগন্নাথ সিংহ (মন্ত্রী) :— কোন কেইটা শিল্প সেইটো খাতাংকৈ কৰা নাই। ষ্টেট ট্রেডিং কর্পৰেচনৰ যোগেদি ভাৰত চৰকাৰে বিদেশলৈ

ৰপ্তানি কৰি আছে। তাৰ বাবে আমি চৰকাৰৰ লগত যোগাযোগ কৰি আছো। অলপতে সেই কৰ্পৰেচনৰ চেয়াৰমেন আমাৰ লগত আলোচনা কৰিছে আৰু এই বিষয়ত অতি সোনকালে গৌহাটীত এটা অফিচ স্থাপন কৰা কথাত সন্মতি প্ৰকাশ কৰিছে।

শ্ৰীআক্ৰাম হুছেইন :— বিদেশত কি কি সামগ্ৰী জনপ্ৰিয় হৈছে ?

শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী) :— আপোনাৰ অনুমতি সাপেক্ষে কব বিচাৰিছো যে বাঁহ-বেতৰ সামগ্ৰীৰ বাহিৰেও এণ্ডি, চিল্ক আদিৰ জনপ্ৰিয় হৈছে। ইয়াৰ লগতে আমাৰ মিচিং সমাজত যি মিৰিজিম কাপোৰ তৈয়াৰ হয় তাক কোটলৈ ৰূপান্তৰ কৰি আমেৰিকা, জাৰ্মান, জাপান আদি দেশলৈ ৰপ্তানি কৰা হয়। এইখিনি এক্সপোৰ্ট—ইম্পোৰ্ট কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ নিৰ্দ্দেশ অনুসৰি এখন কমিটি হৈছিল আৰু সেইটো চিভিল চাপ্লাইৰ নিৰ্দ্দেশত এক্সপোৰ্ট—ইম্পোৰ্ট কৰিবৰ কাৰণে আমাৰ অসমত এটা কৰ্পৰেচন কৰিবৰ কাৰণে চৰকাৰে বিবেচনা কৰি আছে।

শ্ৰীকিৰণ বেজবৰুৱা :— মই উদ্যোগ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ যিখন মাৰ্কেটিং কৰ্পৰেশ্যন আছে সেইখনে অসমত উৎপাদিত থলুৱা শিল্পকে বিক্ৰি কৰিছে নে আৰু বেলেগ বস্তু বিক্ৰি কৰিছে ? যদি কৰিছে কিমান কৰিছে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— কিমান কৰিছে সেইটোৰ ফিগাৰ এতিয়া আমাৰ লগত নাই বিচাৰিলে পিছত দিব পাৰিম।

শ্ৰীকিৰণ বেজবৰুৱা :— ট্ৰেডিং কৰ্পৰেশ্যনৰ অফিচটোৰ কিবা প্ৰয়োজন আছে নেকি ? কিয়নো মাৰ্কেটিং কৰ্পৰেশ্যনে বস্তুবিলাক বাহিৰলৈ পঠোৱা আমি দেখি আহিছো।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— এইটো কৰিলে আমাৰ আৰ্টিজেন সকলৰ সুবিধা হয়।

শ্ৰীমুকুট শৰ্ম্মা ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ষ্টেট ট্ৰেডিং কৰ্পৰেশ্যনৰ চেয়াৰমেন শ্ৰী এচ, চি, ভট্টাচাৰ্য্য অসমলৈ আহোতে কৈছে যে অসমত ফল-মুল সংৰক্ষণ কৰি বিদেশলৈ পঠাব পৰা হয় আৰু তাৰ ফলত বিদেশী মুদ্ৰা অৰ্জণ কৰিব পৰা যায়। গতিকে অসম চৰকাৰে ফল-মুল সংৰক্ষণ কৰাৰ কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— এই বিষয়টো ১১/১১/৭৭ তাৰিখে আলোচনা কৰা হৈছে। এই ব্যৱস্থা কৰিলে অসমত প্ৰত্যেক দিনে প্ৰায় ৫০ টন ফল-মুল সংৰক্ষণ কৰিব পৰা হব আৰু তাৰ ফলত আমাৰ গ্ৰআৰচ সকল লাভৱান হব। এইবিলাক ষ্টেট ট্ৰেডিং কৰ্পৰেশ্যনৰ মাৰফত তেওঁলোকৰ লেভেলত কৰিব আৰু তাৰ ফলত আমি উপকৃত হম।

শ্ৰীনগেন শৰ্ম্মা ঃ— মন্ত্ৰী মহোদয়ে কৈছে যে বাঁহ-বেতৰ বস্তুৰ বাহিৰত চাহিদা বাঢ়িছে। তেওঁ জানে নে যে আমাৰ ইয়াৰ পৰা পঠোৱা চাকি তাত নি পুৰি পেলোৱা হৈছে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— সেইটো আমি জনা নাই। কিন্তু বাঁহৰ টুকুৰা বিলাক পঠাইছো যিবিলাক তেওঁলোকে টুথ পেড হিচাবে ব্যৱহাৰ কৰে সেইবিলাক তাত বৰকৈ বিক্ৰি হৈছে।

শ্ৰীকুলবাহাদুৰ চেত্ৰী ঃ— মন্ত্ৰী মহোদয়ে কৈছে যে আমাৰ ঘৰুৱা শিল্পৰ বিদেশত বজাৰ আছে। কিন্তু মন্ত্ৰী মহোদয়ে এইকথা জনাব নে যে এই ঘৰুৱা শিল্প বিলাকৰ কাৰণে কোনে সাহায্য দিয়ে ? সেই কথাটো তেখেতে স্পষ্টভাৱে জনাব নে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— সেইকাৰণে আমি Associate Institute হাইদৰাবাদত ছেট এপইণ্ট কৰিব বিচাৰিছো। বৰ্ত্তমান আমি প্ৰশিক্ষণৰ যাবতীয় সা-সুবিধাৰ কাৰণে ব্যৱস্থা কৰি আহিছো।

ডঃ তাৰিণী দাস ঃ— নলবাৰীত এটা বাঁহ-বেতৰ কাৰখানা আছে বুলি কৈছে। কিন্তু সেইটো কাগজত আছে নে কাম হৈছে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— মই তালৈ নিজে গৈছিলো আৰু মাননীয় সদস্য জনক তাত বিচাৰিছিলো। কিন্তু তেখেতক মই লগ পোৱা নাই। তাত খবৰ পাইছো যে কাম চলি আছে।

শ্ৰীবীৰেণ চৌধুৰী ঃ— মন্ত্ৰী মহোদয়ে এই কথা জনাবনে যে, অসমত মাটিৰ সাজ-বাচন তৈয়াৰ কৰা উদ্যোগ আছে আৰু এই উদ্যোগ বিলাকৰ অৱস্থা বৰ্ত্তমান অতি শোচনীয়। এই উদ্যোগ বিলাক কৰিবৰ কাৰণে আৰু যিহেতু জনতা চৰকাৰে ঘৰুৱা শিল্পৰ প্ৰতি যথেষ্ট গুৰুত্ব দিয়াৰ কথা কৈছিল তেনে ক্ষেত্ৰত আজি এবছৰে এই সাজ-বাচন তৈয়াৰ কৰা উদ্যোগৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— এইটোৰ আমি ব্যৱস্থা লৈছো।

শ্ৰীঅজয় দত্ত ঃ— অসমত এটা বিখ্যাত ঘৰুৱা শিল্প আছে— হাতী দাঁতৰ। সেইটো বৰ্ত্তমান মৃতপ্ৰায়। সেইটো উদ্ধাৰ কৰিবৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ- সেইটো চিন্তা কৰি আছো।

শ্ৰীকুলবাহাদুৰ চেত্ৰী ঃ— হায়দৰাবাদলৈ প্ৰশিক্ষণ লোৱাৰ কাৰণে সহায় কৰিম বুলি কৈছে। আমাৰ অসমত বহুতো প্ৰশিক্ষণ প্ৰাপ্ত ডেকা আছে যিসকলৰ টকা পইচা নাই। সেইকাৰণে তেওঁলোকে শিল্প গঢ়ি

তুলিব পৰা নাই। তেওঁলোকৰ কাৰণে কি ব্যৱস্থা কৰা হব ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— মাননীয় সদস্যক মই দিটেইল্‌চ কৰলৈ বিচৰা নাই। তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে আৰু তাৰ দ্বাৰা তেওঁলোকক সা-সুবিধা দিব পৰা নাই। প্ৰশিক্ষণ লোৱা ল'ৰা বিলাক self suffieient কৰাৰ কাৰণে আমি সকলো ৰকমৰ চেষ্টা চলাই আছো।

Mr. Speaker :— The question hour is over.

Undisposed starred questions dated 22-8-79.

Re :— Protection of Hojai Samasti areas and Namati Mouza.

Shri Santi Ranian Das Gupta asked :

* 280. Will the Minister Flood Control be please to state—

(a) Whether it is a fact that the Minister, Flood Control received from the Questioner some proposals to protect Hojai Samasti areas and aslo Namati Mouza of the Jamunamukh Samasti from the ravages of Flood on 7th June, 1978 ?

(b) Whether it is also a fact that the under Secretary, Flood Contral Department Assam by his letter No. FC.(C).237/76/59, dated 23rd October, 1978 called for the reports on the proposals from the Executive Engineer Nowgong E.&D. Division, Nowgong ?

(c) If so whether any report has so far been submitted to the Government by the said Officer ?

(d) If the reply is in the affirmative, the names of the Schemes and proposal accepted by the Government ?

Shri Ramesh Mohan Kouli ( Minister, Flood Control ) replied :

280. (a)— Yes;

(b)— Yes.

(c)— No matter is still under investigation for inclusion in the Master plan of the Kapili Besin.

(d)— Does not arise.

বিষয় ঃ গৰু, মহ আদি কিনাৰ বাবে দিয়া ঋণ

শ্ৰীনৰেন্দ্ৰ নাথ দত্তই সুধিছে ঃ

* ২৮১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গৰু, মহ, মাটি বন্ধকী আৰু বিভিন্ন ধৰণে দিয়া ঋণ স্থায়ীভাবে বানপ্ৰীড়িত অঞ্চলৰ কৃষকক ৰেহাই দিয়াৰ বিষয়ে চৰকাৰে ভাবিছেনে ?

(খ) যদি ভবা নাই, এনে ঋণ ৰেহাই দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮১। (ক) ৰাজহ বিভাগৰ বান প্ৰপীড়িত অঞ্চলৰ মানুহ সকলৰ গৰু, খেতি আৰু থকা ঘৰ ক্ষতি হোৱাৰ কাৰণে গৰু, মহ কিনাৰ বাবে আৰু পুনঃ সংস্থাপনৰ বাবে মাটি বন্ধকী দিয়া ঋণ ৰেহাই দিয়াৰ কোনো প্ৰস্তাৱ নাই।

(খ)— প্ৰশ্ন নুঠে।

## Re: CRIMES

Shri Khagen Borbaruah asked :

* 282. Will the Chief Minister be pleased to state—

(a) The number of crimes since last five years in the State? (figures may be shown year:wise)

(b) In how many cases the offenders have been

brought to book, trieb and punished ?

Shri Golap Borbara (Chief Minister) replied :

282. (a)— The total number of crimes reported during last five years is as follows :—

1974—38516.

1975—40375.

1976—35921.

1977—38278.

1978—38647.

(b)— A detailed statement is placed on the table of the House.

Re : Construction of a R. C. C. Bridge over Gaurang River.

Shri Ranendra Narayan Basumatary asked :

*283. Will the Minister, PWD be pleased to state—

(a) Have the Government received the proceedings of the meeting of the Subdivisional Road Communication Board, Kokrajhar Civil Subdivision held on 7th

November 1978 ?

(b) If so, have the Government noted the urgency felt by the Board for an RCC bridge over the river Gaurung at such a location that seves the several roads ?

(c) Will the Government take steps for sanctioning of the bridge during the financial year of 1979-80 ?

Shri Dulal Chandra Baruah (Minister, PWD) replied :

283. (a)— Yes.

(b)— Yes.

(c)— This would depend upon availability of sufficient fund under 'Plan' and relative merit of this bridge compared with other bridges in dffierent Civil Subdivisions.

বিষয় ঃ অসম (অস্থায়ী বন্দোৱস্তী অঞ্চল) ৰায়তী স্বত্ব আইন, ১৯৭১

শ্ৰীৰবীন্দ্ৰ নাথ মালাকৰে সুধিছে :

*২৮৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাবনে—

(ক) জৰুৰীকালিন অৱস্থাত অসম ৰায়তী আইনখন কেনে ধৰণে প্ৰচলন কৰা হ'ল, তাৰ ভালে থিনি আসোঁৱাহ থকা কথাটো চৰকাৰে জানেনে ?

(খ) এই আইনৰ বলত আধি বা চুকানি নোখোৱাকৈ এক শ্ৰেণীৰ খেতিয়কে বা কোনো ক্ষেত্ৰত হাল-গৰু নোহোৱা মানুহেও মন্ডলৰ আপোচ যোগাযোগে ৰায়তী খতিয়ান পোৱা কথাটো চৰকাৰে জানেনে ?

(গ) যদিহে জানে, এনেধৰণৰ কেচবোৰ পুনৰ বিবেছনাৰ বাবে কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

(ঘ) যদিহে লোৱা নাই তেনেহলে যি সকল খেতিয়কৰ আইন সংগত ভাৱে স্বত্ব বিলুপ্ত কৰা হোৱা নাই, তেওঁলোকৰ পূৰ্ব্বৰ স্বত্ব বা দখল ফিৰাই দিয়াৰ ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৮৪। (ক)— জৰুৰীকালিন অৱস্থা ঘোষনাৰ বহু আগৰ পৰা অৰ্থাৎ ইং ১০-১২-৭১ তাৰিখৰ পৰা অসম ( অস্থায়ী বন্দোৱস্তী অঞ্চল ) ৰায়তী স্বত্ব আইন ১৯৭১ অসমত বলবত আছে আৰু সেইদৰে জৰুৰীকালিন সময়তো বলবত আছিল। এই আইনথনত ভালেখিনি আসোঁৱাহ আছে বুলি চৰকাৰে নেভাবে।

(খ)— তেনেকুৱা ঘটনা চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই।

(গ)— প্ৰশ্ন নুঠে।

(ঘ)— প্ৰশ্ন নুঠে।

বিষয় ঃ নাওবৈচা; আজদ আদিত ১০ খনৰ পৰা ৩০ খন বিচনা যুক্ত চিকিৎসালয় পতাৰ আঁচনি

শ্ৰীযুক্ত ৰবাই সুধিছে :

* ২৮৫। মাননীয় স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নাওবৈচা, আজাদ, পানীগাওঁ, গৰচিগা, বগীনদীত ১০ খনৰ পৰা ৩০ খন বিচনাৰ চিকিৎসালয় পতাৰ আঁচনি আছে নেকি ?

(খ) যদি আছে কেতিয়া কাৰ্য্যকৰি হব ?

ডাঃ কোষেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮৫। (ক)— নাই ।

(খ)— 'ক, প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে ।

Re: All Weather Motorable (gravelled) P.W.D: Road

Shri M, Ibrahim Ali asked:

* 286: Will the Minister P. W. D. be pleasee to state—

(a) The number of Assembly Constituencies in Assam

without any all weather motorable (gravelled) P.W.D. Road till to-day ?

(b) Whether it is a fact that the Baghbor L.A. Constituency in Barpeta Subdivision is one of such constituencies ?

(c) If so, will the Governmet select the Mondia—Rowmari P. W. D. Road of Baghbor for gravelling etc. during the current financial year ?

Shri Dulal Chandra Baruah (Minister, P. W. D.) replied :

286. (a)— From the available records, there is no such constituency without having any stretch of motorable gravelled Road.

(b)— No, there is some stretch of motorable Road which is partly gravelled in Baghbor constituency.

(c)— Yes, Mondia— Rowmari P. W. D. Road under Baghbor constituency has already been taken up for improvment by raising, widening, gravelling etc., during the current year.

Construction of Medical Sub-Centre at Desangmukh

Shri Promode Gogoi asked:

*287. Will the Ministar of State, Health be pleased to state—

(a) Whether it is a fact that a site was selected by the Public Health Engineering Department at Desangmukh under the Sibsagar Sub-Division which is mostly inhabitated by Tribal and Scheduled Cast people and always affected by flood for construction of a Medical Sub-Centre?

(b) If so, whether the said Sub-Centre will be constructed during the next financial year?

Dr. Kosheswar Bora (Minister of State, Health) replied:

287. (a)— Yes.

(b)— Subject to availability of fund, construction of the Sub-Centre will be considered.

Re: Grade IV employees of Assam Civil Secretariat

Shri Joy Chandra Nagbanshi asked:

* 288. Will the Chief Minister be pleased to state—

The total number of the IV Crade employees in the Assam Civil Secretariat ?

(The number may kindly be shown as community-wise).

Shri Golap Borbara (Chief Minister) replied :

288.— There are 764 Grade IV employees in the Assam Secretariat (Civil) including P.W./F.C/ and Inrrigation Departments.

Community-wise figures are—

| | |
|---|---|
| Caste Hindu | 520 Nos. |
| Muslim | 50 " |
| Sikh | 8 " |
| Christian | 2 " |
| SC | 60 " |
| ST (P) | 17 " |
| ST (H) | 2 " |
| OBC | 105 " |
| Total | 764 Nos. |

Re : Assam Government Construction Corporation

Shri Nishith Ranjan Das asked :

*389. Will the Minister, P. W: D. be pleased to state—

(a) Whethr profit and loss account of Assam Government Construction Corporation has been regularly audited every year ?

(b) If so, whether Government will apprise the House of the full particulars of net profit of the Corporation year by year sinceits inception ?

Shri Dulal Chandra Baruah (Minister. P. W: D.) replied :

289. (a)— Yes.

The profit and loss and Balance sheet of the Corporation are audited by Statuatory Auditors appointed by Government of India as well as Accountant General. Audit has been regularly conducted every year since inception of the Corporation.

(b)— The net profit and loos from inception of this Corporation is as below year by year :—

(Rupees in lakhs)

| Year | Profit | Loss |
| --- | --- | --- |

| | | |
|---|---|---|
| 1964-65 | ... | 1·0.06 |
| 1965-66 | 0.14 | ... |
| 1966-67 | 0.37 | ... |
| 1967-68 | 0.85 | ... |
| 1968-69 | ... | 3.07 |
| 1969-70 | ... | 7.76 |
| 1970-71 | ... | 9.27 |
| 1971-72 | ... | 3.17 |
| 1972-73 | ... | 4.47 |
| 1973-74 | ... | 4.36 |
| 1974-75 | 1.26 | ... |
| 1975-76 | 16.43 | ... |
| 1976-77 | 15.15 | ... |

বিষয় ঃ বাইহাটা চাৰিআলিত চিকিৎসালয়ৰ প্ৰয়োজনীয়তা

শ্ৰীদৈবশক্তি ডেকাই সুধিছে ঃ

* ২৯০। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বাইহাটা চাৰিআলিত চিকিৎসালয় এখনৰ প্ৰয়োজনৰ কথা চৰকাৰে জানে নে?

(খ) যদি জানে তেন্তে এই বিত্তীয় বছৰত কোনো চিকিৎসালয় পতাৰ ব্যৱস্থা কৰিছে নেকি?

ডাঃ কোষেশ্বৰ বৰা (স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৯০। (ক)— হয় জানে।

(খ)— একো স্থিৰ হোৱা নাই।

## MISCELLANEOUS

**Mr. Speaker:**— Hon'ble Members Shri Promodhar Bora and Shri Benoy Kumar Basumatori want to raise certain points. But under the Rule such points are not allowed for discussions when the budget discussions are going on. I am allowing it as a special case without making any precedence.

**শ্ৰীপ্ৰেম বৰা ঃ**— অধ্যক্ষ মহোদয়ে মোক এটা বিশেষ দায়ীত্বপূৰ্ণ কথা উথাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো। মই এটা বিশেষ জৰুৰী কথাৰ ক্ষেত্ৰত সদন তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। কথাটো হৈছে যে আজি গোটেই অসমৰ বড়ো ছাত্ৰ ইউনিয়নে তেওঁলোকৰ কিছুমান সমস্যা আৰু নায্য দাবী লৈ অসম বিধান সভাৰ সন্মুখলৈ আহিছে। তেখেত সকলৰ সেই দাবী চনদ গণতান্ত্ৰিক ভাৱে চৰকাৰৰ ওচৰত প্লেচ কৰিবলৈ আহিছে। গতিকে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যাতে আমাৰ কোনোবা দায়ীত্বপূৰ্ণ মন্ত্ৰী তালৈ গৈ তেওঁলোকৰ দাবী চনদখন আনিব লাগে আৰু তেওঁলোকৰ নায্য দাবীৰ যিখিনি পুৰণ কৰিব পৰা যায় সেইখিনি পুৰণ কৰিবলৈ মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনালো।

Shri Benoy Kumar Basumatori :— Sir, I am drawing the attention of the Govt. through you that the Bodo Students Union, which is to submit a memorandum to the Govt. demandings (1) proper relief and compensation to the affected people in the Assam Nagaland Border incident on 5th January, last, (2) proper execution of the Govt. decision of Tribal Belts and Blocks, (3) problems of the Bodo-medium-of-instruction, (4) recognition of the Bodo language as one of the offical languages and (5) extension of the special provision to Scheduled castes/Scheduled Tribe and O.B.C. after 1980, is waiting outside the Assembly campus. Sir, I would request that members of the Cabinet may kindly go out and meet the demonstrators & to receive their memorandum.

Shri Dulal Chandra Barua (Minister):— Sir, I fully share the views expressed by the Hon'ble Members Mr. Bora and Mr. Basumatori. Sir, in this connection I would like to inform the House that the demands of the Bodo Students Union are now under the active consideration of the Govt.. As regards their demandfor relief to the affected people in Assam Nagaland Border incident, this is also under the consideration of the Govt. and other matters are also being considered. Sir, now I am, on behalf of the Govt.

ready to go out, meet the demonstrators and to receive their momorandum.

## ANNOUNCEMENT BY SPEAKER

Mr. Speaker :— Now, there is an announcement: Under Rule 312 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I hereby nominate the following members to constitute the House Committee :—

1. Shri Bhuboneswar Barman,
2. Shri Dileswar Tanti,
3. Shri Pratap Kalita,
4. Md. Shamsul Huda,
5. Shri Nishith Ranjan Das,
6. Shri Ramesh Chandra Saharia,
7. Shri Purna Chandra Bora,
8. Shri Mukut Sharma,
9. Shri Padam Bahadur Chouha.

Under Rule 198 (I) of the Rules of Procedure and Couduct of Business in Assam Legislative Assembly I hearby appoint Shri Bhubaneswar Barman as the Chairman.

The Committee will function for a term of one year with effect from the 22nd March, 1979.

There is another announcement. Under Rule 259 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly, I hereby nominate the following members to constitute the Rules Comittee :—

1. Shri Dulal Chandra Barua, Minister, Parliamentary Affairs.
2. Shri Shanti Ranjan Das Gupta,
3. Shri Khogen Barbaruah,
4. Shri Noorul Huda,
5. Md, Fokhrul Islam,
6. Srhi Devananda Bora,
7. Shri Golak Rajbanshi,
8. Shri Promode Chandra Gogoi.

The Speaker will be the Ex-Officio Chairman of the Committee.

The Committee will function for a term of one year with effect from 22nd March, 1979.

Now, Item No.2.

শ্ৰীযোগেন গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা কালি কৃষি মজুৰীৰ ওপৰত কৈ আহিছিলো, শেষ নোহোৱাত আজি আকৌ কবলৈ লৈছো। আমি দেখিছো ৩২ বছৰ পাচতো কৃষিৰ উন্নতি যেনে ধৰণে হব লাগিছিল, তেনেধৰণে হোৱা নাই। আন আন দেশত স্বাধীনতা লাভ কৰা

পাচত অতি কম সময়ৰ ভিতৰতে খাদ্য সামগ্ৰী অধিক ভাবে লাভ কৰাৰ উপৰিও বিদেশলৈ ৰপ্তানি কৰে। কিন্তু আমাৰ দেশত এতিয়াও আনৰ ওচৰত হাত পাতি থাকিব লগীয়া হৈছে। আজিও আমাৰ কৃষি ব্যৱস্থা চাৰি আলিৰ দোমোজাত পৰি আছে। নতুন কোনো পদ্ধতি লব পৰা নাই। যদি আমাৰ অসমত কৃষিৰ ওপৰত গুৰুত্ব দিয়ে তেনেহলে বিশেষকৈ এই তিনিটা বিভাগ, কৃষি বিভাগ, জলসিঞ্চন আৰু এগ্ৰোইন্দাষ্টিৰ সমন্বয় কৰক। যদি এই তিনিটা বিভাগৰ সমন্বয় নাথাকে তেনেহলে কৃষিৰ কেতিয়াও উন্নতি হব নোৱাৰে। কাৰণ শিবসাগৰৰ পৰা যোৰহাটলৈ এজন মানুহে ১০ কিলো মনোহৰ শালি ধানৰ সঁচ লৈ ৩০ টকা যদি খৰচ কৰি আহিব লগা হয় তেনেহলে খেতিৰ কেনেকৈ উন্নতি হব। আমি দেখিছো এই যে দুটা বিভাগ পানী যোগান আৰু সচঁ আদি দিয়া বিভাগ যদি একেলগে নাথাকে তেতিয়া হলে এনেকুৱা অৱস্থা হয়, এঠাইত চাউল, এঠাইত খৰি, এঠাইত পানী আৰু জুই লৈটো অকৰা মানুহ এজনেও ভাত নাৰান্ধে। এঠাইত সচঁ, এঠাইত সাৰ, পানী থাকিলে সচঁ নাই, সচঁ থাকিলে সাৰ নাই, এইদৰে বিপদগ্ৰস্ত অবস্থাত কোনো মতে কৃষিৰ উন্নতি হব নোৱাৰে। গতিকে এই বিলাকত মন দিয়াৰ প্ৰয়োজন হৈছে। আমি দেখিছো সময়মতে উন্নত সচঁ আৰু সাৰ আদি যেনেকৈ দিব লাগিছিল তেনেকৈ দিয়া হোৱা নাই। সেই কাৰণে বিপদগ্ৰস্ত হৈছে। মই জনাত আমাৰ অসমত কৃষিৰ উন্নতি কৰিব পাৰি কিন্তু, এইযে কিছুমান শ্ৰেণীৰ মানুহ আছে তেওঁলোকক আমি কামত খটুৱাব পৰা নাই। আমাৰ অসমত কৃষি শ্ৰমিক আছে -৪'০৫ লাখ, মাটিহীন লোক ৬'৫১ লাখ, নিৰক্ষৰ লোক ১,০৫'৩ লাখ আৰু দাৰিদ্ৰ সীমা ৰেখাৰ তলৰ মানুহ ১,০৭ লাখ। এইলোক সকলক আমি কোনো কামত খটুৱাব পৰা নাই। তেওঁলোকৰ শ্ৰম শক্তিৰ অপচয় হৈছে। তেওঁলোকৰ শ্ৰম শক্তি আমাৰ কৃষিত খটুৱাৰ পাৰিলে আমাৰ বহুত খিনি লাভ হ'লহেতেন। এনেবোৰ কথা আমাৰ চৰকাৰে গুৰুত্ব সহকাৰে লোৱা প্ৰয়োজন আছে। উদাহৰণ স্বৰূপে কবলৈ

বিছাৰিছো যে, কৃষিৰ উন্নতিৰ কাৰণে কৃষি বিভাগৰ অধীনত থকা এগ্রো-ইণ্ডাষ্ট্রিজ ডেভেলপমেণ্ট কোৰপোৰেচনে ২ কোটি টকা অথৰাইজদ্ কৰি দিছিল। ইয়াৰ উদ্দেশ্যে আছিল খেতিয়কক উন্নত সা-সজুলি দিয়া, পাম্পিং পাম্প দিয়া টেক্টৰ দিয়া, কীট পতঙ্গ নাশক ঔষধ দিয়া আদি সকলো ধৰণৰ যোগান দিয়া। কিন্তু এই কোৰপোৰেচনে তেওঁলোকৰ ভূমিকা গ্রহণ কৰিব পৰা নাই আৰু কোৱা শুনিছো, ১৯৭২-৭৩ চনৰ যি এনুৱেল একাউণ্ট প্রিপিয়াৰ কৰিব লাগিছিল কৰা নাই। আনহাতে শুনিবলৈ পাইছো যি জন তাত মুৰব্বী বিষয়া আছে সেইজন আই,এ,এচ আৰু তেওঁৰ বিৰুদ্ধে চি, বি, আইৰ এনকুৱেৰী আছিল। তেওঁহেনো আকৌ মেঘালয়ত চাকৰি পাইছে। এজনৰ বিৰুদ্ধে ক্রিমিনেল কেছ থাকিলে কাম পাব পাৰে জানো? এইবোৰ জানো কৃষি শিক্ষানৰ বিশৃঙ্খলতা নহয়? গতিকে এইবোৰ চৰকাৰে গুৰুত্ব সহকাৰে লোৱাৰ প্ৰয়োজন আছে বুলি মই বিশ্বাস কৰো।

(At this stage Hon'ble Mr. Speaker vaealed the chair and Mr. Deputy Speaker occupied it).

আমি দেখিছো পৃথিবীৰ অন্যান্য উন্নতিশীল দেশ বিলাকত নদীৰ গতি সলনি কৰি পানীৰ মাটি আৰু খেতিৰ মাটি উলিয়াই অধিক শস্য উৎপাদন কৰি অর্থনৈতিক দিশ সবল কৰি ৰাখিছে। জাৰ্ম্মাণ সমাজতান্ত্ৰিক দেশত (জি, ডি, আৰ) মই দেখিছো তাত সমবায় খেতিৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছে। খেতি পথাৰৰ মাজখণ্ডতে কেন্দ্ৰস্থান কৰি এটা ওখ ঠাইত খেতি কৰাৰ সকলো সামগ্ৰী তাত জমা কৰি ৰাখে। যান্ত্ৰিক সা-সজুলি টেক্টৰ, আকাশীযান, পাৰাৰপাম্প, সাৰ, কীট নাশক ঔষধ আদি তাতেই থাকে। সেই এটা কেন্দ্ৰৰ পৰাই পথাৰৰ চাৰিওফালে সাৰ যোগান দিয়ে আৰু খেতিৰ প্ৰয়োজনীয় সকলো বস্তু সময়মতে যোগান ধৰি থাকে। কিন্তু আমাৰ ক্ষেত্ৰত দেখিছো-সাৰ যোৰহাটত থাকিলে কীট নাশক ঔষধ

গুৱাহাটীত থাকে। সেইদৰে শিৱসাগৰত এটা বস্তু থাকে আৰু গুৱাহাটীত এটা বস্তু থাকে। প্ৰয়োজনৰ সময়ত গুৱাহাটীলৈ লৰ মাৰিব লগা হয়। এইদৰে গোটেই খেতিৰ ক্ষেত্ৰত এটা বিসঙ্গতিৰ সৃষ্টি হৈ আছে।

দ্বিতীয়তে সেই দেশত মই দেখিছো খেতি পথাৰৰ মাজত কৃষি কেন্দ্ৰ কৰাত পাহাৰৰ ওপৰতো সৰিয়হ ফুলি আছে। আমাৰ ইয়াত পাহাৰৰ ওপৰত সৰিয়হ ফুল দেখা দূৰৰ কথা আনকি ভৈয়ামতো দেখিবলৈ নাই। আমাৰ দৰে কোনো খেতি নকৰাকৈ তাত মাটি পেলাই নথয়। এটুকুৰা কৃষিৰ মাটি নাই য'ত খেতি নাই। তাৰ লগে লগে মই দেখিবলৈ পাইছোঁ প্ৰত্যেক ঠাইতেই জলসিঞ্চনৰ ব্যৱস্থা কৰি দিয়া আছে।আনকি খেল পথাৰ বিলাককো বিভিন্ন ধৰণে সেউ-জীয়া কৰি ৰাখিবৰ কাৰণে জলসিঞ্চনৰ ব্যৱস্থা কৰি দিছে। লগে লগে তাত গোবৰ-জাবৰ আদিৰ পৰা সাৰ তৈয়াৰ কৰিব পৰা নানা ধৰণৰ উদ্যোগ স্থাপন হৈছে। আমাৰ দেশত-গোবৰ-জাবৰৰ পৰা সাৰ তৈয়াৰ কৰিবলৈ উদ্যোগ কৰি দিলে সেইবিলাকত ৫০।৬০জন শ্ৰমিক নিয়োগ কৰিব। কিন্তু সেইবিলাক দেশত এজনেই উদ্যোগ চলাব পৰাকৈ ব্যৱস্থা কৰি দিছে। এজন শ্ৰমিকেই যাতে গোটেই খেতিৰ ইণ্ডাষ্ট্ৰিটো চলাই থাকিব পাৰে তাৰ কাৰণে সেই দেশত নিজে নিজে ব্যৱস্থা লৈছে। নিজে নিজেই সৰু সৰু আকাশীযান তৈয়াৰ কৰিছে আৰু আকাশী যানেৰে ওপৰৰ পৰা খেতিৰ মাটিৰ ওপৰত বীজ সিচি দিছে, আকাশীযানেৰে সাৰ চটিয়াই দিছে আৰু আকাশী যানেৰেই কীট-পতঙ্গ নাশক ঔষধ চটিয়ায়। তাৰোপৰি ঘাহঁ ৰাখিবৰ বাবেও বহল পথাৰৰ সৃষ্টি কৰে—তাৰ ঘাহঁবোৰ প্ৰায় ৫ফুট ৬ফুট ওখ হৈ থাকে। তাত গৰু উদং কৰি বহল পথাৰত মেলি দিয়ে। গধুলি হলে কেৱল আনিবলৈহে যায়। এইদৰে আধুনীকি ধৰণৰ আৰু সমবায় ভিত্তিত সকলো ব্যৱস্থা কৰা আছে। আমাৰ দেশত কিন্তু তেনে দৃষ্টি ভঙ্গী হোৱা নাই। লগতে উদাহৰণ স্বৰূপে মই কব বিচা-ৰিছো যে—আমাৰ দেশৰ কৃষিৰ ৰাজস্বত ভাক্স নাঙ্গলে যথেষ্ট সুনাম অৰ্জ্জন কৰিছে। ঠিক তেনে দৰে আমাৰ ৰাজ্য থনত ভাক্স নাঙ্গলৰ নিচিনা অন্য

প্ৰথাৰে জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ কিয় চৰকাৰ আগবাঢ়িব নোখোজে-সেইটো লক্ষ্য কৰিব লগীয়া কথা। মই ভাক্ৰা নাঙ্গল প্ৰজেক্ট দেখিছো আৰু চাইছো। তেনেকৈ অন্ধ্ৰ প্ৰদেশতো কৃষ্ণা নদীৰ ওপৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। গোটেই কৃষ্ণা জিলাখনত জলসিঞ্চনৰ ব্যৱস্থা কৰি পানী যোগান ধৰি আছে। সেইদৰে গুনটোৰ (Guntur) এটা জলসিঞ্চন ব্যৱস্থা কৰিছে। যি পাঞ্জাৰত পানী নাই, মৰু ভূমি সেই পাঞ্জাৰত এতয়া পানী উভৈ-নদী। ভাক্ৰা নাঙ্গলৰ ক্ষেত্ৰত আমি দেখিছো ৬৫ লাখ একৰ মাটিত পানী যোগান ধৰিব পাৰে। লগে লগে এই ৫০০০ হেজাৰ কিলোমিটাৰ দীঘল নদীখনে পাঞ্জাৰ, হাৰিয়ানা আৰু ৰাজস্থান এই তিনিখন প্ৰদেশত তিনি তৰপীয়া খেতিৰ সুযোগ আনি দিছে। তাত সৃষ্টি হোৱা বিজুলী শক্তিয়ে উত্তৰ ভাৰতৰ চাহিদা পূৰণ কৰি আছে। কৃষি উদ্যোগৰ এটা বৈপ্লৱিক পৰিবৰ্ত্তন আনি দিছে আৰু লগে লগে তাত নানা ধৰণৰ কুটীৰ শিল্প গঢ়ি উঠিছে। তাত থকা জনসাধাৰণৰ কাৰণে ৫০০ বছৰলৈ জীৱনৰ নিশ্চয়তা আনিলে— ৫০০ বছৰলৈ এটা নিশ্চয়তা পাইছে। লগে লগে কৃষি বিপ্লৱৰ বৈপ্লৱিক সূচনা হল। কিন্তু আমাৰ ক্ষেত্ৰত কি হল ? জলসিঞ্চনৰ নামেই নাই। ইয়াৰ অৰ্থ হল ব্ৰহ্মপুত্ৰক আমি পাইছো -সেইটোৱে আমাৰ কাৰণে আপদ। কিন্তু ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি আমি বহুতো জলসিঞ্চন ব্যৱস্থা কৰিব পাৰো। আজি আমি ব্ৰহ্মপুত্ৰৰ পানী ব্যৱহাৰ কৰিব নজনাৰ কাৰণে ব্ৰহ্মপুত্ৰ আমাৰ কাৰণে আপদ হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ জলৰাশি ব্যৱহাৰ কৰিব জনাহলে ই সু-সম্পদ হব আৰু দেশৰ প্ৰাকৃতিক সম্পদ হৈ পৰিব। কিন্তু এই জলৰাশি ব্যৱহাৰ কৰিব নজনাৰ কাৰণে এতিয়া দেশৰ কাৰণেই আপদ হৈ পৰিছে। প্ৰকৃততে ইয়াৰ পৰা সুফল পোৱাৰ ব্যৱস্থা কৰিলেহে আৰ্থিক দিশত উন্নতি লাভ কৰিব। বৰ্ত্তমান বিজ্ঞানৰ যুগত এই জল সম্পদ বা জল শক্তিৰ অপচয় হৈছে। গতিকে আমি আশা ৰাখিছো ব্ৰহ্মপুত্ৰৰ জলৰাশি ব্যৱহাৰ কৰিবলৈ চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিব।

আমি আধুনিকীকৰণ মেকানাইজড্ কালটিভেচনৰ ব্যৱস্থা কৰিব নোৱাৰিলে কৃষি ভিত্তিক কৃষিৰ বুনিয়াদ ৰচনা কৰিব নোৱাৰো। কৃষি বিপ্লৱৰ যোগেদি এখন দেশৰ কৃষি বুনিয়াদ ৰচনা কৰিব নোৱাৰিলে অৰ্থনৈতিক বুনিয়াদ ৰচনা কৰিব পৰা নাযায়। তেনে কৰিব নোৱাৰিলে দেশ অন্ধকাৰত পৰিণত হব। গতিকে উন্নতিশীল দেশৰ লগত সম্বন্ধ ৰাখি নতুন দৃষ্টি ভঙ্গী লোৱাৰ বৱস্থা কৰিব লাগিব— লগে লগে কৃষিৰ আধুনিকীকৰণৰ ওপৰত বেছি গুৰুত্ব দিব লাগিব। আমি আশা ৰাখিছো আৰু নতুন প্ৰাণেৰে নতুন চৰকাৰে কৃষি আচঁনি কাৰ্য্যকৰী কৰিবলৈ দৃষ্টি গোচৰ কৰি মোৰ বক্তব্য সামৰিলোঁ।

Mr. Deputy Speaker:— Now Shri kaliram Dekaraja.

*শ্ৰীকালিৰাম ডেকাৰজা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই এই কৃষি শিতানৰ ৬১ নং কৰ্ত্তন-প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰ কথা কব বিচাৰিছো। মোৰ আগৰ বক্তাই কৃষি সম্পৰ্কে বহুতো কথাই আলোচনা কৰি গৈছে। এই বিষয়ত মযো তিনিটামান কথা উত্থাপন কৰিবলৈ বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশখন কৃষি প্ৰধান দেশ-এই কথা কোনেও অস্বীকাৰ নকৰে। কিন্তু আমাৰ দেশৰ শতকৰা ৮০ ভাগ মানুহে খেতি কৰে- আৰু আমেৰিকাত শতকৰা ৮ জনেইহে খেতি কৰে। কেৱল ৮ জন মানুহে খেতি কৰাকৈ গোটেই দেশৰ মানুহে খায় আৰু বাহিৰৰ মানুহেও খায়- কিন্তু আমি শতকৰা ৮০ জন মানুহে খেতি কৰিও খাবলৈ নাপায় বাহিৰৰ পৰা আনিব লগা হয়। ইয়াৰ কাৰণ হল আমি যিমান

* Speech not corrected

ডাঙৰ ডাঙৰ কথা নকওঁ বা কথাৰ ফুলজাৰি আমাৰো লাগে আমি সকলোৰেই বাৰীত কাম কৰি অহা মানুহ। আমি প্ৰত্যেকেই কৃষকৰ সন্তান হৈ কৃষিত যি উন্নতি সাধন কৰিব লাগিছিল -সেইটো কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ অসম চৰকাৰৰ এটা কৃষি বিভাগ আছে। এই কৃষি বিভাগে আমাৰ কৃষি আৰু কৃষকৰ উন্নতিৰ কাৰণে বহুতো কথাই চিন্তা কৰিছে আৰু নানা গবেষণা কৰিছে আৰু কৃষকৰ মনত উৎসাহ দিবলৈও যথেষ্ট যত্ন কৰিছে। কিন্তু দুৰ্ভাগ্যবশত আমাৰ কোনো উন্নতি হোৱা নাই। আমাৰ আগৰ চৰকাৰ গল -তাৰ ঠাইত যেনেগ চৰকাৰ আহিল। আজি এক বছৰে দেখিলো -এবছৰ ধৰি একে অৱস্থাই হৈ আছে। যিমানেই মন নকৰক -যেতিয়ালৈকে আমি আমাৰ নিজৰ মন পৰিস্কাৰ কৰিব নোৱাৰো বা কলোষিত কৰি ৰাখো -তেতিয়ালৈকে আমি উন্নতি সাধন কৰিব নোৱাৰো।

আমাৰ কৃষি মন্ত্ৰী বদলি হৈ থাকিব। আগৰ কৃষিমন্ত্ৰীয়ে হাল বাইছিল আৰু আজিৰ কৃষিমন্ত্ৰীয়েও হাল বায়। আগৰ জন গামোচা লোৱা নাছিল আৰু আজিৰ জনে গামোচা লয়। উপাধ্যক্ষ মহোদয়, মই কৈছো বৰ্ত্তমান দেশখন হল গামোচাৰ দেশ -এতিয়া দেশত গামোচাৰ যুগ চলিছে। জনতা চৰকাৰ মানে মই কওঁ গামোচা চৰকাৰ। জনসাধৰণক ফুলাম গামোচা দি গামোচাৰ আশীৰ্ব্বাদ লৈ এই চৰকাৰ আহিছে।

অধ্যক্ষ মহোদয়, যেতিয়া আমি নতুন চৰকাৰ গঠন কৰিছিলো তাৰ অলপ দিনৰ পিচতেই বানপানী আহিল, আমাৰ মন্ত্ৰী সকল বিভিন্ন

* Speech not corrected

ঠাইলৈ গ'ল। আমাৰ কৃষি বিষয়া, কৃষি মন্ত্ৰী মহোদয়, আৰু কৃষি বিভাগৰ সকলো মূৰব্বীয়েই যেনে ডাইৰেক্টৰ পৰা আৰম্ভ কৰি গ্ৰাম সেৱকলৈকে গাঁৱে গাঁৱে গৈ বানপানীৰ বিৰুদ্ধে সংগ্ৰাম কৰি মানুহক কেনেকৈ ৰক্ষা কৰিব পৰা যায় কেনেকৈ মানুহৰ উন্নতি কৰিব পৰা যায় কেনেকৈ কৃষিৰ উন্নতি সাধন কৰিব পৰা যায় তাৰ বাবে আমাৰ চৰকাৰে এটা অভিজান চলাইছিল। কিন্তু আমি ভাবিছিলো যে, আমাৰ কৃষিৰ উন্নতি হব আৰু তাৰ ফলস্বৰূপে আমাৰ দেশৰ গৰীব জনসাধাৰণে দুবেলা দুমুঠি ভালকৈ খাবলৈ পাব। কিন্তু আজি একো নহল। বানপানী হ'ল, চৰকাৰে আঁচনি কৰিলে, গাঁৱে গাঁৱে ভ্ৰমন কৰিলে বিভাগীয় মন্ত্ৰী, ডাইৰেক্টৰ আদি গৈ ভ্ৰমন কৰিলে আনকি গ্ৰাম সেৱক, বি দি অ, আদিও গ'ল এইদৰে এই কৃষি বিভাগটোৱে অসমৰ কৃষিৰ উন্নতি সাধন কৰিবলৈ নানা ৰকমৰ চেষ্টা আৰু অভিজান চলালে কিন্তু আজিলৈকে তাৰ পৰা কাৰো একো নহল। অসমৰ কৃষি ব্যৱস্থাৰ কোনো ৰকমৰ উন্নতি নহল। নানা ৰকমৰ মিটিং কৰে যেতিয়া ডাইৰেক্টৰ, মন্ত্ৰী আদি যায় আৰু নানা ৰকমৰ আলোচনা হয় ভাল সাৰৰ যোগান ধৰিব, কঠিয়াৰ যোগান ধৰিব খেতি কেনেকৈ উন্নত প্ৰণালীৰে কৰিব পাৰি সেই বিষয়ে নানা ধৰণৰ উদাহৰণ দি বুজাই দিব আৰু তেখেতসকলে কয় যে, আমাৰ ৰাজ্যত এনেধৰণে খেতি কৰিম যে, কোনো ৰকমৰ বানপানীয়েও নষ্ট কৰিব নোৱাৰে। তাৰ পিচত যেতিয়া বানপানী শেষ হৈ গ'ল তাৰ পিচত পানী শুকাই গ'ল কঠিয়া মৰিল খেতি নষ্ট হ'ল এইদৰে পথাৰ শুকাই গ'ল। আজি যি বৰো খেতি কৰা হৈছে সিও শুকাই গৈছে। আজি আমাৰ চৰকাৰ আছে, আমাৰ এটা শক্তিশালী বিভাগ আছে তথাপিও আমাৰ ৰাজ্যত কৃষিৰ উন্নতি সাধন কৰিব পৰা নাই। আজি যদি আমি চাওঁ তেনেহলে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কৃষক দেখিবলৈ পাওঁ। অথচ আজি সেই কৃষক সকলৰ মাটি নাই খেতি

কৰিবলৈ, আজি সেইজনেই কৃষক, যিজনৰ দুবেলা দুমুঠি খাবলৈ নাই, সেইজনেই আজি কৃষক যিজনৰ আজি হাল বাবলৈ হাল নাই, সেই-জনেই আজি কৃষক যাৰ আজি কৃষিৰ সা-সজুলিয়েই নাই এয়াই হৈছে অসমৰ কৃষকৰ নমুনা। এইখিনিতেই মোৰ এটা কথালৈ মনত পৰিছে শহা আৰু কাছৰ গল্পলৈ। আজি আমাৰ চৰকাৰটো পৰিছে এটা হাতীৰ নিচিনা আৰু কৃষি বিভাগটো হৈছে কাছৰ দৰে। আজি আমাৰ জল-সিঞ্চন বিভাগ হৈছে আৰু ইয়াৰ বাবে ৭ লাখ টকা আঁচনিত ধৰা হৈছে। আজি কৃষি বিভাগে খেতিৰ কাম কৰি উচ্চস্বৰে ঘোষণা কৰিছে। আমাৰ যিটো ট্ৰেইনিং চেণ্টাৰ আছে। তাৰ পৰাও বিশেষ কাম হোৱা নাই। উপাধ্যক্ষ মহোদয়, এখন হাবিত এটা হাতী আছিল। সেই হাবিত হাতীয়েই অতি শক্তিশালী জন্তু আছিল। সেই হাবিতে এটা কাছও আছিল। এদিন কাছ আৰু হাতীৰ ভেটা ভেটি হ'ল। কাছই হাতীক ক'লে যে, আপোনাৰ গাত যিমানে শক্তি নাথাকক মই স্বীকাৰ নকৰো। মই আপোনাৰ ওপৰেদি পাৰ হৈ যাব পাৰো। তেতিয়া গজ-ৰাজে ক'লে, ঠিক আছে কালিলৈ এই শক্তিৰ পৰীক্ষা হব। পিচদিনা চালাক কাছই আৰু এটা কাছ আনি ৰাখিলে। যেতিয়া হাতী আহিল তেতিয়া কাছই হাতীৰ ওপৰেদি পাৰ হম বুলি ক'লে। হাতীয়ে ইফালে মুৰ ঘূৰাই দেখে যে, এটা কাছ আছে আৰু সিফালে মুৰ ঘূৰাই দেখে যে আনটো কাছ আছে। এইদৰে হাতীৰ মুৰ ঘূৰাই ঘূৰাই বিষাই গ'ল। তেতিয়া হাতীয়ে বাহাদুৰি কৰি ক'লে যে, মোৰ সমান কোনেও দৌৰিব নোৱাৰে। তেতিয়া কাছই ক'লে তেনেহলে ঠিক আছে কালিলৈ দৌৰৰ পৰীক্ষা চোৱা হব। পিচদিনাই চালাক কাছই আৰু কেইটামান কাছ যোগাৰ কৰি আনি ঠায়ে ঠায়ে থৈ দিলে। ধৰিলক হাতীৰ দৌৰ আমাৰ ৰাজধানীৰ পৰা চানমাৰীলৈ আৰম্ভ হ'ল। হাতী অলপ দূৰ গৈয়ে ভাবে যে হাতী আগবাঢ়িছে তেনেতে কাছই মাত

দিয়ে গজৰাজ আপুনি পাইছেহিনে? মই অলপ আগতে আহি বৈছোহি। এইদৰে হাতী দৌৰি গৈ ৩-৪ ঠাইত আগবাঢ়িছো বুলি ভাবে কিন্তু তেতিয়াই কাছই লৰালৰি কৰি মাত দিয়ে গজৰাজ আহিলনে, মই অলপ আগতে পাইছোহি। এইদৰে যাওতে যাওতে যেতিয়া চানমাৰী পালেগৈ তেতিয়া হাতীয়ে ভাবিছিল যে তেওঁ আগবাঢ়ি আছে। কিন্তু ভতালিকে এটা কাছই মাত লগালে গজৰাজ মই অলপ আগতেই আহি পাইছোহি।

(গল্পটো থাপ খোৱা নাই।)

এতিয়া আমাৰ কৃষি বিভাগে দৰ্প কৰি ৰাইজৰ মাজত ট্ৰেক্টৰ, কৃষিৰ সা-সজুলি আদি দিয়াৰ কথা কৈছে। কিন্তু আজি যদি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ চোৱা হয় তেনেহলে কৃষকক পুৰণিকলীয়া পদ্ধতিৰে খেতি কৰা দেখিবলৈ পাওঁ। আজি আওপুৰণি নাঙল বা খেতিৰ যি সাজ সজুলি আছিল সেই একে ধৰণেৰে আছে। আজি কৃষি নিগম, সাৰ নিগম আদি যিমানেই নাথাকক কামত অহা নাই আনহাতে বি, দি, অৰ অফিচত পৰি থকা বস্তু মামৰে ধৰিছে। কামত ব্যৱহাৰ কৰিব পৰা নাই। আনহাতে আমাৰ কৃষি বিভাগে আমাৰ হাতত যিবিলাক বস্তু দিছে সেইবিলাকো নিখুত নহয়। যিবিলাক কঠিয়া দিছিল সেইবিলাকো পুলি ওখ হোৱাৰ পিচতহে দিছে। ইয়াৰ উপৰি চৰকাৰৰ যিবিলাক কঠিয়া সেইবিলাকৰ দাম ৮ টকা আৰু গাওঁৰ বজাৰত থকা বিলাকৰ দাম ২-৩ টকা? গতিকে গাৰৰ ৰাইজে বজাৰতে প্ৰয়োজনীয় কঠিয়া কিনে। আজিকালি লোহাৰ নাঙল ওলাইছে সেইবিলাক আমাৰ খেতিয়কে ব্যৱহাৰ নকৰে। আমাৰ চিৰাচৰিত প্ৰথাৰেই আমাৰ খেতিয়কে কাম কৰি আছে। আমাৰ কৃষি বিভাগে যিবিলাক কুহিয়াৰৰ আগ দিছে সেইবিলাকো শুকান। যোৱা বছৰ মৰিগাওলৈ যিবিলাক কুহিয়াৰৰ আগ পঠাইছিল সেইবিলাকৰ আগবিলাক শুকান। পচালে নগজে।

তেনে ধৰণে মৰাপাট, আহুধান আদিবো সচ সিমান ঠিক নহয়।

উপাধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিব খুজিছো— আমাৰ কৃষি বিভাগে টকা দিলে কিছুমান খেতিয়কক গৰু কিনিবৰ কাৰণে কিন্তু দিয়া হ'ল পশুপালন বিভাগৰ যোগেদি। কৃষক জন আহিল ভেটেৰেনাৰী ডাক্তৰৰ ওচৰলৈ, ভেটেনাৰী ডাক্তৰে কলে বজাৰৰ পৰা এখন চাৰ্টিফিকেট আনিবলৈ। তাৰ পিচত খেতিয়কজন গ'ল বজাৰৰ পৰা চাৰ্টিফিকেট আনিবলৈ। বজাৰত চাৰ্টিফিকেটৰ কাৰণে ১০ টকা দি এখন চাৰ্টিফিকেট আনিলে আৰু যেনিবা গ'ল ভেটেনাৰী ডাক্তৰৰ ওচৰলৈ, তেওঁ ১০ টকা লৈ এখন চাৰ্টিফিকেট দিলে। গতিকে ইতিমধ্যে ১০ আৰু ১০ ২০ টকা খৰচ হলেই তাৰ পিচত আৰু ঘুৰা ফুৰা আছেই। সেই চাৰ্টি-ফিকেট লৈ আহিল কৃষি বিভাগৰ অফিছলৈ তাৰ পিচত সিদিনা হয়তো বৰবাবু অফিছতে নাই। বৰবাবু অফিছত থাকিলে সিদিনা কেছিয়াৰ নাথাকে আৰু গোটেই কেইজন থাকিলে তাৰ পিচত এচ দি ও নথকা হয়। এনেকৈ খেতিয়কজনে ঘূৰি ঘূৰি এমাহ পঠিওৱাৰ পাচত কৃষি বিভাগৰ সহায়েৰে সেই খেতিয়কজনৰ খেতি কৰিবলৈ ইচ্ছাই নোহোৱা হয়। এনে ধৰণৰ আৰু বহুতো কথাই কবলৈ আছিল কিন্তু মই আৰু বেছি সময় নষ্ট কৰিব খোজা নাই। আমাৰ চৰকাৰে যিবিলাক প্ৰতিজ্ঞা কৰিছে বা প্ৰতিশ্ৰুতি দিছে সেই বৰ ভাল ভাল কথা সেইমতে কাৰ্য্যকৰী হলে বৰ ভাল পাম। কৃষি উৎপাদনৰ শক্তি বঢ়োৱাৰ কাৰণে জনসং-যোগ বিভাগৰ যোগেদি কেনেধৰণৰ উপকাৰ কৰা হৈছে বৰ ধুনীয়া কথা কৈছে। সেইবিলাক কাৰ্য্যকৰী হলে বৰ ভালেই। আমি আশা কৰিছো সেইবিলাক কাৰ্য্যকৰী হব— আমাৰ কৃষি মন্ত্ৰী নিজে এজন খেতিয়ক মানুহ আৰু তেখেত আমাতকৈ বহুত চিনিয়ৰ, বেছিকৈ বুজে গতিকে তেখেতে এই নিৰ্য্যাতিত নিস্পেষিত খেতিয়ক সকলৰ উন্নতিৰ কাৰণে চিন্তা কৰিব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Duputy Speaker :— Now, Hon'ble Member Shri Dipak Bhattacharjee.

শ্রীদীপক ভট্টাচার্য্য :— মাননীয় উপাধ্যক্ষ মহোদয়, শ্রীবীরেন্দ্র চৌধুরী কর্তৃক উৎথাপিত কাট্‌মোশন সমর্থন করে আমি বলতে চাই যে আসামের জনতা চৰকার বাজেটকে গাওমুখী করেছেন বলে বলেছেন এবং কৃষির উপর জোর দিয়েছেন। কৃষির অগ্রগতির জন্য ১৯৭৮-৭৯ সালে বাজেট ছিল ১৩ কোটি ২৪ লক্ষ ৩৭ হাজার টাকার ১৯৭৯-৮০ সালে টাকার পরিমান বৃদ্ধি করে ১৬, ৪৬, ৭০০ টাকা করেছেন। এইবার টাকা কিছুটা বেড়েছে। কিন্তু প্রশ্ন হলো প্রতি বছর কিছু টাকা বৃদ্ধি করলেই কৃষির আমূল পরিবর্ত্তন হয়ে যাবে এটা আমি মনে করি না। কিছু কিছু টাকা বৃদ্ধি করলেই যদি কৃষির উন্নতি হয়ে যেত তাহলে কংগ্রেস আমলে বহু টাকা বরাদ্দ করা সত্বেও কেন কৃষির তেমন উন্নতি হয়নি ? তার কারণ কি ?

উপাধ্যক্ষ মহোদয়, আমরা যদি গ্রামের দিকে মুখ ফেরাই তাহলে দেখবো মান্ধাতা আমলের প্রাক পুঁজিবাদী কৃষি ব্যরস্থার বিশেষ পরিবর্তন আসামে হয়নি এবং সম্পূর্ণ মজুর খাটিয়ে পুঁজিবাদী কায়দায় উন্নত চাষের ব্যবস্থা অর্থ্যাৎ কৃষিতে ধনতন্ত্র'র প্রভাব সামান্য কিছু বেড়েছে, উদ্বৃত ফসল নিয়ে মজুতদার, মুনাফাখোরী করার সুযোগ থাকায়, বেশী ফসলের জন্য গ্রাম্য ধনিরা উন্নত সেচ, সার, বীজ প্রভৃতির সীমাবদ্ধ সরকারী ব্যবস্থাকে কাজে লাগিয়ে এবং প্রত্যক্ষ তত্বাবধানে মজুর খাটিয়ে চাষের কিছু ব্যবস্থা করেছে। কিছু কিছু মাঝারি চাষি ও মধ্যবিত্তের মধ্যে এই ঝোক দেখা যাচ্ছে কিন্তু স্যার, এমন উন্নত চায খুবই সীমাবদ্ধ। জমিহীন ও কাজের থেকে বঞ্চিত অগনিত ক্ষেত মজুর ও গরীব চাষী থাকায় এবং তাদের নির্ম্মমভাবে শোষণ করে ফসল আত্মসাৎ করার

সুযোগ থাকায় মিরাসদার মহাজনেরা বেশী খরচ করে প্রত্যক্ষ চাষের বেশী ঝুকি নিতে যায় না। উপাধ্যক্ষ মহোদয়, আমাদের এই কৃষি ব্যবস্থার উন্নতি করতে হলে গরীব ও মাঝারী কৃষকদের উন্নত কায়দায় চায়ের সুযোগ দিতে হবে। কিন্তু মাঝারি ও গরীব চাষীদের পক্ষে উন্নত চাষের কোন সুযোগ নেই, ক্ষমতাও নেই। ওদের গরীবির সুযোগ নিয়ে তাদের-উপর সামন্ততান্ত্রিক শোষন কম মজুরী দিয়ে দাদনের জুলুম দিয়ে সামাজিক অত্যাচার করে তাদের কাছ থেকে সস্তায় শ্রম আদায় করে। ফলে গ্রামে দেখবেন উন্নত চাষ ও কৃষিতে ধনতন্ত্রের বিকাশ খুবই সীমাবদ্ধ। সামন্ততন্ত্রের শোষণের ভিত্তির উপর পুঁজিবাদী ব্যবস্থার প্রলেপ ও বাজারের চাপ গ্রাম্য অর্থনীতিকে বিষাদময় করে তুলেছে। গ্রামে দেখা যায়, খাজনাভোগী জমিদারের বদলে মিরাসদার মহাজন মজুতদারদের এক শক্তিশালী মিলিত চক্র গড়ে উঠেছে। এরাই হচ্ছে জমির বৃহত্ত মালিক, এরাই টাকার কুমির, এরাই মহাজনী দাদনের কারবারে ও মজুতদারীতে নিযুক্ত। এরাই কৃষকএর ফসল সস্তায় আত্মসাৎ করে। গ্রাম্য জীবনের সব কিছুতে এদের প্রাধান্যই বেশী, এরাই হচ্ছে কৃষি ব্যবস্থার ও কৃষকের প্রধান শত্রু। এদের শোষণ থেকে কৃষি ব্যবস্থাকে ও কৃষকদের মুক্তি দিতে না পারলে কৃষিকে সংকট থেকে বাচাঁনো যাবে না। লক্ষ লক্ষ কৃষককে দুঃস্থতার গহ্বর থেকে টেনেতুলে তাদের সৃজনী শক্তিকে বাধামুক্ত করা যাবে না।

During the year 1978-79 there was a fall in the production of rice by 1. 44 thousand tans in comparision with the year 1977-78. This was mainly due to draught condition during the peak transplanting season and pests in various parts of the state.

সুতরাং সরকারের ও যে গাফিলতি রয়েছে তা এখানে উল্লেখ নেই।

প্রকৃতির উপর নির্ভর করে কৃষি কাজ আমাদের রাজ্যে হওয়ার জন্য প্রতি- বৎসর ফসল উৎপাদন ইনক্রিস হওয়ার বদলে ডিক্রিসই হচ্ছে। হিসাব করলে বোঝা যাবে যে ১৯৭২-৭৩ ইংতে চাউল হয়েছিল ১০৬০ কুই- ণ্টল পার হেক্টর। আর ১৯৭৬-৭৭ ইংতে কমে হয়েছে ৯৪৮ কেঃজিঃ পার হেক্টর। ঠিক তেমনি গম বা সরষের দিকেও যদি আমরা তাকাই তাহলে দেখব এইসব ফসলেরও উৎপাদন কমে যাচ্ছে। এই উৎপাদন কমার কারন কি ? সরকার বলেছেন প্রাকৃতিক দুর্যোগের জন্যই উৎপা- দন কম হচ্ছে। আমারা সে কথা মানতে রাজী নই।

উপাধ্যক্ষ মহোদয়, আমি এই কথা পরিস্কার বলতে চাই যে আজকে আসামের কৃষির উন্নতি করতে গেলে বা কৃষি ব্যবস্থার পরি- বর্ত্তন ঘটাতে কৃষক ও জমির মধ্যে যে সম্পর্ক রয়েছে সেই ভূমি নীতির পরিবর্ত্তন ঘটাতে না পারলে কৃষি ব্যবস্থার পরিবর্তন হবে না। আজকে আসামে যে ১৫ লক্ষ আধিয়ার আছে তাদেরে পাট্টা দেওয়া হয় নি। অন্য দিকে আসামে যে চর অঞ্চল আছে সেই চর এলাকায় আসামের শব্জী ফসলের ওয়ান ফোর্থ বা ওয়ান ফিফথ ফসল ফলায়। কিন্তু এই সব আঞ্চলে যে সব কৃষক আছে তাদেরকে পাট্টা না দেও- য়ার ফলে তারা কোন সরকারী সাহায্য পায় না। সুতরাং এইজন্য উৎপাদনের বিশেষ ক্ষতি হচ্ছে বলে আমি মনে করি। আমাদের আসা- মের কৃষি ব্যবস্থাটা মূলতঃ প্রকৃতির উপর নির্ভরশীল। যার ফলে বৃষ্টি যদি বেশী হয় তবে বন্যা হয় এবং সমস্ত ফসল ভাসিয়ে নিয়ে যায় এবং বৃষ্টি যদি কম হয় বা না হয় তাহলে খরার প্রকোপে সমস্ত ফসল পুড়ে ছাই হয়ে যায়। অন্তত: রাজ্যের ব্যাপারে গত ৩০ বছরে কংগ্রেস সর- কার বৈজ্ঞানিক কায়দায় কৃষি ব্যবস্থা চালু করার দায়িত্ব ছিল কিন্তু এ ব্যাপারে তারা সম্পূর্ণভাবে ব্যর্থ হয়েছে। আসামের যদি হিসাব নেওয়া

যায় তাহলে দেখা যায় ১৯৭০ সালে ২'২২ লক্ষ টন শস্যের ক্ষতি হয়ছে এবং খেতি জমির শতকরা প্রায় ৮ ভাগ জমির ক্ষতি হয়ছে। ৪ লক্ষ হেক্টর জমিতে বন্যার বিপদ এর ঝুকি নিয়ে ক্ষেত করতে হয়। সুতরাং এই যে অবস্থা তার যদি পরিবর্তন করা না হয় তাহলে কৃষির উন্নতি ঘটানো যাবে না।

এই পরিবর্ত্তন ঘটাতে জনতা সরকার কতটুকু এগিয়ে আসতে পারবেন এবং এই কৃষি ও ভূমি ব্যবস্থার পরিবর্তন ঘটাতে জনতা সরকারের কতটুকু হিম্মত আছে তার জবাব মন্ত্রী মহোদয় নিশ্চয়ই দিবেন। কিন্তু বর্তমান সেট্ আপ এ থেকেও যে কিছু পরিবর্তন করা যায় সেটা ভারতবর্ষের অন্যান্য রাজ্যে আমরা দেখেছি আসামের পার্শ্ববর্তী রাজ্য ত্রিপুরা এবং পশ্চিমবঙ্গে আমরা দেখেছি সেখানে কিছু কিছু পরিবর্তন ঘটাতে পেরেছে। আসামে যে ধন সম্পদ আছে সেই ধন সম্পদের সম বণ্টন হয় না। আজকে যদি কেন্দ্রীয় সরকারের দিকে আমরা তাকাই তাহলে দেখবো তাদেরও কোন সম বণ্টন নীতি নেই। অবশ্য অর্থনৈতিক ভিত্তিই যেখানে বৈসম্যের উপর দাড়িয়ে আছে সেখানে সম বণ্টনের নীতি আশা করা মুশকিল। আসামে দেখা যায় কংগ্রেস রাজত্বে কোন সময়ই কোন কিছুর সম বণ্টন হয়নি। আজকে জনতা রাজত্বেও আমরা দেখছি যে কংগ্রেসী নীতির বিশেষ পরিবর্তন আজ পর্য্যন্ত হয়নি। আজকে গ্রামে যে শতকরা ৭০ ভাগ কৃষক রয়েছে তারা সবাই গরীব কৃষক। তাদের হাতে কোন টাকা নেই, পয়সা নেই। চাষের হালের জন্য তাদেরকে গরু মহিষের উপরনির্ভর করতে হয়। এই ক্ষেত্রে সরকার ব্যাপক কেটেল লোন বণ্টনের মাধ্যমে প্রকৃত গরীব কৃষকদের কৃষি উৎপাদন বৃদ্ধি করতে সাহায্য করার ব্যাপারে ভূমিকা সুবিধাজনক নয়। গরীব মহকুমা গুলিতে যেখানে বেশী টাকা দেওয়া উচিত ছিলো সেখানে বরং

সবচেয়ে কম টাকা দেওয়া হয়েছে। সরকার থেকে হালের গরু, সার বা বীজ কেনার জন্য যে টাকা দেওয়া হয় তা (লোন বাবদ) তা সারা আসামে ঠিক মত বণ্টন করা হয় না। ক্যাটল লোন যা দেওয়ার ব্যবস্থা আছে তাও গ্রামের প্রকৃত গরীব কৃষকরা ঠিকমত পায় না।

মহোদয়, টেষ্ট রিলিফের ক্ষেত্রে দেখা যায় কোন কোন যায়গায় লক্ষ লক্ষ টাকা পেয়েছে এবং কোথাও কোথাও খুব কম টাকা পেয়েছে। আমাদের হাইলাকান্দিতে মাত্র ৪০।৪৫ হাজার দেওয়া হয়েছে। সম বণ্টন ব্যবস্থা যদি সব যায়গায় সমান না হয়, তাহলে আসামের সামগ্রীক উন্নতি হবে না। সুতরাং আমরা চাই— জনতা সরকার আজ সম বণ্টন নীতি গ্রহন করুণ এবং সমস্ত এলাকাকে যেন সমান চোখে দেখবার চেষ্টা করেন। আজকে আমাদের কৃষি ব্যবস্থার উন্নতির জন্য ইরিগেশন ডিপার্ট-মেণ্ট, ফ্লাড্ কণ্ট্রোল ডিপার্টমেণ্টের কৃষি বিভাগের সঙ্গে যে কো-অর্ডি-নেশনের দরকার তা নেই। বিভিন্ন ডিপার্টমেণ্টের মধ্যে যদি কো-অর্ডি-নেশন না থাকে তাহলে কি করে কৃষির উন্নতি সম্ভব আমরা জানি না।

কো-অর্ডিনেশন না থাকলে কি করে কাজ হয়। ধরুন আজ বন্যা আসামের একটা বিরাট সমস্যা। আমরা বুঝি যে এক বৎসরে বা দুই বৎসরে আসাম সরকার ব্রহ্মপুত্র নদ বা আসামের অন্যান্য বড় বড় নদী নিয়ন্ত্রণ করতে পারবে না, কিন্তু সরকারের দৃষ্টিভঙ্গী যদি এই ভাবে হয় (যেমন আমাদের ফ্লাড কণ্টোল মন্ত্রী মহোদয় আসামের বিভিন্ন যায়গা ঘুরেছেন, তাঁর দৃষ্টিভঙ্গী যদি এই ভাবে হয়) যে, যেখানে কিছু টাকা খরচ করলে একটা বিরাট এলাকার ফসল রক্ষা পেতে পারে— সেই বিশেষ প্রয়োজনে সেই কাজের অগ্রাধিকার দেওয়া দরকার। তাহলে কৃষির উন্নতি হতে পারে। এ সম্পর্কে আমি হাইলাকান্দির কথা বলতে চাই যে এই অঞ্চলকে আমরা কৃষি ক্ষেত্রে "কাছাড়ের শষ্য ভাণ্ডার"

বলতে পারি। আর সেখানে যে অঞ্চলে সবচেয়ে ভাল ক্ষত হয়— সেই রতনপুর অঞ্চলে তদানীন্তন কংগ্রেস সরকার ই এণ্ড ডি বিভাগকে লুঠ করতে গিয়ে সেখানকার স্লুইস্ গেট নিয়ে এক কেলেংকারী করেছেন। সেই স্লুইস গেটটি সম্পূর্ণ হতে না হতেই ভেঙ্গে গিয়েছে। আর আজ ১০।১২ বৎসর হলো তা মেরামত করা হয়নি। তাছাড়া সামান্য একটা বেড়াখাল নামে একটা ছোট খালকে তারা ১০।১২ বৎসরেও নিয়ন্ত্রণ করতে পারেনি। কিছুদিন আগে যখন আমাদের ফ্লাড কণ্ট্রোল মন্ত্রী মহোদয় সেখানে গিয়েছিলেন তখন তাঁকে আমরা বলেছিলাম যে খুব বেশী টাকার প্রয়োজন নেই, অল্প টাকা খরচ করলেই এই বেড়াখাল-টিকে নিয়ন্ত্রণ করা যাবে এবং ফলে সেই অঞ্চলে ফসল ভাল হবে, লোকেও বাঁচবে। কারণ বর্তমানে সেই অঞ্চলে এমন অবস্থা চলছে যে, যারা বেশী জমির মালিক তারাও আজ সর্বস্বান্ত হতে চলেছে— আর গরীব চাষীদের অবস্থাতো অত্যন্ত শোচনীয় হয়ে পড়েছে। সেই-জন্যই আমি বলতে চাই যে কৃষির উন্নতি করতে গেলে সঙ্গে সঙ্গে বন্যা নিয়ন্ত্রণ এবং ইরিগেশন ডিপার্টমেন্টের মধ্যে একটা কো-অর্ডিনেশন থাকতে হবে যার মাধ্যমে আমরা কৃষির উন্নতি করতে পারি।

মহোদয়, অন্যদিকে আমরা দেখতে পাই যে ১৯৭৬-৭৭ ইংরা-জীতে এই খাতে খরচ হয়েছিল ২ লক্ষ ৬০ হাজার টাকা যার ফলে সেই সময় দুইগুণ আড়াইগুণ ফসল বেশী উৎপন্ন হয়েছিল। কিন্তু সেই তুলনায় ফার্টিলাইজারের ব্যবহারের ক্ষেত্রে যদি আমরা লক্ষ্য করি তাহলে দেখবো ১৯৭৬-৭৭ ইংরাজীতে তা ব্যবহার করা হয়েছিল ৭৩৫১ টন আর ১৯৭৭-৭৮ ইংরাজীতে ফার্টিলাইজার ব্যবহার করা হয়েছিল ৬১৭৬ টন। কেন এই কয়েক বৎসর পর সারের ব্যবহার কম হলো? একথা যদি বলেন যে আমাদের কৃষক সার ব্যবহারে উৎসাহী নয়— আমি সে কথা মানতে রাজী নই। কারণ, আমি জানি যে তারা সার ব্যবহার করতে

চায় — কিন্তু তারা পয়সার অভাবে সার কিনতে পারে না, সার প্রয়োগ করতে পারে না। সুতরাং এইক্ষেত্রে সরকার যদি সাবসিডি দিয়ে তাদেরে সার দেন— তাহলে বুঝবেন যে এই কৃষকরা সার ব্যবহার করতে চায় কি না। অন্ততঃ পরীক্ষা মূলকভাবে ব্যপারটা আপনারা দেখতে পারেন। আমি নিশ্চিন্ত বলতে পারি যে এখন যে পরিমান সার চলছে তার চেয়ে অনেক বেশী সার চলবে। সুতরাং আমি আশা করবো যাতে সরকার এই দিকে নজর দেন।

মাননীয় উপাধ্যক্ষ মহোদয়, আজ এই কৃষি বিভাগের উন্নতির জন্য আমাদের মন্ত্রী মহোদয়ের যতই সদিচ্ছা থাকুক না কেন— সরকারী যন্ত্রটিকে যদি আপনারা সচল করতে না পারেন তাহলে এই ব্যাপারে খুব বেশী এগোতে পারবেন না। উদাহরণ স্বরূপে আমি বলতে চাই যে কাছাড় জেলায় যখন পোকার আক্রমণে শষ্যক্ষেত নষ্ট হয়েছিল তখন যারা গ্রামসেবক ছিল তাদের কিছু সংখ্যকের দায়িত্বের ভূমিকা ভাল ছিল না। পরবর্তী সময়ে যখন এ নিয়ে কৃষক সভার নেতৃত্বে কৃষকরা আন্দোলন করলো— তখন সরকারের টনক নড়লো। এর আগে পর্য্যন্ত সরকারের কোনও খবর নাই। সুতরাং, এই সারের ব্যাপারেও আমি বলতে চাই যে এই সার সময় মতো কৃষকের হাতে গেল কি না— সেটা কি সরকারের দেখার দায়িত্ব নয়? সরকার যদি আগের থেকে সারের ব্যবস্থা করে রাখতেন তাহলে এ ভাবে ফসল নষ্ট হতো না। এর জন্য নীচের তলা থেকে উপরের তলা পর্যন্ত— সমস্ত প্রশাসন যন্ত্রকে সচল করতে হবে যাতে সরকার রাজ্যের কৃষির সমস্ত খবর সময় মতো পান এবং যাতে আগের থেকেই সমস্ত ব্যবস্থা নিতে পারেন। আমি পোকার আক্রমনের সম্পর্কে সেদিন সদনে বলেছিলাম, তার প্রতিরোধের জন্য ব্যবস্থা নিতে সরকারকে বার বার বলেছিলাম। মন্ত্রী

মহোদয় কথা দিয়েছিলেন ফসল রক্ষা করবেন কিন্তু এবারও দেখলাম কাছাড় জেলায় শক্তী নষ্ট হয়েছে বুরো ফসলেরও মারাত্মক ক্ষতি হয়ছে। কিন্তু এগুলোকে রক্ষা করার জন্য সরকার সক্ষম হয় নি। সুতরাং আপনারা এই বাজেটে যতই টাকা বৃদ্ধি করেন না কেন এই ধরনের গ'ফিলতি যদি দূর করতে না পারেন— তাহলে বিশেষ পরিবর্তন করতে পারবেন না। কাজেই আমি আমার বক্তব্য শেষ করে শুধু এই কথাই বলতে চাই যে যেহেতু আসাম একটা কৃষি প্রধান রাজ্য— সেই দিক থেকে সম্পূর্ণ গুরুত্ব দিয়ে এতদিন যে অবস্থা চলছিল— তার একটা পরিবর্তন ঘটানোর জন্য আপনারা যেন সচেষ্ট হন। এই বলে আমি এই কর্তন প্রস্তাবটিকে সমর্থন করে আমার বক্তব্য শেষ করছি।

* **শ্ৰীএ, এন আক্ৰাম হুচেইন :—** উপাধ্যক্ষ মহোদয়, আমাৰ কৃষিৰ বাজেটত ১৬ কোটি ৯৮ লাখ, ৪৩ হেজাৰ ৭০০ টকা ধৰা হৈছে। এতিয়া এই টকা খিনি কেনেকৈ সদ্বব্যহাৰ হব সেই বিষয়ে আমি সন্দিহান আছোঁ। সন্দিহান এই কাৰণেই আছোঁ যে আমি খেতিৰ ক্ষেত্ৰত দেখিছোঁ যে প্ৰকৃত যি সকল খেতিয়ক সেই সকল আমাৰ এই আচঁনি বিলাকৰ পৰা উপকৃত হব পৰা নাই। নোহোৱাৰ ফলত আজি এই যি টকা বিলাক বাজেটত মঞ্জুৰ কৰিবলৈ ওলাইছে ইয়াৰ অধিকাংশ টকাই অৰ্দ্ধেক বুলি কলেও ভুল নহয়, এইবিলাকৰ সদ্বব্যহাৰ হৈছে বুলি আমাৰ মনে নধৰে। সৰিয়হ, মৰাপাট আৰু ধানৰ উৎপাদন অসমত ভাল নহয়, ইয়াৰ কাৰণ কি ? ইয়াৰ কাৰণ এইটোৱেই হল যে আমাৰ খেতিয়ক সকলৈ যি বীজৰ যোগান ধৰা হয় সেই বীজবিলাক অতি নিম্ন শ্ৰেণীৰ। এতেকে মৰাপাট যি মৰাপাটে বৈদেশীক মুদ্ৰা অৰ্জন কৰিব ধৰিছে সেই মৰাপাটৰ খতিৰ আজি দুখ লগা অৱস্থা, এই মৰাপাটৰ উৎপাদন এইদৰে কমি

* Speech not corrected

যোৱা বিষয়টোত আমি মনোযোগ দিব লগা হৈছে। ইয়াৰ লগতে সৰিয়হৰ কথা আহিছে, সৰিয়হৰ উত্পাদন আমাৰ ইয়াতে কম হৈছে। আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই হয়তো কব খৰাং বতৰ কাৰণে এইবিলাক নষ্ট হৈছে। কিন্তু মই অন্ততঃ এইটো কথাত পতিয়ন যাব নোৱাৰো। ইয়াৰ আচল কাৰণ হল অতি নিম্ন শ্ৰেণীৰ বীজৰ যোগান আমাৰ খেতিয়ক সকললৈ সৰবৰাহ কৰিছে। কৃষিমন্ত্ৰী ডাঙৰীয়াই বাজেটত যিটো টকা মঞ্জুৰ কৰিছে সেই টকা খেতিয়ক সকলৰ মেহনতিত আৰু উৎপন্নৰ কামত যাতে ব্যৱহাৰ হয়। লগতে যি বিলাক কীট পতঙ্গ নাশক ঔষধ যিবিলাক দিছে সেইবিলাক ইমান নিম্ন খাপৰ যে কাচাৰ জিলাত প্ৰায় দুৰ্ভিক্ষই দেখা দিছিল, এতিয়াও হেনো চলি আছে। ইয়াৰ বাবে দায়ী কোন? ইয়াৰ বাবে দায়ী কৃষি বিভাগ। এই বিভাগে যিবিলাক কীট পতঙ্গ নাশক ঔষধ পঠাইছে সেই বিলাকৰ দ্বাৰা কীট পতঙ্গ চাৰি গুণ বৃদ্ধি হৈছে। এইদৰে কীট-পতঙ্গ নাশক ঔষধে কাচাৰ জিলাত দুৰ্ভিক্ষৰ সৃষ্টি কৰিছে। ইয়াৰ বাবে আমি কেতিয়াও কৃষি মন্ত্ৰী দপ্তৰক ধন্যবাদ দিব নোৱাৰো আৰু মই কওঁ ইয়াৰ সম্পুৰ্ণ দায়িত্ব কৃষি বিভাগে বহন কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, খেতি কৰাৰ প্ৰণালী আমাৰ দেশত আগৰ দৰেই চলি আছে, এই প্ৰণালী আধুনীকি কৰণ কৰিব লাগে আৰু তাকে কৰিবলৈ হলে আমাৰ কিছুমান ঠাই বাচি লব লাগে আৰু আধুনিক পদ্ধতিৰে যদি আমি খেতি কৰি অধিক উৎপাদন বঢ়াব পাৰো তেন্তে খেতিয়ক সকল লাভবান হব আৰু আমাৰ দেশৰ খেতিয়ক বন্ধু সকলে স্বাগতম জনাব।

উপাধ্যক্ষ মহোদয়, জলসিঞ্চনৰ ক্ষেত্ৰত আমাৰ জলসিঞ্চন ব্যৱস্থাটো এনেকুৱা হব লাগে যে প্ৰথম ৫ বছৰ বা ১০ বছৰলৈ চৰকাৰে

আমাৰ খেতিয়ক সকলক বিনামূলীয়াকৈ দিব লাগে। বিনাপইচাই এই-কাৰণেই দিব লাগে যে আমাৰ খেতি পথাৰ বিলাকৰ আজি এনেকুৱা অৱস্থা হৈছে যে খেতিয়ক সকলে বজাৰৰ পৰা বীজ কিনি আনি খেতি কৰিব ধৰিছে, চৰকাৰে দিয়া বীজ লবলৈ ইচ্ছা নকৰা হৈছে। এতেকে চৰকাৰে খেতিয়ক সকলক ভাল বীজ দিয়াৰ নামত বেয়া বীজ দি তেওঁ-লোকক কেইবছৰ মানৰ পৰা লোকচান ভৰাইছে। আৰু তাৰ ক্ষতি পুৰণ হিচাবে ৫ বছৰৰ কাৰণে খেতিয়ক সকলক বিনা পইচাতেই জল-সিঞ্চনৰ যোগান ধৰিব লাগে। আমাৰ খেতিয়ক সকলৰ মাজত আমি দেখিবলৈ পাওঁ যে আমাৰ কিছুমান খেতি মজুৰী আছে। চৰকাৰে চিলিং আইনৰ জৰিয়তে যিবিলাক মাটি অধিগ্ৰহন কৰিছে সেই মাটি বিলাক, মাটিগিৰীৰ লগত সখি নাপাতি খেতি মজুৰী আৰু যিবিলাক দুখীয়া খেতিয়ক আছে তেওঁলোকৰ মাজত বিতৰণ কৰি দিব লাগে। আৰু খেত মজুৰী সকলে যাতে এই মাটি পাই উপকৃত হব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

সৰিয়হৰ খেতিৰ ক্ষেত্ৰত মই কওঁ যে আমাৰ চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গত যিখন আচঁনি যোৱা বছৰত লৈছিল, আমি দেখিবলৈ পাইছো যে খেতিয়ক সকলক তেখেত সকলে বিনামুলীয়াকৈ বীজ দিছে, সাৰ দিছে আৰু খেতি কৰাৰ কাৰণে যি অৰ্থৰ দৰকাৰ হয় সকলোখিনি দি সহায় কৰিছে। তাৰ ফলত আজি পশ্চিমবঙ্গত অধিক সৰিয়হ উৎপন্ন হৈছে আৰু সেই সৰিয়হ ৰাজ্যৰ বাহিৰলৈও পঠোৱাৰ ব্যৱস্থা কৰিছে। আমি আমাৰ ইয়াত সৰিয়হৰ তেল বজাৰত ১১ টকাকৈ বিক্ৰী হৈ আছে। এই তেল আমি বাহিৰৰ পৰা আনিব লগা হৈছে। সেয়ে অসমতো সৰিয়হৰ অধিক উৎপন্ন কৰাৰ বাবে পশ্চিমবঙ্গ চৰকাৰে যি আচঁনি গ্ৰহন কৰিছে,

আৰু উৎপাদন বৃদ্ধি কৰি অন্য ৰাজ্যলৈও পঠাইছে, সেই আঁচনি খন কি, অধ্যয়ন কৰিবলৈ মই কৃষি মন্ত্ৰী মহোদয়ক নিমন্ত্ৰণ জনালো। (ভইচঃ— কলৈকে যাবলৈ নিমন্ত্ৰণ কৰিছে ? পশ্চিমবঙ্গলৈ নেকি ? ) লগতে আমি কৃষি সাহায্যৰ নামত, কৃষি আধুনিকীকৰণৰ নামত আমি দেখিবলৈ পাইছো যে অসম চৰকাৰে কাছাৰ জিলাখনক শস্য-শ্যামলা কৰি তুলিবলৈ শপত গ্ৰহন কৰিছে। কিন্তু এতিয়া দেখা গ'ল যে কাছাৰ জিলাত খেতি আধুনিকীকৰণ কৰাৰ নামত ১৬ খন ট্ৰেক্টৰ আৰু ৫ খন বুল ডজাৰ পঠাই দিছে যে মাটি বিলাক ভাঙি সমান কৰি অধিক উৎপাদন কৰিব লাগে আৰু কাছাৰ জিলাত শস্যশ্যামলা কৰিব লাগে। তাৰ ফলত দেখা গ'ল যে এই আঁচনিৰ ফলত কাছাৰৰ সৰিয়হৰ তলী বিহু তলীত পৰিণত হ'ল। শিলচৰৰ কৃষি মেকানিকেল বিভাগে কোনো হিচাবেই নিদিলে আৰু ৪ লাখ ৮৮ হাজাৰ টকা কৃষিত খৰচ নকৰি তেওঁলোকে ব্যক্তিগত কামত খটুৱালে। এই টকা মই আত্মসাত কৰা বুলি নকওঁ। কিন্তু কাগজে-পত্ৰে দেখামতে সেই টকা আত্মসাত কৰা হৈছে। এইদৰে যদি খেতিয়কৰ টকা আত্মসাতকৰে ইয়াতকৈ আৰু ডাঙৰ অপৰাধ কি হব পাৰে। যিসকল মানুহে মুৰৰ ঘাম মাটিত পেলাই দিনে ৰাতিয়ে কাম কৰি আছে সেই সকলৰ টকা আত্মসাত কৰাটো কোনো সভ্য জাতীয়ে সহ্য কৰিব নোৱাৰে। গতিকে এই বিষয়ে মই কৃষি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে তেখেতে এই বিষয়ে তদন্ত কৰি এটা সিদ্ধান্ত কৰে।

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী):— এইটো কেতিয়াৰ কথা ?

*শ্ৰীএ, এন, আক্ৰাম হুচেইনঃ— আপুনি কাগজত পঢ়িলেই গম পাব। খেতি আধুনিকীকৰণৰ নামত যাতে কঠিয়াতলীক বিহুতলীত ৰূপান্তৰিত নকৰে তাৰ বাবে মই সাৱধান কৰি দিছোঁ। অধিক শস্য উৎপাদনৰ কাৰণে মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াৰ জিলাতো তেনেকুৱা এখন আঁচনি লৈছে। এই আঁচনি মতে এনেকুৱা বীজ খেতিয়ক সকলক দিয়া হ'ল যে সেইবোৰ একেবাৰে বেয়া। তাতো কেইবা হাজাৰ টকা আত্মসাত কৰা হৈছে। এইবিলাক কথা ভালকৈ চাব লাগে। মোৰ ছয়গাওঁ সমষ্টিটো এইধৰণৰ বেয়া বীজ দিয়া হৈছিল। তাত ধান খেতি কৰোঁতে ধানৰ সলনি বোনগুটিহে গজিল। এইবিলাক যাতে নহয় তাৰ কাৰণে মন্ত্ৰীমহোদয়ে লক্ষ্য ৰাখিব লাগে। আন এটা কাহিনী আছে বীজ সম্পৰ্কে

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):— সেইটো কেতিয়াৰ আছিল ?

*শ্ৰীএ, এন, আক্ৰাম হুচেইন ঃ— এইটো চীড ক'ৰপোৰেচনৰ কাহিনী, এইটো বৰ্তমান মন্ত্ৰী মহোদয়ৰ কাহিনী। এই কাহিনীটো হৈছে যোৱা বছৰ ১৯৭৮ চনৰ কাহিনী। চীড ক'ৰপোৰেচনে অসমীয়া ৰাইজক নাৰিকলৰ খেতি কৰিবলৈ কেৰালাৰ ভেৰাইটিৰ নাৰিকলৰ খেতি কৰিবলৈ এখন আঁচনি কৰি দিছিল। এই কেৰেলাৰ নাৰিকলৰ খেতিৰ কাৰণে কেৰেলাৰ পৰা নাৰিকল অনাৰ নামত এনেকুৱা এজন বাহিৰৰ মানুহক ব্যৱসায় কৰিবলৈ দিলে যে যি মানুহৰ হেড কোৱাৰ্টাৰ গুৱাহাটীত বুলি কৈছে আৰু গুৱাহাটী পৌৰনিগমত ব্যৱসায় কৰিবলৈও আনকি যি লাই-

* Speech not corrected

চেন্সৰ দৰকাৰ সেই লাইচেন্সও মানুহ জনৰ নাই। তেওঁৰ ইনকাম টেক্সৰো ক্লিয়াৰেন্স নাই। সেই ব্যৱসায়ী জনে কলিকতাৰ পৰা নাৰিকল আনি কেৰেলাৰ পৰা অনা বুলি কৈ হাজাৰ হাজাৰ টকা লাভ কৰিছে। উপাধ্যক্ষ মহোদয়, পশ্চিমবঙ্গত নাৰিকলৰ পুলি এটাৰ দাম আঢ়ৈ টকা কিন্তু সেই নাৰিকলৰ পুলি আমাৰ চৰকাৰে ৫/৬ টকা মুলত কিনিছে। যদিহে মোৰ এই হিচাপটো ভুল হোৱা নাই তেনেহলে এই ব্যৱসায়ী জনে দুগুন লাভ চৰকাৰৰ পৰা লৈছে। এতেকে বীজ ক্রয় কৰাৰ ক্ষেত্রত চীড কোৰপোৰেচনত নানাধৰণৰ দুর্নীতি চলিব ধৰিছে। আজি কোন বেপাৰীৰ হাতৰ মুঠিৰ তলত চীড কোৰপোৰেচন পৰিচালিত হৈছে? এই বিলাক কথা জানিবলৈ মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক দাবী জনাইছো যাতে তেখেতে এইটো ৰি-অৰগেনাইজ কৰি এটা ব্যৱস্থা গ্রহন কৰে। আৰু লগতে কওঁ যে তেখেতে যাতে চৰ অঞ্চলৰ প্রতি লক্ষ্য ৰাখে। চৰ অঞ্চলত যদি ভাল বীজৰ যোগান ধৰিব পাৰে, ভাল সাৰ দিব পাৰে আৰু জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰে তেনেহলে মই কব পাৰো যে এই বিলাক অঞ্চলত যি ঘেহুঁৰ উৎপাদন হব সেই ঘেহুঁৰে গোটেই অসমকে খুৱাব পৰা যাব আৰু সেই অঞ্চলটো অসমৰ হাৰিয়ানাত পৰিণত হব। মই আৰু বেচি নকও কর্তন প্রস্তাৱটোৰ সমর্থন কৰি সামৰণি মাৰিলো।

* শ্রীঅতুল চন্দ্র গোস্বামী:— মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগটো আমাৰ দেশৰ কাৰণে এটা অতি গুৰুত্বপূর্ণ বিভাগ আৰু ইয়াৰ

* Speech not corrected

কাৰণে যোল্ল কোটি টকা দিয়াৰ কাৰণে মন্ত্ৰী মহোদয়ে গ্ৰাণ্ট দাঙি ধৰিছে। অসমত যেতিয়া বেছি ভাগ মানুহেই কৃষিত নিয়োজিত হৈ আছে অসমৰ কৃষকৰ অৱস্থা উন্নত কৰিব নোৱাৰিলে আমাৰ অৰ্থনৈতিক চেহেৰা বদলি কৰাৰ কোনো উপায় নাই। কিন্তু কৃষি বিভাগৰ অৱস্থা কেনে ৰকমে চলি আছে তাৰ কেইটামান উদাহৰণ দাঙি ধৰিব খুজিছো। অসম এগ্ৰো ইণ্ডাষ্ট্ৰিজ ডেভেলাপমেণ্ট কৰপোৰেচন কৰা হৈছিল আমাৰ খেতিয়ক সকলৰ উন্নতি হওক বুলি আৰু উন্নত ধৰণৰ আহিলা পাতি খেতিয়ক সকলক যোগাৰ ধৰি কৃষি উৎপাদনৰ সহায়ক হওক বুলি। সাৰ যোগান ধৰা হব, বৈজ্ঞানিক সা-সজুলি যোগান ধৰা হব আৰু তাৰ দ্বাৰা আমাৰ উৎপাদন বাঢ়িব। এই কৰপোৰেশ্যনৰ কি হৈছে ইয়াত ১৬৫ পৃষ্ঠাত লিখিছে ঃ

The Assam Agro Industries Corporation sustained a net loss of Rs. 3,26,250/- during the year ending 31st March, 1972. The accumulated loss upto 31-st March, 1972 was Rs. 7,56,101/-. The results of working of the Corporation for the years ending 31st March, 1973, 74, 75, 76 and 1977 have not been intimated by the department.

এই কাৰণেই ১৯৭৭ চনত অসম এগ্ৰো ইণ্ডাষ্ট্ৰিজ ডেভেলাপ-মেণ্ট কৰপোৰেচনে আমাৰ দেশৰ কৃষি প্ৰয়োজনীয়তাত কি সহায় কৰিছে কেনে ভাৱে তেওঁলোকৰ কাৰ্য্য সম্পাদন কৰিছে তাৰ কোনো হিচাব দাখিল কৰা নাই। অসম চীফ কৰপোৰেচন বুলি এটা নিগম অসম চৰ-

কাৰে কৰিছিল। ভাল সঁচৰ বীজ যোগান ধৰাৰ কথা আছিল সাৰ যোগান ধৰাৰ কথা আছিল। আহু বীজ যোগান ধৰাৰ কথা আছিল। উন্নত বীজ তুলা নামৰ। তুলাল নহয়। কবিতা কবিতা লগা নাম। তুলাৰ সচ বিতৰণ কৰা হ'ল। খেতিয়কে হাল বালে ফাগুণ মাহত ছটিয়াই দিলে কিন্তু নগজিল। বজাৰত কিনি আনি যোৰহাটত যোৰা বাৰ সৰিয়হৰ বীজ দিলে। ৰাইজেও ভাল পালে। কিন্তু সঁচ দিয়াহে হ'ল ক'তো নগজিল। জাৰিজোকাৰি কোনো তেলৰ বেপাৰীক দিলেও আমি অলপ কম দামত মিঠাতেলকে অলপ কিনি খাব পাৰিলোহেতেন। কিন্তু সেইটোও কৰা নহ'ল। গুদামত এনেই নষ্ট হৈ গ'ল। চীড কৰপোৰেচনৰ কথা শুনক:

The Corporation sustained a net loss of Rs.15, 91,791 during the year ending 31st March, 1974. The accumuloss upto 31st March, 1974 was Rs.51,21,084. The results of working of the Corporation for the years ending of 31st March, 1975, 1976 and 1977 have not been intimate.

The particulars indicating number, type and face value of shares in respect of following amounts have not been intimated:

১৯৭৪-৭৫ চনত বিশ লাখ টকাৰ কোনো হিচাব দিয়া নাই। ১৯৭৫-৭৬ চনত আঠ লাখ টকাৰ আৰু ১৯৭৬-৭৭ চনত দহ লাখ ঠকাৰ হিচাব দিয়া নাই। উপযুক্ত সময়ত পানী যোগান আৰু উন্নত বীজ যদি দিয়া

নহয় তেনেহলে কবিতা লিখিলেই খেতি হব নোৱাৰে, উৎপাদন বৃদ্ধি হব নোৱাৰে। আমাৰ কৃষি বিভাগৰ এজন ডিৰেক্টৰ আছে। তেখেতে সমাজতান্ত্রিক দেশত বহুদিন থাকি সেই বিলাকৰ নমুনা চাই আহিছিল। তাৰ পিচত আমাৰ ইয়াসৈ অহাত ভাবিছিলো কিবা এটা কৰিব। কিন্তু এই বিভাগত কিবা এটা বিপ্লৱ আগবঢ়াব বুলি ভবা হৈছিল যদিও বিপ্লৱ হ,ল কি এজন ডিৰেক্টৰ আৰু চৈধ্য জন জইন্ট ডিৰেক্টৰ হল। জইন্ট ডিৰেক্টৰ ফৰ পালচ দিশপুৰত বহি থাকে আৰু গোটেই অসমত ডাইলৰ কাৰণে ৰাইজে হাহাকাৰ কৰিবলগীয়া হৈছে। বহু ঠাইত লোকে তুলাচ ডাইল খাইছে। জইন্ট ডিৰেক্টৰ মাষ্টাৰড চিড, জইন্ট ডিৰেক্টৰ চুপাৰ, জইন্ট ডিৰেক্টৰ পটেটো। সকলো দিশপুৰত থাকে। পথাৰত খেতি হয়। বাতৰি কাকতত যিটো পৰিসংখ্যা দিছে সেই নমুনা চাই দেখিলে মই নিজে খেতিয়ক মানুহ। মই নিজে খেতি কৰো। এক মাটিত তিনি কেজি যদি উৎপন্ন হয় তাক আকৌ তিনিৰে পূৰণ কৰি সেই মতে হিচাব দি অসমত ৰবিশস্য কিমান হব সেই ষ্টেটিচটিক্স বাহিৰ কৰিছে।

শ্রীদেবানন্দ বৰা :— মাজুলীত ইমান বেছি ঘেহু খেতি বেয়া হ'ল যে অসমৰ হিচাবত মাজুলীৰ হিচাব নধৰিলেই।

* শ্রীঅতুল চন্দ্র গোস্বামী :— কেইখনমান ফাৰ্ম আছে। খেৰনিত এখন আছে মেকানাইজ্‌ড কাল্টিভেশ্যনৰ কাৰণে কিবা কিবি দিব। এই ক্ষেত্রত যোল্লশ খৰচ কৰিবলগীয়া হ'ল। হাল বোৱা, সাৰ দিয়া, বীজ দিয়া, কেমিকেল আদি দিয়াৰ নামত খৰচ হ'ল যোল্লশ টকা কিন্তু

* Speech not corrected

পালে কিমান মাত্ৰ ছমোণ ধান। ত্ৰিশ টকাকৈ বিক্ৰী কৰি এশ আশী টকা পালে। অৰ্থাৎ ষোল্ল লাখ টকা খৰচ কৰি এশ আশী টকা পালে। তেনে নকৰি যদি এই ষোল্লশ সাতানব্বৈ টকা খৰচ নকৰি আমাৰ মাননীয় সদস্য চামচুল হুদাৰ সমষ্টিৰ কোনো এজন কৰিম ভায়াক দিয়া হ'লহেতেন তেনেহলে কম পক্ষেও ছাব্বিশ মোণ ধান উৎপন্ন কৰি দেখুৱালেহেঁতেন। অন্যান্য দেশত কৃষি বিশ্ববিদ্যালয় বিলাকে গৱেষণা পদ্ধতিত খেতিৰ কাম কৰিছে। আমাৰ ইয়াতো কৃষি বিশ্ববিদ্যালয়ে গৱেষণা পদ্ধতিত খেতি কৰিবলৈ কেইটামান ব্লক আজি কেইবা বছৰৰ পৰা বিচাৰি আছে যদিও সেই সম্পৰ্কে কোনো ব্যৱস্থা লোৱা হোৱা নাই। কৃষি বিভাগৰ এই বিলাক বিষয়ত কোনো ভ্ৰু-ভতঙ্গ নাই। এই হেডত ষোল্ল কোটি টকা ধৰিছে কিন্তু তাৰ ভিতৰত দহ কোটি মান টকা ভোজ ভাত, চেলাৰি, উপৰিমিত্ত ব্যয়, কন্‌টিনজেন্সি আদিত খৰচ হব আৰু বাকী কামৰ কাৰণে আহিব মাত্ৰ ছয় কোটি টকা। এই দৰে অসম দেশৰ কৃষি ক্ষেত্ৰত কোনো উপকাৰ সাধিব পৰা নাযাব।

কৃষিৰ কাৰণে জলসিঞ্চন ব্যৱস্থা থাকিব লাগে কিন্তু জলসিঞ্চন ব্যৱস্থা কৰিবলৈ জলসিঞ্চন আৰু কৃষি বিভাগৰ মাজত কোনো যোগাযোগ নাই। হাই টেনশ্যন বা লো টেনশ্যনৰ লাইন পথাৰৰ মাজেৰে বহুত গৈছে তাৰ পৰাই পানী যোগানৰ কাৰণে পাম্পৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। কিন্তু যোৱা পুহ মাহৰ পৰা পানী নাই। ভীষণ খৰ হৈছে তথাপিতো গুটি সিচিব পৰা নাই পানীৰ অভাৱত। কামৰূপৰ ফালে পাতে নে নাপাতে নাজানো আমাৰ ফালে ভেকুলি বিয়া পাতিবলৈ ব্যৱস্থা কৰিছে। কোনো কোনো ঠাইত মনে মনে ঢেকী চুৰি কৰি আনি মনে মনে ওভোটাই পুতি ৰখাৰ ব্যৱস্থা কৰিছে কিন্তু তথাপিতো পানী নাই।

* Speech not corrected

কামৰূপৰ ফালে পাত্তেনে নেপাতে নাজানো, কিন্তু উজনিৰ ফালে ভেকুলীৰ বিয়া পাতে। বৰষুণ আনিবৰ কাৰণে। আকৌ ঢেকি বিলাক কেতিয়াবা ওলোটাকৈ থৈ বৰষুণক মাতে তথাপিতো বৰষুণ অহা নাই। আহু খেতি এই বাৰ নষ্ট হব, মৰাখেতিও নষ্ট হব। আজি এনেকুৱাই অৱস্থা হৈ পৰিছে তাৰ পিচতো যদি কওঁ সমাজবাদ, অৰ্থনীতিৰ ফালে আমি আগবাঢ়িছো। তেতিয়াহলে আত্মপ্ৰবঞ্চনা বাহিৰে এইটো কি হব পাৰে। আজিও আমি তাহানী দিনৰ আজো ককাহঁতৰ নাঙলৰ জুলিত ধৰি খেতি কৰিবলৈ লৈছো। মাননীয় সদস্য মুকুট শৰ্ম্মাই কব পাৰে হালো বাব নেপায় কুৰো বাব নেপায়। ভেখেতসকলৰ শাস্ত্ৰ মনোয়ে লিখিছে, সেই কাৰণে মনোয়ে কৈছিল শুদ্ৰই হেনো নাৰিকল ৰুব নেপায়। কিয়নো নাৰিকলৰ ভিতৰৰ বস্তু খালে মগজ ভাল হয়। সেই কাৰণেই নেকি কৈছিল যে শুদ্ৰই নাৰিকল ৰুব নেপায়।

যিকিনহঁওক চাৰ, অসমত কৃষি যদি উন্নতি কৰিব লাগে তেনেহলে তিনিটা ব্যৱস্থাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে। মেকানাইজ কালটিভেচন আমাৰ দেশলৈ আনিব লাগে। সেইটো আনিবলৈ হলে আমাৰ ইয়াত লেন্দ হলদিং যিটো চিচটেম আছে সেইটো পৰিবৰ্ত্তন কৰিব লাগিব। কিয়নো আজি এটুকুৰা মাটি ৭/৮ জনৰ নামত বেলেগে থাকে। একঠা, দুকঠা বা বিঘাকৈ বেলেগে থাকে। সেইকাৰণেই বৈজ্ঞানিক পদ্ধতিত কৰিব নোৱাৰিলে খেতিৰ উন্নতি কেনেকৈ হব। সেইকাৰণেই অসম দেশৰ মাটি বিলাক কেন্দ্ৰীভুত কৰিব লাগে। দ্বিতীয়টো হৈছে জলসিঞ্চন, এই ক্ষেত্ৰত অগ্ৰাধীকাৰ দিব লাগে। তৃতীয়টোত কৃষি ক্ষেত্ৰত বৈজ্ঞানিক যি ব্যৱস্থা আছে সেইটো সৰ্ব্বসাধাৰণ ৰাইজে বুজিব পৰাকৈ আৰু তেওঁ-

লোকৰ নিজৰ ব্যৱস্থাৰ লগত মিলাই লব পৰাকৈ সুবিধা কৰি দিব লাগে। আমাৰ সমষ্টিত ১৬ টা আছে। তাত প্ৰত্যেকতে একোটা ব্লক আছে। এই ব্লক বিলাকত চিনেমাৰ স্লাইদৰ জৰিয়তে আধুনিক কৃষি বিষয়ে সময়ে সময়ে দেখুৱাব পাৰি। আজি অসমৰ মাটি দ্ৰব্যৰ গুণ বেলেগ বেলেগ ধৰণৰ। সেইকাৰণে আজি যি সাৰ দিয়াৰ ব্যৱস্থা কৰিছে তাত নানা ধৰণৰ ব্যৱহাৰত খেলি-মেলি হৈছে। কিয়নো যেতিয়া কোনো এঠাইত ইউৰিয়া বা চুপাৰফচপেষ্ট ব্যৱহাৰ কৰা হয় তেতিয়া মাটিৰ গুণা-গুণৰ কাৰণেই হওঁক বা ব্যৱহাৰ পৰিমাণৰ কম-বেচি কাৰণেই হওঁক তাত খেতি বাতি নষ্ট হৈ যোৱা দেখা যায়। আৰু যিটো ফাল দেখা যায় তাৰ বিপৰীত ফল পোৱা যায়। সেই কাৰণে মাটিৰ গুণা-গুণ পৰীক্ষা নকৰাকৈ এই ঔষধ পাতি বিলাক ব্যৱহাৰ কৰিব নেলাগে। ৰেডিঅত কোৱা শুনা ইমান পৰিমাণৰ চুপাৰ-ফচপেট দিব লাগে ইত্যাদি ইয়াৰ দ্বাৰা কিন্তু খেতিয়ক সকলক উপকৃত হব নোৱাৰে। সেইকাৰণে বজাৰত মিস্বদ দ্বাৰৰ বাহিৰে অইন সাৰ বিক্ৰি কৰিব দিব নেলাগে। কাৰণ সাৰ ব্যৱহাৰ কৰি বহুত ঠাইত ভাল ফল পোৱা নাই। কিন্তু ইনপুটৰ জৰিয়তে খাদ্য বস্তু উৎপাদন বঢ়াব পাৰি। আজি এগ্ৰিকালচাৰ অফিচাৰজন ৰাইজৰ ওচৰলৈ বেচিকৈ যাব নোৱাৰে। গতিকে তেওঁলোকক অন্ততঃ গাৱৰ মানু-সপ্তাহত ৫ দিন মান মিটিঙ হয়। গতিকে তেওঁলোকক অন্ততঃ গাৱৰ মানুহৰ লগত যোগাযোগ কৰিবলৈ এক্সটেনচনৰ সুবিধা দিব লাগে। আন-হাতেদি শষ্য বীমা আচঁনি আমাৰ দেশত হোৱা নাই। আনহাতেদি পানী নোহোৱাৰ কাৰণে বহু সময়ত খেতি বাতি নষ্ট হৈ যায়। আৰু খৰাং হলে কোনো উপায় নোহোৱা হয় সেইকাৰণে কৰপচ ইনচিউৰেন্স কৰঅপ-ৰেচন স্কীম কৰি কৃষক সকলক এনে ধৰণৰ অনিশ্চিত বিপদৰ পৰা ৰক্ষা

কৰি তেওঁলোকৰ লোকচানৰ পৰা বচাব লাগে। আৰু আন আন ক্ষেত্ৰত তেওঁলোকক সকাহ দিয়া ব্যৱস্থা কৰিব লাগে। আন এটা কথা মই কব বিচাৰিছো আমাৰ শিৱসাগৰ আৰু নগাওঁ বিস্তিৰ্ণ অঞ্চলত আৰু কাজিৰঙাৰ ওচৰত জানোৱাৰে গড় হাতীৰে যে শতকৰা ৫০ ভাগ খেতি শষ্য খাই নষ্ট কৰি পেলাইছে, মানুহ মাৰি পেলালেও তাৰ ক্ষতিপূৰণ নেপায়। লাওঁখোৱা বনাঞ্চলত গুটি সিচাৰ পৰা আৰম্ভ কৰি শষ্য পতালৈকে ইয়াৰ ৰক্ষনা-বেক্ষণা কাৰণে টঙ কৰি থাকিব লাগে। এই দৰে জানোৱাৰৰ পৰা ৰক্ষা কৰা কোনো ব্যৱস্থা নাই আৰু ক্ষতি পুৰণৰ কোনো ব্যৱস্থা নাই। আন হাতেদি উৎপাদন কৰি যদি খেতিয়কে খেতিয়কৰ উৎপাদন বস্তু উচিত মুল্য নেপায় তাৰ কাৰণে ৰেগুলেটেড মাৰকেটৰ ব্যৱস্থা কৰিব লাগে। ধিঙত এপইচাও পোৱা নাই। বেপাৰিৰ মৰ্জ্জিত খেতিয়কে ধান বিক্ৰি কৰিব লগীয়া হয়। আকৌ আজি আমাৰ ৰেট এন্দ মিজাৰ এটা বিভাগ বহুত বিষয়াৰে সৈতে চলি আছে। কিন্তু আজিও বহু ঠাইত আগৰ দগা-পাল্লাই চলি আছে। কলিয়াবৰত সিৰ চিন পাত পৰি থকা দেখা যায়। তাত পুৰণা দগা-পাল্লাই চলি আছে। আজি সেইকাৰণে কৃষি বিভাগৰ আমোল পৰিবৰ্ত্তন আনিবলৈ হলে কেৱল শাস্ত্ৰ কিছুমান পঢ়ি থাকিলেই নহব আজি চাইনা, জাপান, ৰাচিয়াৰ পদ্ধতিত খেতি কৰিলেই যে তাৰ পৰা সুফল লাভ কৰিব তাৰ মানে নাই। গতিকেই এগ্ৰো-ক্লাইমেটিক কনদিচনৰ লগত সমন্ধ স্থাপন কৰিব লাগে। আৰু কৃষক সকলৰ লগত সহযোগিতা ৰাখিব লাগে। এগ্ৰিকালচাৰ ডিপাৰ্টমেণ্ট আৰু কৃষিৰ মাজত সমন্ধ থাকিব লাগিব। আমি গত বছৰত কি কৰিলো কি নাই কৰা তালৈ লক্ষ্য নাৰাখি আগন্তুক বছৰত যাতে কৃষি আৰু

কৃষকৰ সৰ্ব্বাঙ্গীন উন্নতি কাৰণে ব্যৱস্থা কৰিব লাগে।

Mr Deputy Speaker:— The House stands adjourned till 2-30 P. M.

( After lunch )

শ্রীনুরুল হুদাঃ— উপাধ্যক্ষ মহোদয়, আজ এক বৎসর হলো জনতা পার্টি এই রাজ্যে শাসন করছেন। কৃষি মন্ত্রী মাননীয় সোনেশ্বর বরা মহোদয় সমাজতন্ত্রী দলের নেতা ছিলেন। অবশ্য ভারতবর্ষে আজ সমাজতন্ত্রী দল নেই। এখন সেটা জনতা পার্টির সঙ্গে মিশে গিয়েছে এবং তিনিও জনতা পার্টির হয়ে মন্ত্রীত্ব করছেন। আমি কয়েকটি প্রশ্ন মাননীয় মন্ত্রী মহোদয়ের কাছে রাখতে চাই। কৃষি বিভাগ যা আজ স্বাধীনতার পরে ৩২ বৎসর হতে চললো, সেই কৃষি বিভাগের দৈনন্দিন যে সমস্ত কাজকর্ম আছে তা করবার জন্য অফিসার থেকে আরম্ভ করে বহু কর্মচারী রয়েছেন। মাননীয় সদস্য অতুল গোস্বামী বলছেন যে এইসব কর্মচারীরা মাঝে মাঝে গ্রামে যাওয়া ছাড়া কৃষির উন্নতি করার কোন চেষ্টা করেন না। এই ধরনের কাজকর্ম যদি এখনও চলে তাহলে কৃষি ব্যবস্থার উন্নতি করা যাবেনা।

উপাধ্যক্ষ মহোদয়, আমাদের মনে রাখতে হবে যে স্বাধীনতার পর যে ৩১ বৎসর আমরা পেয়েছি সেই ৩১ বৎসর কেন্দ্রে এবং এই রাজ্যে কংগ্রেসী শাসন ছিল এবং সেই সময় আমরা দেখেছি যে জমি, যে জমিতে সমস্ত ফসল উৎপন্ন হয় সেই জমির যে ব্যবস্থা সম্পূর্ণ ভাবে সামন্ততান্ত্রিক, আধা সামন্ততান্ত্রিক ব্যবস্থায় অর্থাত যারা জমিদার গোষ্ঠী এবং

কিছু ধনী কৃষক তাদের হাতে রয়েছে। আজ খাদ্যে ঘাটতি হচ্ছে, উৎপাদনে ঘাটতি হচ্ছে। এই ঘাটতি দূর করতে হলে এই সংকট দূর করতে হবে কৃষকদের উৎপাদন ক্ষমতা বাড়াতে হবে। আজ আমরা দেখছি আমাদের রাজ্যে ভূমিহীন কৃষকের সংখ্যা বাড়ছে, গ্রামে বেকারের সংখ্যা বাড়ছে। আগের চেয়ে দরীদ্র সীমারেখার নীচে লোকের সংখ্যা আমাদের দেশে বাড়ছে। শতকরা ৭০ ভাগ লোক আজ দরীদ্র সীমারেখার নীচে বাস করছে। এই ব্যবস্থার একটা পাল্টা ব্যবস্থা না নেওয়া পর্যন্ত কৃষি ব্যবস্থা উন্নতি সম্ভব কিনা আমি মাননীয় কৃষি মন্ত্রীকে এই কথা জিজ্ঞাসা করতে চাই। আমাদের দেশ জাপান বা মার্কিন যুক্তরাষ্ট্র বা ফ্রান্স নয়। আমাদের দেশ মুলতঃ কৃষি প্রধান দেশ যে দেশে শতকরা ৮০ ভাগ লোক কৃষির উপর নির্ভশীল। কিন্তু মান্ধাতা আমলের সাজ সরঞ্জাম এখনও আমরাদের দেশে রয়েছে। উন্নত পুঁজিপতি দেশের মত উন্নত ধরনের সাজ সরঞ্জাম দিয়ে আমরাদের দেশএ জমি চাষ করাও সম্ভব নয়। আজ আমাদের দেশের শতকরা ৫০ ভাগ জমি মাত্র শতকরা ৫-৬ ভাগ জমিদার মালিকগোষ্ঠীর হাতে কেন্দ্রীভুত। এমতাবস্থায় আজকে যদি উন্নত প্রণালীও গ্রহন করা হয় তাহলেও কৃষির উন্নতি সম্ভব নয়। আজকে তার জন্য সর্ব প্রথম দরকার হলো সামন্ততান্ত্রিক ব্যবস্থার মুলোৎপাটন করে যাতে প্রকৃত কৃষকের হাতে জমি দেওয়া যায় তার ব্যবস্থা করা।

প্রকৃত কৃষক যাতে নিজের চাষ যোগ্য জমি বলে ভাবতে পারে এবং চাষ যাতে তাদের উৎসাহ বাড়ে তার ব্যবস্থা করতে হবে। সার, উন্নত ধরনের বীজ এবং অন্যান্য যে সমস্ত বৈজ্ঞানিক প্রণালী আছে তা দিয়ে যদি কৃষকদের প্রকৃতপক্ষে সাহায্য করা যায় এবং প্রকৃত কৃষকদের

হাতে যদি জমি দেওয়ার ব্যবস্থা করতে পারেন তাহলে কৃষি ব্যবস্থার উন্নতি করা সম্ভব। তা না করে মন্ত্রী মহোদয় যদি শুধু অফিচার নিয়োগ করেন বা বিভিন্ন সার, বীজ, ট্রেক্টর বা অন্যান্য খাতে বেশী টাকা বরাদ্দ করে আসামের মত রাজ্যের কৃষি ব্যবস্থার উন্নতি করতে চান তাহলে আমি বলবো এটা কখনই সম্ভব নয়।

উপাধ্যক্ষ মহোদয়, আপনি জানেন গত কয়েক বৎসর ধরে নানা পরিকল্পনা করে বহু ছোট এবং মাঝারী কৃষকদের উন্নতি করার নামে নানা পরিকল্পনা নেওয়া হয়েছে। কিন্তু তাতে ছোট এবং মাঝারী কৃষক-দের কোন উন্নতি হয় নি। অত্যন্ত দুঃখ এবং পরিতাপের কথা যে গত ১২ মার্চ শিলচরের নিকটে সোনাই বাজারে 'ইনটেন্সিফ এগ্রিকালচার প্রোগ্রাম' বা ঐ ধরনের কোন স্কীমে ( পুরা নামটা আমার মনে নেই, বেশ বড় নাম ) কিছু যন্ত্রপাতি বিতরন করা হয়েছে। এই কাজের জন্য সেখানকার যিনি ডি সি. সাহেব, তিনি আমাদের শিলচরের অর্থাৎ কাছাড় জেলার অন্যতম মন্ত্রী শ্রীজগন্নাথ সিংহ মহাশয় এবং সেখান-কার জনতা পার্টির অন্যতম নেতা এবং মাননীয় সদস্য আলতাফ হোসেন মজুমদার সাহেবকে নিয়ে গত ১২ মার্চ তারিখে সেই সোনাই বাজারে গিয়েছিলান। আমরা পরে শুনলাম যে সেখানে কৃষকের নাম করে কিছু কিছু উইডার বা ঐধরণের ছোটখাটো কৃষির যন্ত্রপাতি এমনসব লোকদের মধ্যে দেওয়া হয়ছে, যারা কোন জন্মে জমি বা মাটির সঙ্গে যুক্ত ছিল না, এখনো নাই আর ভবিষ্যতেও জমির সঙ্গে এদের কোনও সম্পর্ক থাকবেনা। ঐসব উইডার বা ছোটখাটো যন্ত্রপাতি যাদের দেওয়া হয়েছে তারা হয় পঞ্চায়-

তের প্রেসিডেন্ট বা এমন ধরণের নেতা যারা আগে কংগ্রেস পার্টির সঙ্গে যুক্ত ছিলেন এবং বর্ত্তমানে জনতা পার্টির সঙ্গে যুক্ত। আমি তাদের নাম বলতে পারবে না, কারণ সঙ্গে আনিনি। সে যাই হোক, আগে যারা কংগ্রেসে ছিলেন তারাই তো আজ জনতাপার্টিতে আছেন। এমনকি আমাদের মাননীয় সদস্য আলতাফ হোসেন মজুমদারওতো আগে কংগ্রেসে ছিলেন এখন জনতা পার্টিতে এসেছেন এবং তাঁর দলেতো বহু লোকও ছিল-তারাও তাঁর সঙ্গে এই জনতা পার্টিতে চলে এসেছেন, আর ঐধরণের লোকদের মধ্যেই এইসব যন্ত্রপাতি .........

শ্রীআলতাফ হোসেন মজুমদার ঃ— মাননীয় সদস্যে বোধ হয় ভুলে গিয়েছেন যে জনতা সরকারে যেসব প্রবীন লোক রয়েছেন তারাই আগে কংগ্রেসে ছিলেন। এখন কি প্রধান মন্ত্রীও কংগ্রেসে ছিলেন।

শ্রীনুরুল হুদা ঃ— আমি মাননীয় সদস্যর কংগ্রেস থেকে জনতা-পার্টিতে আসার অধিকারকে চ্যালেঞ্জ করছিনা। তাঁর জাত গেল একথা বলছিনা। আমি কেবল বলছি যে এই ধরণের যেসব লোক কংগ্রেস থেকে জনতাদলে এসেছেন তারাই এইসব যন্ত্রপাতি পেয়েছেন। এইভাবে কৃষিবিভাগ চলছে। বিগত ৩০।৩১ বছর যে ভাবে এই বিভাগ চলেছিল সেই একই ভাবে এখনো চলছে। বিগত ১ বৎসরে নতুন কোনও দৃষ্টি-ভংগী নিয়ে...............

শ্রীজগন্নাথ সিন্‌হা ঃ— তিনি যে সি, পি, এম এর সদস্য সেই সি, পি, এম পার্টি কি সি, পি, আই থেকে হয় নি ?

শ্রীনুরুল হুদা ঃ— মাননীয় সদস্য শ্রীজগন্নাথ সিংহ মহাশয়ের

রাজনৈতিক জ্ঞান সম্পর্কে আমার ধারণা অন্যরকম ছিল। আজ তাঁর মুখ থেকে এই প্রশ্ন শুনে আমার ধারণা পাল্টাতে হচ্ছে।

উপাধ্যক্ষ মহোদয়, আমি যা বলতে চেয়েছিলাম তা হলো এই যে বর্তমানে যে অবস্থা চলছে সেই দৃষ্টিভংগীর পরিবর্তন দরকার। সামগ্রিক অবস্থার পরিবর্তন করতে হয়তো সময় লাগবে কিন্তু সেই দৃষ্টিভংগীর যদি পরির্তন না হয়, তাহলে এই কৃষিবিভাগের যিনি পৌরহিত্য করছেন মাননীয় মন্ত্রী শ্রীসোনেশ্বর বরা তিনি অন্তত: যশ কিনতে পারবেন না। সুতরাং আমি আশা করবো যে বিগত ১২ মার্চ তারিখের সোনাই বাজারের ব্যাপার তদন্ত করা হবে।

মহোদয় এবার আমি বলতে চাই এবং একথা সকলেরই জানা যে বিশ্ব বেংক সংস্থাটি মোটামোটি ভাবে সারা পৃথিবীর পুজিপতিদেশ গুলির দ্বারা পরিচালিত হচ্ছে। এই ব্যাংকের প্রতিনিধি মিঃ ল্যাডজিনস্কি, যিনি এই ব্যাপারে একজন বিশেষজ্ঞ এবং গ্রীন রিভলুশনের তিনি একজন প্রোটাগনিষ্ট, তিনি ১৯৭৪ ইংরাজীতে আমাদের দেশে বেশ কিছু দিন ছিলেন এবং তিনি স্বীকার করেছেন আমি তাঁর কোটেশন দিচ্ছি যে—"পুরাতন এবং চিরাচরিত পদ্ধতির ফলে কৃষক প্রজারা প্রথমে আধাভাগী চুক্তিভাগী এবং পরে ভুমিহীনে পরিণত হচ্ছে"। ১৯৭৪ ইংরাজীতে তিনি আমাদের দেশের এই পরিস্থিতির কথা বলছিলেন। কিন্তু এই ৪।৫ বৎসরেও এই অবস্থার কোনও পরিবর্তন হয়নি। দিনে দিনে বরং ক্ষেত-মজুরের সংখ্যা বাড়ছে। গ্রামে কৃষক নিঃশেষ হয়ে যাচ্ছে। আর গ্রামে যারা ধনী কৃষক রয়েছে তারাই সার, সেচ-এর জল, কোঅপারেটিভ ঋণ এবং অন্যান্য সমস্ত ঋণ কুক্ষিগত করেছে। আর অন্যদিকে ছোট ছোট

কৃষকরা দিনের পর দিনে এইসব সুযোগ সুবিধা থেকে বঞ্চিত হচ্ছে। তাছাড়া সার ডিজেল ওয়েল, সেচের জল ইত্যাদির মূল্য বাড়ার ফলে আজ শতকরা ৭৫ ভাগ কৃষক যারা গরীব এবং নিচের তলার কৃষক তারা আজ এইসব উন্নত ধরণের জিনিষ ব্যবহার করতে পারছেনা। আবার অন্যদিকে ক্রমাগত কৃষকদের উচ্ছেদ করা হচ্ছে। সুতরাং এইকথা আমাদের মনে রাখাতে হবে যে যদি এইভাবে ক্রমাগত কৃষকদের উচ্ছেদ করা হয়ে থাকে (আমি প্রকৃত কৃষকের কথা বলছি, যারা কৃষিকাজ ছাড়া আর কিছুই জানে না, লেখাপড়াও জানে না) তাহলে কৃষির উন্নতি হতে পারেনা। এইসব কৃষক যদি একটা লাঙ্গল পায় বা একটু সুযোগ সুবিধা পায় তাহলে তারা যথেষ্ট পরিমান উৎপাদন বাড়াতে পারে। অথচ তাদেরই আজ উচ্ছেদ করা হচ্ছে।

উপাধ্যক্ষ মহোদয়, আজ আমরা খাদ্য সংকটের কথা বলছি। সেটা সবাই জানে। কিন্তু জনতাপার্টি কেন্দ্রে এসেছে ২ বৎসর হলো এবং আসার পরে তারা ঠিক করেছেন যে ফ্রি ট্রেড হবে, কোন প্রকিওরমেণ্ট হবে না। আগেযে রেষ্টিকৃশন ছিল জেলায় জেলায় বা রাজ্যে রাজ্যে অত্যাবশ্যক সামগ্রী চলাচলের যে বাধা ছিল তা তারা মুক্ত করেছেন। কিন্তু এর ফলে খাদ্য সংকটের যে তীব্রতা বেড়েছে তা শহরে যারা থাকেন তারা হয়ত বুঝেন না কারণ তারা অনেকেই গ্রামের ভিতরের খবর জানেন না ও গ্রামের খাদ্য সংকটের তীব্রতা অনুভব করতে পারেন না। কিন্তু এটা ঠিক যে গ্রামের একটা অংশ লোক, শতকরা ২০ বা ২৫ ভাগ লোক আজ না খেয়ে বা আধা খেয়ে আছেন। কিন্তু আমাদের দেশে খাদ্য সামগ্রীর যদি সম বণ্টন হতো তাহলে এই অবস্থার সৃষ্টি হতো না। যাদের

ছিল তাদের তো আছেই-উপরন্তু আজ আমরা খাদ্য সামগ্রী বিদেশে পাঠাচ্ছি, কিন্তু আমাদের দেশের যে সমস্ত মানুষ যাদের ক্রয় ক্ষমতা নেই, নীচু-তলায় যারা থাকেন, খেত মজুর বা শহরে যারা মজুরী করেন যাদের ক্রয় ক্ষমতা নেই বললেই চলে তারাই আজ তীব্রভাবে খাদ্য সংকটে ভুগছে। সুতরাং আমি আমাদের পার্টির তরফ থেকে এইটুকু বলতে চাই যে জনতা সরকার (কেন্দ্রর বা রাজ্যের জনতা সরকার) যদি মনে করেন যে প্রকি-ওরমেন্ট না করে ফ্রি ট্রেডের উপর ভিত্তি করে আগামী কয়েক বৎসর চল-বেন এর পরিনতি খুবই ক্ষতিকারক হবে আমি এই সতর্কবাণী দিতে চাই। তাই আমি আমাদের মার্কস্‌বাদী কম্যুনিষ্ট পার্টির তরফ থেকে বলতে চাই যে, যে সমস্ত জমিদার শ্রেণীর লোক, যারা নিজেরা খেত করে না, যাদের অন্যান্য সম্পতি আছে এবং শহরে ব্যাবসা আছে অথচ অন্যদিকে গ্রামা-ঞ্চলে জমিও আছে তাদের শস্য যদি বাধ্যতামূলক ভাবে প্রকিওর না করা হয়, তাহলে নীচ তলার মানুষ তীব্র খাদ্য সংকটে ভুগতে বাধ্য। আমি এই সতর্কবানী আমাদের পার্টির তরফ থেকে করছি যে জনতা সরকার যদি এই ২ বৎসর ধরে যে নিয়ম নীতি অনুসরন করছেন তার পরিবর্তন যদি না করেন তাহলে তার ফল তীব্রভাবে ভোগ করবেন।

মহোদয়, অন্যদিকে আমাদের যে কমার্শিয়েল ক্রপ অর্থাত পাট জাতীয় শস্য আছে এ সম্বন্ধে আমাদের মাননীয় সদস্য সামসুল হুদা সাহেব এবং অন্যান্য মাননীয় সদস্যগনও বলেছেন যে এই কাঁচা পাটের কোন মুল্য আজ আমাদের কৃষকরা পাচ্ছে না। মহোদয়, আমি আর বেশী সময় নেব না, তাড়াতাড়ি শেষ করছি, কেবল আমি আশা করবো যে এই পাটের ব্যাপারে যাতে কৃষকরা নায্য দাম পান তার ব্যবস্থা যেন সরকার গ্রহন

করেন। এই ব্যাপারে আমি কৃষি বিভাগ এবং অন্যান্য সংশ্লিষ্ট বিভাগেরও দৃষ্টি আকর্ষন করছি।

মহোদয়, আর একটা কথা এই যে আমাদের সীড্ কর্পোরেশন যে বীজ দেন তা নাকি বাজার থেকে কেনা এবং সেই বীজই কৃষকের হাতে দেওয়া হয়, যার ফলে কৃষকরা এই বীজ ঠিক দামে পায় না বেশী দাম দিয়ে কৃষকদের তা কিনতে হয় এবং খুব কম সংখ্যক কৃষকরা তা কিনতে পারে। তবে এ বিষয়ে আমি বিশেষ ভাবে জানি না আমরা কেবল একথা শুনেছি। তাছাড়া এই কর্পোরেশনের চেয়ারম্যান নাকি জনতাপার্টির একজন নেতা এবং এর অভ্যন্তরেও নাকি অনেক কেলেংকারী আছে। আর, সেখানকার ম্যানেজিং ডাইরেক্টরের বিরুদ্ধে নানা রকম অভিযোগ শুনেছি। বিশেষতঃ জনসাধারনের সঙ্গে দুর্ব্যবহার এবং আরও অনেক খেলিমেলি আছে যা অবশ্য এখন আমি এই সদনে বলতে চাই না। সুতরাং এই ধরনের সমস্ত কর্পোরেশনগুলির দিকে সরকার যদি দৃষ্টি না দেন, যদি এইগুলো আগের মতোই চলতে থাকে, তাহলে এইগুলিতে কেলেংকারী আরও বাড়বে এবং ধীরে ধীরে এইগুলি এমনিতেই শেষ হয়ে যাবে।

মহোদয়, আর একটা প্রশ্ন হলো যে কৃষি বিভাগ, রেভিনিউ বিভাগ, ইরিগেশন বিভাগ, পাওয়ার বিভাগ ইত্যাদি বিভাগের মধ্যে কোন কো-অর্ডিনেশন নাই। এ সম্পর্কে অন্যান্য মাননীয় সদস্যগণও বলেছেন। আজ কৃষি বিভাগের সঙ্গে যদি খেতে জলের জন্য যেসব বিভাগ এবং পাম্প সেট ইত্যাদি ব্যবহারের জন্য বিদ্যুত বিভাগের সঙ্গে কো-অর্ডিনেশন না

থাকে. কৃষির সঙ্গে রেভিনিউ বিভাগের যদি কো-অর্ডিনেশন না থাকে তাহলে উৎপাদনের ব্যাপারে কৃষি বিভাগ মার খেতে বাধ্য। এই ব্যাপারে আর আমি অন্যান্য বিশেষজ্ঞদের কথায় নাই বা গেলাম। আমি আমাদের মার্কসবাদী পার্টির তরফ থেকে দাবী করছি এবং আমি এই বলে আমার বক্তব্য শেষ করবো যে বেসিক ল্যাণ্ড রিফর্মের দিকে এই জনতা পার্টির এবং জনতা সরকারের নজর দিতে হবে এবং সমস্ত রকমের জমিদারী প্রথা, সে পুজিপতি হোক, সামন্ততান্ত্রিক হোক তা সম্পূর্ণ ভাবে রহিত করতে হবে। যেসব ল্যাণ্ডলর্ডদের অন্য ইনকাম আছে এবং তারা নিজেরা জমি চাষ করেনা একটা সিলিং করে তাদের হাত থেকে জমি সম্পূর্ণভাবে নিয়ে আসা দরকার এবং এই জমি সরকারের তরফ থেকে কৃষি শ্রমিক এবং প্রকৃত ভূমিহীন কৃষকের মধ্যে বিতরন করা দরকার। আর এইসব কৃষকদের উচ্ছেদ করা যদি আমরা বন্ধ না করি তাহলে কৃষি এবং কৃষককে আমরা বাঁচাতে পারবো না। আর বিশেষ করে কয়েকদিন আগে কেন্দ্রীয় সরকারের বাজেটে আমরা দেখলাম যে ৭ শত কোটী টাকা কর বৃদ্ধি হয়েছে আর সেটা চালু হবে ১ লা এপ্রিল থেকে। এটা চালু হলে গরীব কৃষক মার খেতে বাধ্য। এই ব্যাপারে পশ্চিম বাংলা সরকার যে ভাবে সাহসিকতার সঙ্গে কেন্দ্রীয় সরকারের কাছে বার বার বলেছেন সেইরকম আমাদেরও জনতা সরকার যেন কেন্দ্রীয় সরকারের মনোযোগ আকর্ষন করেন যাতে মধ্যবিত্ত এবং গরীব কৃষক ক্ষতিগ্রস্ত না হয় সেদিকে লক্ষ্য রেখে তারা যেন সমস্ত বিষয় পুনর্বিবেচনা করেন। তা নাহলে কৃষকরা আরও বেশী অভাবগ্রস্ত হবে, আর ক্ষেত মজুরের সংখ্যা দিনে দিনে বৃদ্ধি পেতে বাধ্য।

মহোদয়, এই কয়েকটা সাজেশ্বন আমি আজ জনতা পার্টি এবং জনতা সরকারের নিকট রাখছি এবং আশা করি আমাদের মাননীয় মন্ত্রী শ্রীসোনেশ্বর বরা মহাশয় যিনি নিজেও একজন সমাজতন্ত্রের আদর্শে বিশ্বাসী, তিনি পূর্ণ কায়দায় এই কৃষি বিভাগকে চালু করতে এবং নিয়ন্ত্রন করতে সক্ষম হবেন। তা নাহলে এইভাবে যদি চলতে থাকে তাহলে আগামী বৎসর অর্থাৎ ১৯৮০ ইংতে বাজেট অধিবেশনে তাদের বিশেষ অসুবিধার সম্মুখীন হতে হবে এই সতর্কবানী আমি দিচ্ছি এবং আমি আশা করবো তিনি এই বিভাগের উন্নতি করার যথাযোগ্য ব্যবস্থা গ্রহণ করবেন এই বলে আমি আমার বক্তব্য শেষ করছি।

শ্রীজীৱন বৰা :- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৃষিমন্ত্ৰীয়ে দাঙি ধৰা মুল দাবীৰ সমৰ্থন কৰি আৰু তাৰ ওপৰত অহা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰমান কবলৈ ওলাইছো।

অসমৰ যি গ্ৰাম্য অৰ্থনীতি এই অৰ্থনীতি প্ৰধানকৈ কৃষি ভিত্তিক। আমাৰ আজি প্ৰধান কৃষিজাত উৎপাদন হৈছে ধান আৰু মৰাপাট। এয়ে আমাৰ উৎপাদনৰ শতকৰা ৮৫ ভাগ গঢ়ি তুলিছে। আজি কৃষিৰ যি সমস্যা আৰু কৃষকৰ যি সমস্যা তাৰ লগত ভূমি নীতি ওতঃপ্ৰোত ভাবে জৰিত। ভূমিনীতিৰ আজি যদি কোনো মৌলিক সংশোধন কৰা নাযায় তেতিয়াহলে কৃষি আৰু কৃষকৰ সমস্যাৰ সমাধান কৰাটো অতি টান হব বুলি ভাবো। আমাৰ যি প্ৰচলিত ভূমিনীতি এই ভূমিনীতিৰ ফলত ভূমিৰ নিজস্ব মাটিৰ যি ভাগ, সেইটো ভাগ ভাগ হৈ গৈছে। এতিয়া আমি মাটিৰ গড় হিচাবে যদি ধৰিব যাওঁ, তেতিয়া হব মাত্ৰ দুই বিঘা। খেতিয়কৰ এই মাটিৰ ওপৰত আমি যদি আশা কৰো যে উন্নত ধৰণৰ খেতি কৰক, উৎপাদন বঢ়াওক, তেতিয়াহলে এইটো কিমান দূৰ সম্ভৱ হব ভাবি চাব-

লগীয়া। আৰু এই ভূমিৰ ক্ষেত্ৰত যদি এক নতুন নীতি প্ৰৱৰ্তন কৰি যিবিলাক ব্যক্তিগত হোল্ডিং, সেইবিলাক ব্যক্তিগত ভাবে ৰাখিবলৈ দি, মালিকী স্বত্বা দিলেও সামূহীক ভাবে যদি খেতি কৰাৰ কথা চিন্তা কৰা নাযায় মই ভাবো আমাৰ দেশৰ কৃষিৰ যি অসুবিধা সেই বিলাক দূৰ কৰা টান হব। আজি যদি কৃষিৰ উৎপাদন বঢ়োৱাৰ কথা চিন্তা কৰা যায় তেতিয়াহলে পানীৰ ব্যৱস্থা, সাৰৰ ব্যৱস্থা আৰু লগে লগে যন্ত্ৰ-পাতি ব্যৱহাৰ কৰাৰ কথা আমি চিন্তা কৰিব লাগিব। কিন্তু এই বিষয়ত আজি যি ধৰণৰ মাটিৰ ব্যৱস্থা আৰু যি ধৰণৰ মাটিৰ মালিকী স্বত্বৰ ব্যৱস্থা আছে, এই ব্যৱস্থা চলাই থাকিলে ইয়াৰ দ্বাৰা কিমান দূৰ সম্ভৱ হব সেইটো চিন্তা কৰিবলগীয়া।

উপাধ্যক্ষ মহোদয়, কৃষিৰ লগত জলসিঞ্চন আৰু ইয়াৰ লগত বান-নিয়ন্ত্ৰণ, সমবায়, চোৰেকালচাৰ, ভেটেৰিনাৰী আদি সকলোবিলাক জড়িত। আজি কৃষি বিভাগটো যিধৰণে চলিছে প্ৰকৃততে কবলৈ গলে ই এটা পোষ্ট অফিচৰ দৰে হৈছে। পোষ্ট অফিচে যেনেকৈ চিঠি পালে বিলি কৰে এই বিভাগটো তেনে ব্যৱস্থাত চলি আহিছে। আমি যদি পানীৰ ব্যৱস্থা কৰিব কওঁ তেতিয়াহলে কব আমি ব্যৱস্থা কৰিব নোৱাৰো, জলসিঞ্চন বিভাগে কৰিব। বীজৰ কথা কলে কব চীড ক'ৰপোৰেচনক কওঁক আমি একো কৰিব নোৱাৰো। সাৰৰ কথা কলে কব এগ্ৰো ইণ্ডাষ্ট্ৰিয়ে যোগান ধৰিব, আমি নাজানো। যন্ত্ৰ-পাতিৰ কথা কলে কব আমি কব নোৱাৰো এগ্ৰো-ইণ্ডাষ্ট্ৰিয়ে যোগান ধৰিব। এনে ব্যৱস্থা আজি কৃষি বিভাগত চলি আছে।

আজি যদি এগ্ৰো ইণ্ডষ্ট্ৰিজলৈ চাওঁ এই এগ্ৰো ইণ্ডষ্ট্ৰিয়েল কৰ-অপৰেচন যিধৰণে পৰিচালনা হৈছে ভাত মুঠেই সন্তুষ্ট হ'ব পৰা নাই। বৰঞ্চ কব লাগিব কৰঅপৰেচনে বেয়াকৈয়ে চলাইছে। এই কৰঅপৰেচনৰ

জৰিয়তে এনেকৈ ক্ষতি হৈছে তাৰ উদাহৰণ দিব বিচাৰিছো। কৃষি বিভাগৰ কিছুমান লাগতীয়াল যন্ত্ৰপাতি বস্তু এগ্ৰো ইণ্ডাষ্ট্ৰিয়েল কৰপৰেচনৰ জৰিয়তে আনিব লাগে। এগ্ৰো ইণ্ডাষ্ট্ৰিয়েল ডেভলপমেণ্ট কৰঅপৰেচনে এইবিলাক নিজে তৈয়াৰ নকৰি মুকলি বজাৰত কটেচন লৈ আনি কৃষি বিভাগক যোগান ধৰে। এই এগ্ৰো ইণ্ডাষ্ট্ৰিয়েল ডেভলপমেণ্ট কৰঅপৰেচনে ইয়াৰ দায়িত্ব নিজে নলৈ যদি কৃষি বিভাগক দিলেহেঁতেন কৃষি বিভাগে কম মূল্যতে এই যন্ত্ৰপাতি বিলাক পোনপটিয়াকৈ আনিব পাৰিলেহেঁতেন? অৱশ্যে এগ্ৰো ইণ্ডাষ্ট্ৰিয়েল কৰঅপৰেচনে কিছুমান তাত এমপ্লয়মেণ্ট দিছে সেইটো বেলেগ কথা। তাৰ পিচত বিশেষ এটা কথা, এগ্ৰো ইণ্ডাষ্ট্ৰিয়েল ডেভলপমেণ্টে কৰপৰেচনে কিমান সাৰ বিতৰণ কৰে, এই সাৰ বিতৰণৰ ক্ষেত্ৰত কাগজে পত্ৰে ওলাইছে। অসমত সাৰ বিতৰণৰ এজেন্সি লবৰ কাৰণে নিবিদা বিচৰা হৈছে। আৰু এই কৰপৰেচনে অসমত সাৰ বিতৰণৰ কাৰণে নিবিদা দিব লাগে। বৰ্ত্তমান এই নিগমে অতি সামান্য অংশহে বিতৰণ কৰে। ফলত মধ্যস্থ ব্যৱসায়িক সকলে সাৰৰ যোগান ধৰাৰ নামত লাখ লাখ টকা লাভ কৰি আছে। এই সাৰৰ বিতৰণ এগ্ৰো ইণ্ডাষ্ট্ৰিজ ডেভলপমেণ্ট কৰপৰেচনে নিবনুৱা থলুৱা ডেকাক এজেন্সি দিয়া হলে ভাল হলহেঁতেন। নিবনুৱা ডেকা সকলৰ সংস্থান হলহেঁতেন। তেওঁলোকক এল, আই, চিক দিয়া নিচিনাকৈ এজেন্সি দিব লাগে। অৰ্ডাৰ লৈ কৰপৰেচনক দিব আৰু তেওঁলোকে কমিচন পাব। এনে কৰিলে কৰপৰেচনৰ জৰিয়তে এই নিবনুৱা ডেকাসকলক সহায় কৰিব পাৰিলেহেঁতেন। আন এটা কথা হৈছে এতিয়া খেতিয়কক নতুন কৃষি পদ্ধতি বিষয়ে শিক্ষা দিব লাগে। নতুন পদ্ধতিৰে এই খেতিয়ক সকলক শিক্ষিত কৰি তুলিব নোৱাৰিলে কৃষি উৎপাদন বৃদ্ধি হব নোৱাৰে। মাজে সময়ে ৰাজ্যখনত কৃষক সকলক শিক্ষা দিয়াৰ কাৰণে কিছুমান পুস্তিকা ওলাইছে। সেই পুস্তিকাৰ ভাষা সৰ্ব্বসাধাৰণ মানুহে বুজি নেপায়। ৰেডিঅ'টো যি শুনা যায় সেইটো কিমা-

নৰ মনত থাকিব। সাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত সৰ্ব্বসাধাৰণ খেতিয়কে বুজিব নোৱাৰা কাৰণে ইয়াৰ উপকাৰ হোৱাৰ ঠাইত অপকাৰহে হব। মোৰ এজন বিধায়ক বন্ধুৱে খেতি কৰিবলৈ লৈ এটা গোপাচাৰ ললে। সেই-বোৰ ট্ৰেক্টৰেৰে ভাঙি মেলি বেৰ ইত্যাদি দি ১৬ হেজাৰ টকা খৰচ কৰি বহুত কিবা কিবি লগালে। কিন্তু তাত এজোপা বঙালাও গছহে হল আৰু এটা প্ৰকাণ্ড লাউ লাগিল। ১৬ হেজাৰ টকা খৰছ কৰি তাত এটা ৰঙালাউহে হল। সেই ৰঙালাউটো ৰাইজে লগ লাগি খাবলৈ থৈ দিলে। পিচত যেতিয়া সেই লাউটো ৰাইজে খালে, তিতা পালে। গতিকে তাত বোধহয় যি পৰিমাণ সাৰ দিব লাগিছিল সেই পৰিমাণে নিদিয়াৰ কাৰণে লাউটো তিতা হৈ গল। তেজপুৰতো সেইদৰে ২ হাজাৰ টকা খৰচ কৰি এজন মানুহে কবি লগালে। তাত সাৰ ইত্যাদি দিয়াৰ পিচত কবিৰ পাত বিলাক মেল খাই গল আৰু মানুহে কলে আপোনাৰ তাত কবি বৰ ভাল হৈছে আমাকো দিব লাগে। তেওঁ দিম বুলি কলে কিন্তু মুলা সাৰটো হয়তো কবিত দিলে আৰু কবিৰ সাৰটো মুলাত দিয়াৰ কাৰণে সব নষ্ট হৈ গল।

পিচত তেওঁ ১ হাজাৰ টকা খৰচ কৰি কবি কিনি আনি লাজতে তেওঁ মানুহক বিলালে। তাৰ পিচত আন এটা কথা হৈছে অসমৰ হাৰ্টিকালচাৰেল কাৰণে যেনে দৰে গুৰুত্ব দিব লাগিছিল তেনেদৰে গুৰুত্ব দিয়া নাই। আমাৰ ইয়াত বিশেষকৈ আনাৰস, কল, নাৰিকল, ইত্যাদি ভাল হয়। তামোল পানো ভাল হয়। কিন্তু তামোল পানৰ বাৰী বিলাক উন্নতি কৰা নহল। আগৰ দৰেই চলি আছে। এইবিলাকৰ ওপৰত সম্পূৰ্ণ ৰূপে গুৰুত্ব দি ইয়াক ব্যৱহাৰ কৰি জীৱিকা পথ যাতে উলিয়াব পাৰি সেইটো চাব লাগে। কেৰেলাৰ সকলো মানুহে ধানৰ খেতি নকৰে। সুৰুসুৰা বাৰী কৰি ট্যাল, নাৰিকল আদি খেতি কৰি জীৱিকা উপাৰ্জন কৰে। আমাৰ ইয়াতো এইধৰণৰ খেতিৰ যথেষ্ট সম্ভাৱনা আছে। সেয়েহে

আজি হাৰ্টিকালচাৰেলৰ ওপৰত জোৰ দিব লাগে। তেতিয়া আমাৰ খেতিৰ উন্নতি হব। আজি কৃষিৰ ক্ষেত্ৰত যি গবেষণা হব লাগিছিল সেইটো ভালধৰণে হোৱা নাই। উৰিষ্যালৈ যাওঁতে দেখিছো তাত কি ধৰণে গবেষণা পৰিচালনা হৈছে সঁচাকৈয়ে তাৰ দ্বাৰা কৃষক সকল উপকৃত হৈছে। তাত সেই গবেষণাৰ কাৰণে তেওঁলোকে পথাৰত ধান ৰুই চপোৱাৰ ব্যৱস্থা কৰে আৰু গাওঁ বিলাকৰ পৰা খেতিয়কক গ্ৰোপ হিচাবে আনি তাত প্ৰশিক্ষণ বা খেতিৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। আনকি তেওঁ-লোকৰ অহা যোৱা খোৱা খৰচো বহন কৰে। তেওঁলোকক পেকেট লান্স দিয়াৰ ব্যৱস্থা কৰে। তেওঁলোকক চপোৱাৰ সময়তো মাতি লৈ আনি তেওঁলোকৰ আগত ধান মাৰি গুটি উলিয়াই আৰু সিচিবৰ সময়তো মাতে যাতে তেওঁলোকৰ সেই সঁচৰ প্ৰতি বিশ্বাস হয়। নহলে তেওঁলোকে হয়তো গৱেষণাগাৰত যে খেতি কৰা হৈছে বা ফচল কৰা হৈছে সেইটো বিশ্বাস নকৰিব পাৰে। গতিকেই চিনেমা দেখুওৱাৰ আৰু প্ৰয়োজন হৈ নপৰে। তেওঁলোকে তাত নিজে দেখি আহি কনভিন্স হৈ লগে লগে ধানৰ বীজ লৈ আহে। গতিকে আমাৰ প্ৰদেশত বীজ নিগম কৰিছে তেওঁলোকে সেই বীজ ব্যৱসায়ীকৰ পৰা কিনি আনি খেতিয়কক দিয়ে। সিও ভাল নহয়। অসমৰ বাওঁ ধান নিও উৰিষ্যাৰ সেই ক্ষেত্ৰক গৱে-ষণা কৰি ভালধৰণে কৰিব পৰা হৈছে। আজি আমাৰ কৃষি বিশ্ববিদ্যা-লয়ৰ লগত সম্বন্ধ ৰখাকৈ গৱেষণাৰ ক্ষেত্ৰত আগ বাঢ়িব লাগে। এপ-লাইড পাৰ্টটো বিশ্ববিদ্যালয়ৰ লগত থাকিব লাগে। প্ৰতি মহকুমাতে সেই-দৰে গবেষণা কেন্দ্ৰ পাতিব লাগে। গবেষণা পাৰ্টটো বিশ্ববিদ্যালয়ৰ লগত আৰু প্ৰডাকচনৰ পাৰ্টটো বিভাগৰ লগত দিলে তাৰ দ্বাৰা উপকৃত হব। উপাধ্যক্ষ মহোদয় ইয়াৰ লগতে মাৰ্কেটিংৰ কথা এটা আছে। কৃষিৰ ক্ষেত্ৰত কৃষকে উৎপাদনৰ যিটো বস্তু দাম পাব লাগে সেই বস্তুৰ দাম বহু ক্ষেত্ৰত পাব লগাকৈ নেপায়। ইয়াৰ কাৰণ কেইবাটাও আছে। তাৰে এটা

হল ট্ৰেন্সপৰ্ট। এই ট্ৰেন্সপৰ্টৰ সুবিধা কৰিব লাগে। অৱশ্যে এতিয়া বহুখিনি অসুবিধা দূৰ কৰিবলৈ কিছু পৰিমাণে পৰা গৈছে। আৰু আনটো হল কৃষকৰ উৎপাদিত বস্তুৰ কিছুমান মধ্যস্থত ব্যৱসায়ৰ হাতত পৰি দাম বাঢ়ি গৈছে।

আনহাতে আমাৰ সৰু সৰু খেতিয়ক সকলৰ এটা প্ৰধান সমস্যা হৈছে গৰু কিনা সমস্যা। এহাল সাধাৰণ গৰু কিনিবৰ কাৰণে তেওঁলোকক ১৫শ মানকৈ টকাৰ আৱশ্যক হয়। কিন্তু এইখিনিতে মই আমাৰ মাননীয় সদস্য শ্ৰীচামচুল হুদাই কোৱাৰ দৰে কবলৈ বাধ্য হৈছো যে যেতিয়া এই গৰু মহৰ বেমাৰ লাগে তেতিয়া তেওঁলোকে ভেটেৰীনাৰী বিভাগৰ ওচৰ চাপিব লগা হয়। কিন্তু সেই বিভাগেও উপযুক্ত ব্যৱস্থা সময়মতে লব নোৱাৰাৰ কাৰণে খেতিৰ সময়ত গৰু মহ মৰি যায় আৰু তাৰ ফলত আমাৰ দুখীয়া খেতিয়ক সকল নিৰুপায়ত পৰিব লগা হয়। সেই কাৰণে মই এটা পৰামৰ্শ দিব বিচাৰো যে এনেধৰণৰ খেতিয়ক সকলক সৰু সৰু ট্ৰেক্টৰ ভাড়াদি খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ যিবিলাক খেতিয়কে ট্ৰেক্টৰ ভাড়াত নিব নোৱাৰে তেওঁলোকক চৰকাৰৰ ফালৰ পৰা হাল বায় দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু আৱশ্যক হলে তেওঁলোকৰ যেতিয়া খেতি উঠিব তেতিয়া সেই খেতিৰ একাংশ কাটি অনাৰ ব্যৱস্থা কৰিলেও মই ভাবো তেওঁলোক তাৰ পৰা উপকৃত হব। কৃষিজাত দ্ৰব্যৰ ক্ষেত্ৰত মই আগতেও কৈছো যে আমাৰ দুখীয়া খেতিয়ক সকলে তেওঁলোকে উৎপাদন কৰা ফচলৰ এটা উপযুক্ত দাম পোৱাৰ ব্যৱস্থা কৰিব লাগে। কৃষিৰ আধুনিকিকৰণৰ কাৰণে উন্নত ধৰণৰ সাৰ-সজুলিৰ যোগান ধৰিব লাগে। ভাল সঁচৰ ব্যৱস্থা কৰিব লাগে। কীট পতঙ্গ নাশক ঔষধৰ, বেমাৰৰ পৰা খেতি ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ কৃষি বিভাগ আৰু বিশ্ব বিদ্যালয় দুয়ো একেলগে কাম কৰিব পাৰিলে নিশ্চয় উন্নতি হব। এইখিনিকে পৰামৰ্শ আগ বঢ়াই মোৰ বক্তব্য

সামৰণি মাৰিলো।

শ্ৰীইব্ৰাহীম আলি :— উপাধ্যক্ষ মহোদয়, ১৯৭৯-৮০ চনৰ বিত্তিয় বছৰটোৰ কাৰণে আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৬ কোটি ১ লাখ ৪৬ হাজাৰ ৭ শ টকা দাবী উত্থাপন কৰিছে। এই বৃহৎ পৰিমানৰ ধনৰ ১৫ কোটি ৯৮ লাখ ৪৬ হাজাৰ ৭ শ টকা ৰাজহৰ শিতানত ধৰিছে আৰু মূল-ধনৰ শিতানত ৩ লাখ টকা ধৰিছে। যিহেতু আমাৰ ৰাজ্যখনৰ ৮০ ভাগ মানুহেই কৃষিজীবি সেই ফালৰ পৰা এই ধন কম হৈছে। তথাপি কৰ্ত্তন প্ৰস্তাৱটো এই কাৰণেই তুলিব লগা হৈছে যে ধন খৰচ কৰি আমি যিখিনি উপকাৰ পাব লাগে সেই অনুপাতে চিৰাচৰিত দৃষ্টিত পোৱা নাযায়। কৰ্ত্তণ প্ৰস্তাৱ উৎথাপন কৰাৰ আৰু এটা যুক্তি হল জনতা দলৰ মাননীয় সদস্য শ্ৰীজীৱন বৰাৰ যুক্তি। তেওঁক সমৰ্থণ কৰি কবলৈ বিচাৰিছো যে আমাৰ কৃষি বিভাগটো যেন এটা পোষ্ট অফিচহে। পোষ্ট অফিচে নিজে নিজে উৎপাদনশীল কাম নকৰে। জন জীৱনৰ চাহিদা পূৰাবলৈ কৃষি বিভাগটো উৎপাদনশীল বিভাগ। কিন্তু এই বিভাগৰ কাৰ্য্য ব্যৱস্থাৰ ফালৰ পৰা ইমান বৃহৎ পৰিমানৰ ধন দিয়াৰ কোনো যুক্তি নাই। কৰ্ত্তন প্ৰস্তাৱটোৰ আৰু এটা যুক্তি আছে মূল ধনৰ শিতানত। মূলধনৰ শিতানত মাত্ৰ ৩ লাখহে টকা কৰা হৈছে। কৃষিৰ মুলধনৰ শিতানত বাৰুকৈয়ে অসন্তুষ্টি আৰু সমস্যা আছে। মূল ধনৰ শিতানত আৰু অধিক ধন ধৰা হলে ভাল আছিল। এই ধনৰ এটা অংশ ১ কোটি ৯২ লাখ টকা জনজাতিয় পৰিকল্পনাত ধৰা হৈছে। আমাৰ ৰাজ্যৰ জনজাতিয় মানুহখিনি অন্যান্য অঞ্চলৰ পিচপৰা মানুহতকৈ বেচি পিচপৰা। এই অনগ্ৰসৰতাৰ আলম লৈ এই মানুহখিনিৰ মাজত বাৰুকৈয়ে অসন্তুষ্টিৰ

সৃষ্টি হৈছে। সেই কাৰণে জনজাতীয় শিতানত আৰু কিছু ধন ধাৰ্য্য কৰা উচিত আছিল। কৃষিৰ শিতানত এই ধন বিনিয়োজন কৰাৰ ক্ষেত্ৰত আৰু কেইটামান কথা কব লগা হৈছে। আমাৰ কৃষিজীৱি মানুহ, চৰকাৰ বা আমোলাতন্ত্ৰ আৰু আমাৰ ব্যৱস্থা। আমাৰ কৃষিৰ অনগ্ৰসৰতা, ভৌগলিক দুৰৱস্থা, সমাজ ব্যৱস্থা, দুৰ্বল শাসন পদ্ধতিৰ কথা কবলৈ বিচাৰিছো। বাজেটত যি বহুত পৰিমাণৰ ধনৰ দাবী কৰিছে সেই ধনৰ যথাৰ্থ ব্যৱহাৰ চৰকাৰী যন্ত্ৰৰ ওপৰত অধিক নিৰ্ভৰ কৰে। কৃষি বিষয়টো এটা গুৰুত্বপূৰ্ণ বিভাগ। এই গুৰুত্বপূৰ্ণ বিভাগটোত যিখিনি মানুহ নিয়োজিত হৈ আছে সেই মানুহখিনিৰ দায়িত্ব নিশ্চয় বহুত বেছি। এইক্ষেত্ৰত আমি ১৬ কোটি টকা ধৰিছো। এই ধন কৰ পৰা আহিছে? আমাৰ জাতীয় আয় প্ৰায় ৬০ শতাংশ আছে দৰিদ্ৰ গাৱঁবাসীৰ পৰা। ৮০ শতাংশই আহে কৃষিজীৱি মানুহৰ পৰা। যিহেতু এই ৮০ শতাংশ ধন কৃষিৰ পৰা আহে সেই ফালৰ পৰা এই ধন অতি নগন্য হৈছে। এই ক্ষেত্ৰত ইয়াৰ আগতে যি পৰিমান আছিল তাতকৈ মাত্ৰ ৬ শতাংশ বাঢ়িছে। ঢাক-ঢোল কোবোৱা হৈছিল কৃষি বিপ্লৱৰ নামত। বাজেটত তাৰ যথাৰ্থতা ক'ত? কথামতে কাম হোৱা নাই। সেইকাৰণে মই কবলৈ বিচাৰিছো যে এজন অতীব বৃদ্ধ মানুহক অধিক বোজা দিলে যি অবস্থা হয় তেনে এটি অৱস্থা আমাৰ কৃষি বিভাগটোৰে হোৱা পৰিলক্ষিত হৈছে। আমাৰ ৮০ শতাংশ মানুহ যিসকলে একমাত্ৰ কৃষিৰ ওপৰত নিৰ্ভৰ কৰি চলিব লগা হয় তেওঁলোকক আৰ্থিক নোটত মটি দিয়াৰ কাৰণে সুব্যৱস্থা কৰিব পৰা নাই। আমাৰ যিসকল অতি দৰিদ্ৰ খেতিয়ক আছে তেওঁলোকৰ দায়িত্ব আমাৰ চৰকাৰে লব লাগিছিল। চৰকাৰৰ এটা কৃষি-

পাম নিগম বিভাগ আছে। সেই বিভাগৰ কাম হল ক্ষুদ্র, উপান্ত কৃষকৰ মাটি বিলাক জোট কৰি সমবায়িক কৰি সৃষ্টি কৰা। কৃষিপাম নিগমৰ বৰ্ত্তমান অৱস্থা আলত ধৰা বুঢ়াতকৈ শোচনীয় ও অচল হৈছে। কৃষি-পাম নিগমৰ লগতে সাৰ নিগম, বীজ নিগম এইবিলাকৰ বিশেষ সম্পৰ্ক থকা উচিত আছিল। কিন্তু কৃষিপাম নিগমত যি ধন অপচয় কৰা হৈছে সেই অপচয় আজিৰ বিধান সভাই ক্ষমা কৰিলেও ইতিহাসে ক্ষমা নকৰিব। চৰকাৰে বেলেগ বেলেগ শিতানত ধন ধৰিছে। কৃষি শিক্ষা লাভ কৰাৰ কাৰণে ২-৩ খন বিশ্ববিদ্যালয় কৰা হল। কিন্তু অৱস্থাৰ পৰিবৰ্ত্তন নহল। আমাৰ কৃষি বিশ্ববিদ্যালয়ৰ পৰা যিবিলাক লৰা-ছোৱালী ওলাই আহে তেওঁলোকে চাকৰি মুখী দৃষ্টি পূৰণ কৰিবলৈহে এই বিশ্ববিদ্যালয় বা কলেজলৈ পঢ়িবলৈ আহে। তেওঁলোকে ভাবে যে কৃষি কলেজত নাম লগালে সোনকালে চাকৰি পাব। এই কলেজত নাম লগোৱাৰ সময়ত ওপৰোক্ত যুক্তিবিলাক দেখুৱাই লৰাই যেতিয়া নিজৰ অভিভাৱকক সোধে তেতিয়া অভিভাৱকেও সেই মতামতত হয়ভৰ দিয়ে। প্ৰকৃততে কৃষি-কাৰ্য্যক জীৱনৰ ব্ৰত বুলি ধৰিবলৈ ছাত্ৰ-ছাত্ৰী খুউব কম আহে।

মই সুধিব খুজিছো যে কৃষি কলেজৰ পৰা ডিগ্ৰী স্নাতক আৰু কৃষিৰ বাস্তৱ সমস্যাৰ লগত পৰিচিতি আছে নে! চৰকাৰৰ কৃষি বিভা-গটোৱে কৃষকৰ মাজত কোনো প্ৰভাৱ পেলাব পাৰিছেনে? সাধাৰণ কৃষক সকলৰ মাজত আক্ষৰিক জ্ঞান থকা সকলক অঞ্চল ভিত্তিত এটা হ্ৰস্ব-কালীন প্ৰশিক্ষণ ব্যৱস্থা (৬ বা ৩ মহিয়াকৈ) কৰিব পৰা যায়। অৱশ্যে কেতিয়াবা দুসপ্তাহকৈ শিক্ষা দিয়া হৈছে। কিন্তু প্ৰশ্ন হ'ল দুই সপ্তাহৰ পাচত তেওঁলোক গাওঁলৈ গৈ খণ্ড উন্নয়ন বিষয়াৰ

লগত লগ লাগি কিবা ব্যৱস্থা কৰিছে নে নাই? কৃষকৰ ল'ৰা হিচাবে মই গৌৰৱ বোধ কৰো। কৃষকৰ অৱস্থা শোচনীয়। কৃষি জীৱী সকল মজদুৰত পৰিণত হৈছে। ৮/১০ জনকৈ কাম কৰা কৃষি পৰিয়ালে গোটেই বছৰ ধান চাউল কিনি খাবলগীয়া হৈছে। মই কৃষি বিভাগৰ বিষয়ে এটা বিশেষ অভিযোগ উৎথাপন কৰিব খুজিছো যে, যোৱা দেৰ বছৰে কৃষিজাত সামগ্ৰীতকৈ ফলজাত সামগ্ৰীৰ দাম তুলনামূলক ভাৱে বেচি হৈছে। তেল গুটিৰ দামতকৈ তুলনাত তেলৰ দাম বেচি বাঢ়ি গৈছে। মৰাপাতৰ দামতকৈ মৰাপাত জাতীয় বস্তুৰ দাম বাঢ়ি গৈছে। কৃষক সকলৰ পৰা কম দামতে কেচা মাল কিনি লৈ ফিনিচ প্ৰাডাক্ট বিলাক তৈয়াৰ কৰি মধ্যস্বত্ব ভোগীয়ে বেচি পৰিমানে লাভ কৰে। কৃষক সকলে তেলৰ গুটি উৎপন্ন কৰে কিন্তু খাটি মিঠাতেল নাখায়। খাটি মিঠাতেল খায় চহৰবাসী ও মিল মালিক সকলে। উপাধ্যক্ষ মহোদয়, কৃষি উৎপাদন আৰু মিল সামগ্ৰীৰ দামৰ উচ্চ প্ৰভেদ। ইয়াৰ লগে লগে মই আৰু এটা কথা কব খুজিছো যে, প্ৰদৰ্শন মূলক কাৰ্য্য এৰিয়া ডেভেলাপমেণ্ট আৰু ইনটেনচিভ এগ্ৰিকাচাৰেল ডেভেলাপমেণ্ট বুলি দুটা শিতান আছে। ইয়াত ১৯'৯৭ হাজাৰ ৪ শ টকা ধৰা হৈছে। আৰু হাইলডিংৰ কাৰণে ১৯ লাক্ষ টকা ধৰা হৈছে। এই বিভাগটোৰ এটা ওপৰ গধুৰ হৈ পৰিছে। আমোলা সকল কৃষকৰ জীৱনৰ পৰা বহু আতৰত। আন্তৰিকতা নাই। দায়িত্ব বোধৰ অভাৱ হৈ পৰিছে। কৃষি বিষয়া জন কৃষি বিষয়ত বিশেষজ্ঞ। তেখেতৰ ডিগ্ৰী কাগজত লিখা থাকে। তেখেত কৃষি উন্নয়নৰ ক্ষেত্ৰত বেমাৰী ডাক্তৰৰ ওচৰলৈ যিদৰে যায়, তেনেকৈ সাধাৰণ কৃষক সকল কৃষি বিভাগলৈ অহা-যোৱা নকৰে। ইয়াৰ

কাৰণ হৈছে ওপৰ গধুৰ আমোলাতান্ত্রিক আৰু হোৱাইট কালাৰ মেন- টেলিটি। কৃষি বিভাগৰ লগত সাধাৰণ কৃষকৰ যি সম্পৰ্ক সি সতীয়া মাকৰ সম্পৰ্কৰ দৰে। মহকুমাত মহকুমা বিষয়া তেওঁৰ অধীনত ব্লক কৃষি বিষয়া। তলত গ্ৰাম সেৱক-সেৱিকাকে ধৰি বহু বিলাক কৰ্ম্মচাৰী আছে। বাকী বিলাকৰ কথাই নকও, গাৱঁৰ গ্ৰাম সেৱক-সেৱীকাৰ ওচৰলৈ কোনোবা খেতিয়ক গলে ঔষধ-পাতি কিবা দিব লাগিব বুলি মুৰ কামোৰণি হোৱা বুলি শুই থাকে। চৰকাৰী বিষয়া সকলৰ দক্ষতাৰ অভাৱত কৃষি বিভাগৰ নামত অযথা টকা-পইচা অপচয় হৈছে। মই কম্পটলাৰ জেনেৰেলৰ ৰিপোৰ্ট পঢ়ি দিব বিচাৰিছো।

During June, 1976, the District Agricultural Officer, Nowgow spent Rs. 0.15 lakh on raising rice seedlings ( high-yielding variety ) in 45 acres of a nursery seed farm. It was seen in audit ( June 1977 ) that out of 26,202 bundles of seedlings raised, only 7,540 bundles were sold for Rs. 3,77·/-; the remaining 18, 622 bundles which remauined unutilised in the seed-bed got damaged.

উপাধ্যক্ষ মহোদয়, মই জনাত আহিন কাতি মাহত অসমীয়া মানুহে আলু খেতি কৰিবলৈ বজাৰলৈ নিজৰ গহনা পাতি বন্ধক দি হলেও আলু গুটিৰ বীজ নিবলৈ আহে। কিন্তু কথা হৈছে কিমান হাজাৰ আলু গুটিৰ বস্তা বিভাগৰ নষ্ট হ'ল। বিভাগীয় বিধান আৰু সাহাৰ্য্য সদায় ৰঙা ফিতাৰ মেৰপাকত হেৰাই যায়। প্ৰকৃত কথা তল পৰে। এনেকুৱা

বিলাক কথা ৩২ বছৰে দায়ীত্ব বুলি বহুতেই কৈ আহিছে। উপাধ্যক্ষ মহোদয়, এই বিষয়টো ১৯৭৬ চনৰে কিন্তু আজিলৈকে একো কৰা নাই। পেনডিং হৈ আছে। জনতা চৰকাৰৰ প্ৰতিশ্ৰুতি ভঙ্গ হৈছে উপাধ্যক্ষ মহোদয়, মোৰ গুৰুতৰ অভিযোগ হ'ল, আমাৰ ৰাজ্য খনৰ কৃষক সকলৰ অভাৱ অভিযোগ বিলাক কেন্দ্ৰ কৰি সস্তিয়া ৰাজনীতি খেলা লোক সকলে দলীয় দোষ। আগৰ দোষ পিছৰ দোষ এই বুলি কৈয়েই এৰাই যাব খোজে। অধ্যক্ষ মহোদয়, কোন সময়ত কোন জন কোন দলৰ মন্ত্ৰী আছিল সেইটো ডাঙৰ কথা নহয়। কিন্তু কথা হ'ল কোনটো বিভাগ। কৃষি বিভাগে দৰিদ্ৰ কৃষক সকলক অৱহেলা আৰু প্ৰবঞ্চনা মনোবৃত্তিৰে চাই আহিছে। সেই মনোবৃত্তি যাতে চলি নাথাকে। উপাধ্যক্ষ মহোদয়, এভিয়া অন্য এটা কথালৈ আহো, কৃষিৰ উৎপাদন বিলাকৰ বজাৰ দৰ নিয়ন্ত্ৰন আৰু ইয়াৰ জোখ মাখৰ ৰক্ষণাবেক্ষণ কৰিবলৈ দুটা বিভাগ আছে। বৰপেটাতে ওৱেটচ এণ্ড মিজাৰৰ অফিচ আছে। আমোলা সকলে অঞ্চলটোৰ কৃষি সামগ্ৰীৰ নায্য দাম, জোখ-মাখ আদিলৈ লক্ষ্য ৰাখিছেনে? বৰপেটা অঞ্চলত থকা পাচ খন বজাৰৰ কোনোখনতেই কোনোদিন যোৱা দেখা নাই। এই শিতানত খৰচ হয় সাত লাখ দহ হাজাৰ টকা আৰু সেইদৰে প্ৰাইচ কণ্ট্ৰলত দুই লাখ টকা। এই বিলাক ব্যয় বহুল বিভাগবোৰে কৃষি সামগ্ৰীৰ বজাৰ দৰ এই সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব লব লাগিছিল। কিন্তু সেই দায়িত্ব বিভাগে পালন কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ কৃষিযোগ্য মাটি কিমান আছে তাৰ এটা শুদ্ধ চাৰ্ভে হোৱা নাই। কিমান উৎপাদন হয় তাৰো কোনো সঠিক হিচাব হোৱা নাই। ক্ৰেচ ক্ৰপ বা কমাৰ্চিয়েল ক্ৰপৰ কাৰণে কিমান

মাটি আছে তাৰ যথাযথ চাৰ্ভে হোৱা নাই। আমাৰ মাননীয় মন্ত্ৰী সোনেশ্বৰ বৰা ডাঙৰীয়াই কাহানিবাই কৈছিল। মই কাৰ্য্যবিৱৰণী পঢ়ি চাইছো। ক্ৰেচ ক্ৰেপৰ কাৰণে কিমান খিনি সংৰক্ষিত মাটি লাগে, ৰবিশস্যৰ কাৰণে কিমান খিনি সংৰক্ষিত লাগে তাৰ এটা ডিমাৰ্কেশ্যন কৰিব লাগে। সেইটোও হৈ উঠা নাই। ক্ৰেচ ক্ৰপৰ কাৰণে তেৰ লাখ, মৰাপাটৰ কাৰণে পোন্ধৰ লাখ, কুহিয়াৰৰ কাৰণে তিনি লাখ আৰু তামোল পানৰ কাৰণে এক লাখ টকা ধৰা হৈছে। তামোল পাণত মাত্ৰ এক লাখ টকাহে ধৰা হৈছে। অসমীয়াত এটা প্ৰবাদ আছে 'তামোল পাণ বটা নাই সিও-অসমীয়া ভাই।' এইটো পৰিতাপৰ কথা। ভাৰতৰ ভিতৰতে অসমত তামোল যেছি উৎপাদন হয়। তামোল পাণৰ কাৰণে টিলা আৰু পাহাৰ এলেকাত সম্প্ৰসাৰিত ভিত্তিত তামোল পাণৰ খেতি কৰিব পাৰি। সংশ্লিষ্ট বিভাগে ইয়াৰ ওপৰত ব্যৱস্থা ললে যথেষ্ট লাভবান হব পৰা যাব।

উপাধ্যক্ষ মহোদয়, প্ৰচুৰ সম্ভৱনা থকা সত্বেও অতি কম মাটিত খেতি কৰা হয়। কুহিয়াৰৰ দৰে ই কৰাও হয়। অসমৰ পেলনীয়া চৰ মাটিবোৰত ইকৰাৰ খেতি কৰিব পৰা যায়। ব্ৰহ্মপুত্ৰ এলেকাৰ অন্ততঃ তিনি ভাগৰ এভাগ মাটিতো যদি ইকৰা বা বিৰিণা কৰিব পৰা যায় তেতিয়া হলে অসম টাইপ ঘৰ সজোৱাৰ কাৰণে যথেষ্ট অভাৱ দূৰ হব। গুৱাহাটীৰ বজাৰত কম পক্ষেই সৰু ইকৰাৰ আটিত পাচ টকাৰ কম নহয়। এই ঘৰুৱা মাটিত মিঠা আলুৰ আৰু গমৰ খেতি প্ৰচুৰ কৰিব পৰা যায়। এই দিশত যথেষ্ট নজৰ দিব লাগে। কিয়নো দুখীয়া সকলৰ কাৰণে মিঠা আলু এটা সুখাদ্য। ভাজি, পুৰি বা সিদ্ধ কৰি খাব পাৰি। প্ৰোটিনো

আছে ভাল। ইয়াৰ ওপৰিও চৰ চাপৰি বিলাকত যদি গম, চীনাধান আৰু আলু খেতিত জোৰ দিয়া হয় তেতিয়াহলে ভাত থকা দৰিদ্ৰ কৃষিজীৱী সকলে যথেষ্ট উপাৰ্জন কৰিব পাৰিব। চৰ উন্নয়ণত পৰীক্ষামূলক কৃষি-কাৰ্য্য অতি প্ৰয়োজনীয়।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমত বহু খাল-বিল, ডোবা আৰু পিটনি আছে তাত শেলুখ আৰু ভেটৰ খেতি ভাল ধৰণে কৰিব পাৰি। শেলুখ বৰ প্ৰোটিনযুক্ত। আমাৰ বুঢ়া বুঢ়ী সকলে আহিন কাতি মাহত শেলুখ বিচাৰ কৰি খাইছিল। সেই পিটনিত হোৱা শেলুখৰ দ্বাৰা যথেষ্ট উপাৰ্জন তুয়োপাৰৰ দৰিদ্ৰ লোকৰ হব পাৰে। তাৰ উপৰিও সেই পিট-নিত মাছ পোহা যদি হয় তেতিয়াহলে তাৰ পৰাও উপাৰ্জন হব পাৰে। অসমৰ অনাবাদী মাটিত এইদৰে বিকল্প উপাৰ্জন সম্ভৱ।

উপাধ্যক্ষ মহোদয়, কৃষি বিভাগে তথ্য পাতিব কাৰণে টকা ধাৰ্য্য কৰিছে ১৩ লাখ ৫০ হেজাৰ, কৃষি গবেষণাৰ কাৰণে ৩০ লাখ টকা আৰু মাটি আবাদী কৰণৰ বাবে ৩৫ লাখ। কিন্তু কথা হল অসমৰ মাটিৰ সম্পৰ্কে চৰকাৰে যি তথ্য সংগ্ৰহ কৰিছে— সেই তথ্যৰ ওপৰত নিৰ্ভৰ কৰি যোৱা দুটা বছৰে কিমান নতুন মাটি আবাদীকৰণ কৰা হল তাৰ হিচাব ইয়াত ৰাখিব পাৰিবনে? তথ্যক কেন্দ্ৰ কৰি নতুন অভিলেখ স্থাপন কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, ভূমিৰ ক্ষেত্ৰত পাহাৰী অঞ্চলত যিমান খেতি কৰিব পাৰি আমাৰ ভৈয়াম অঞ্চলত তাতোকৈ বেছি খেতি কৰিব পাৰি। কিন্তু বৰষুণৰ পানীৰ কাৰণে বৈ থাকি আমাৰ কৃষক সকলে কাৰ্য্যতঃ

বহাগ মাহতহে মৰাপাট আৰু আহুধান সিচিব লগা হয়। যান্ত্ৰিক ব্যৱস্থাৰ দ্বাৰা পানী যোগান ঠিক হলে ফাগুন মাহতে সিচাঁ ধান জেঠ মাহত কাটিব পাৰি। তেনেকুৱা এটা সুন্দৰ স্কীম আমাৰ কৃষি বিভাগৰ থাকিব লাগিছিল সেইটো কিন্তু নাই। শেষত মই কব বিচাৰিছো যে— আমাৰ কৃষি জীৱি মানুহখিনিৰ কাৰণে আমি দুটা ব্যৱস্থা লব লাগিব। মাটি আৰু কৃষকৰ সংখ্যা কিমান? কৃষকৰ কিমান অংশ আমি অৰ্থনৈতিক ভাবে কৃষিত নিয়োগ কৰিব পাৰি আৰু কিমান মানুহ বেছি হব— তাৰ এটা সঠিক হিচাব উলিয়াই সেই বেছি মানুহখিনিক কৃষিভিত্তিক শিল্পত নিয়োগ কৰাৰ সময় নিৰ্দ্ধাৰিত আঁচনি লব লাগে। তেতিয়াহলে কৃষক সকলক লৈ কোনো ৰাজনীতি কৰাৰ সুযোগ নাথাকিব। লগতে কৃষক সকলক ফাকি দি দুই চাৰিজনে বিল্ডিং সজাৰ সুযোগ নহব।

উপাধ্যক্ষ মহোদয়, মোক ইমান সময় আলোচনা কৰিবলৈ সুযোগ দিয়াৰ বাবে আপানাক ধন্যবাদ জনাইছো। লগতে কৃষি বিভাগৰ আমোল পৰিৱৰ্ত্তন কৰি অসমৰ কৃষি ব্যৱস্থাৰ পৰিবৰ্ত্তন সাধন কৰি কৃষিজীৱী মানুহৰ জীৱিকা সুচল কৰিবলৈ আহবান জনাই বক্তব্য সামৰিছোঁ।

শ্ৰীগোলক কাকতি :— উপাধ্যক্ষ মহোদয়, কৃষি বিষয়ত মঞ্জুৰী দিবৰ কাৰণে মই উপকৃত হৈছো। বিভিন্ন বক্তাই যোৱা কেইবছৰ খেতিয়ক সকলৰ প্ৰতি চৰকাৰৰ মাহী আইৰ চেনেহৰ কথা উল্লেখ কৰিছে আৰু পূৰ্ব্ব চৰকাৰে কৰা বহুতো দোষ-ত্ৰুটিৰ কথাও আলোচনা কৰিছে।

আৰম্ভণিতে কওঁ যে যি আঁচনিয়েই আমি গ্ৰহণ নকৰো কিয় তাত এটা নিষ্ঠা থাকিব লাগিব। সেই আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে যি

কেইটা মূল বস্তু লাগে সেইখিনি মিলাব লাগিব। যি আঁচনিয়েই নকৰক সেই আঁচনিৰ লগত চৰকাৰ, চৰকাৰী যন্ত্ৰ আৰু জনশক্তি এই তিনিটা বস্তুৰ মিল থাকিব লাগিব। মোৰ অভিজ্ঞতাৰ পৰা বুজা গৈছে যে এই তিনিটা প্ৰধান বস্তুৰ মহা মিলনেহে আমাৰ আদৰ্শৰ শুদ্ধ ৰূপায়ণ হব পাৰে। এইটো নাহোৱাৰ কাৰণে আজি এনেদৰে হৈছে। আমাৰ কথা এষাৰ শাস্ত্ৰত আছে—

"আপুনি আচৰি ধৰ্ম্ম পৰক শিকায়।
সেইটো সিদ্ধান্ত গীতা ভাগৱতে কয়"।।

যেতিয়া আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰে গ্ৰহণ কৰে তেতিয়া চৰকাৰী শক্তি চৰকাৰী যন্ত্ৰপাতি অৰ্থাৎ বিষয়া সকলোৱে নিশ্চয় আঁচনি কাৰ্য্যকৰী কৰিবই লাগিব বুলি তেওঁলোকে কাৰ্য্যতঃ আচৰণ কৰিব লাগিব। আমাৰ জনতা চৰকাৰ হোৱাৰ পিচত কৃষিমন্ত্ৰী শ্ৰীবৰাই নাঙলৰ খুটিত ধৰোতে মানুহে উপহাস কৰিছিল। মন্ত্ৰী হৈ নাঙল ধৰাতকৈ এজন ভাল খেতিয়ক হোৱাই ভাল আছিল তেতিয়াহলে বেলেগ এজনক মন্ত্ৰীৰ গাদীত আনিব পাৰিলেহেঁতেন। এই উপহাস মই বুজি নাপাওঁ। নাঙল ধৰি অসমৰ খেতিয়ক সকলৰ লগত খেতি কৰি সমস্যা সমাধান কৰাৰ কাৰণে তেখেতে ভবা নাই। তেখেতে হাড়ে হাড়ে খেতিয়ক, মনে-প্ৰাণে খেতিয়ক আৰু তেজে-মঙহে খেতিয়ক এইটো বুজাবৰ কাৰণেহে তেখেতৰ এই চেষ্টা। এই ক্ষেত্ৰত যোৱা কংগ্ৰেছ চৰকাৰৰ আমোলত যিবোৰ অসোঁৱাহ হৈছিল সেই বিলাকৰ কাৰণে চৰকাৰী বিষয়া সকলক বিভিন্ন ভাবে জগৰীয়া কৰি সাৰি যাব খোজা হৈছে। কেৱল চৰকাৰী বিষয়া সকলেই সকলো বিষয়ৰ দায়িত্ব ললেই কাম নহব; চৰকাৰী বিষয়াই দেশৰ আদৰ্শৰ লগত ৰাজ্য

খনৰ চৰকাৰৰ আদৰ্শৰ লগত মিলিবৰ কাৰণে আৰু জনসাধাৰণক তাৰ লগত মনে-প্ৰাণে সম্পূৰ্ণ ভাবে জড়িত কৰিবৰ কাৰণে যি চৰকাৰ গাদীত আছে সেই চৰকাৰৰ সম্পূৰ্ণ দায়িত্ব আছে। কিন্তু সেই চৰকাৰ আদৰ্শ বিলোপ কৰি ৰাইজৰ মাজত আঁচনি ডাঙি ধৰিলে তাৰ ফল ৰাইজে ভোগ কৰিব নোৱাৰিব।

অসম এখন কৃষি প্ৰধান দেশ। শতকৰা ৮৫ জন মানুহেই খেতিয়ক। ইয়াত শিল্প উদ্যোগ গঢ়ি উঠিব পৰা কথাটো যদি ভাৰতৰ অন্যান্য ৰাজ্যই বুজি নাপায় তেতিয়াহলে অসমক কেৱল কৃষি কাৰ্য্যতেই আগবঢ়াই নিবলৈ বিচাৰিলে তাত কোনো প্ৰতিবাদ কৰোতা নোলাব। অসমৰ পূৰ্ব্বৰ খেতিয়ক সকলে কম পৰিশ্ৰম কৰিয়েই বা দুজনমান শ্ৰমিকে দুঘন্টামান পথাৰত কাম কৰিয়েই ধানেৰে ভড়াল ভৰাই পেলাইছিল এতিয়া কিন্তু সেইটো দিন নাই, সেই দিন কেতিয়াবাই পাৰ হৈ গল। এতিয়া আমাৰ খেতিয়ক সকলে দেশৰ আঁচনিৰ লগত সঙ্গতি ৰাখি অধিক উৎপাদনৰ কাৰণে যিটো চেষ্টা কৰিব লাগিছিল সেই চেষ্টাত যথেষ্ট বাধা পোৱা গৈছে।

আমাৰ বহুতো মন্ত্ৰীয়ে, বহুতো মেম্বাৰে, বহুতো মহকুমা পৰিষদৰ কাউন্সিলৰে প্ৰগতিশীল খেতিয়কৰ নামত বহুতে আদৰ্শ চাবলৈ অসমৰ বাহিৰলৈ গৈছিল. পাঞ্জাৱ হাৰিয়ানালৈ গৈছিল। পাঞ্জাৱ হাৰিয়ানালৈ গৈ তেওঁলোকে কৃষি চাই আহিছে আৰু তাতেই সন্তুষ্ট লভিছে। ফটো আদিও তুলিছে আৰু তাৰ কাৰণে লাখ লাখ টকাৰ ৰাজহ ব্যয় কৰিছে। তালৈ গৈ মন্ত্ৰী এম, এল, এ সকলে যিখিনি ধন ব্যয় কৰিলে সেই ৰাজহখিনি আমাৰ কৃষিৰ কাৰণে ঠেলি দিয়া হলে আমাৰ পথাৰ পঞ্জাৱৰ পথাৰৰ দৰে হলহেঁতেন আৰু আমাৰ খেতিও হাৰিয়ানাৰ খেতিৰ দৰে হলহেঁতেন।

কৃষিৰ বাবে বহুতো চেমিনাৰ আদি কৰিলে, বহুতো ভোজ হৈ গল আৰু বহুতো ফটো তুলিলে সেই ফটো আজি মন্ত্ৰী বিষয়া সকলৰ ঘৰে ঘৰে। তাৰ কাৰণে লাখ লাখ কোটি কোটি টকা খৰচ কৰিলে! কিন্তু সেই ফটো বিলাকে অমোৰ খেতিয়ক সকলক কিমান প্ৰেৰণা যোগাইছে সেইটোহে আচল প্ৰশ্ন। আমাৰ খেতিয়ক সকলৰ গাত ৰঙা তেজ আছে তেওঁলোকৰ মনত উৎসাহ আছে কিন্তু সেই উৎসাহ দিনে দিনে পানী হৈ যাব ধৰিছে। আমাৰ খেতিয়ক সকলক যদি সচাকৈ আগবঢ়াই নিবৰ কাৰণে একোটা নীতি লোৱা যায় তেতিয়াহলে সেই নীতি নিশ্চয় কামত খটাব লাগে। গতিকে চৰকাৰে যি নীতিয়েই নলওক কৃষিৰ ক্ষেত্ৰত বৈপ্লবিক কৃষি প্ৰণালীৰ জৰিয়তে আমি আগবাঢ়ি যাব লাগিব।

উপাধক্ষ্য মহোদয়, যোৱা ৩০ বছৰে ৰাইজৰ মাজত যি হতাশাৰ সৃষ্টি হৈছিল, আজি আকৌ সেই একে হতাশাই দেখা দিছে। আজি আমাৰ দেশৰ মূল সমস্যা কি? এই সম্পৰ্কে আমাৰ মাননীয় সদস্য জীৱন বৰা ডাঙৰীয়াই কৈছেই। যে, তেখেতৰ বাবে মূল সমস্যা হৈছে মাটি। যোৱা জৰুৰী কালিন অৱস্থাৰ সময়ত আমি বাতৰি কাকত আৰু ৰেডিঅৰ যোগে আমাৰ মাটিহীন খেতিয়কৰ সকলো সমস্যা সমাধান হল বুলি প্ৰচাৰ হোৱা শুনিছিলো। শুনা গল লাখ লাখ হাজাৰ হাজাৰ মানুহক মাটি বিতৰণ কৰা হল। কিন্তু দুৰ্ভাগ্যৰ কথা যে বাস্তৱত কোনো মানুহে মাটি নাপালে। মাত্ৰ এই ধৰণৰ বাতৰিয়ে বাতৰি কাকত শুৱনি কৰি তুলিলে। কাগজৰ পিঠি পুৰাই সকলো মানুহকে খেতিৰ মাটি দিয়া হল বুলি নানা ধৰণৰ ধুনীয়া ধুনীয়া বাতৰি ওলাল। অথচ আজি দুখীয়া নিচলা মানুহে মাটিৰ কাৰণে হাবাথুৰি খাব লাগিছে। গতিকে আমাৰ প্ৰধান

দায়িত্ব এই যে, আমি কৃষকক প্ৰথমে মাটি দিব লাগিব ই হব আমাৰ প্ৰাৰম্ভিক কাম। গতিকে আমি মাটি দুখীয়া কৃষকক প্ৰথমে দিয়াৰ বাবে চিন্তা কৰিব লাগিব। কৃষি কাৰ্য্যৰ উন্নতি কৰিবলৈ হলে আমি খেতি-য়কক মাটি দিব লাগিব। মাটিহীন খেতিয়কক মাটি দিবৰ কাৰণে চেষ্টা কৰিম। আমাৰ যি জলসিঞ্চনৰ আঁচনি কৰা হৈছে, এই আঁচনিৰ ফলত ৪-৫ বিঘা মাটিৰ গৰাকী সকল মাটিহীন হল। জলসিঞ্চনৰ যোগেদি ৩-৪ টা খেতি কৰাৰ কথা আছিল আৰু আমাৰ ৰাইজে খেতি কৰাৰ সেই সপোন দেখিছিল কিন্তু আজি সেই সপোন দিথকত পৰিণত হোৱা নাই। যি সকল খেতিয়কৰ মাটি আছে সেই সকলক অন্যান্য সা-সুবিধা দিব লাগে। এতিয়া গৰুৰ দাম হালে ১ হাজাৰ, ১৫ শ টকালৈ উঠিছে আৰু ভাল গৰুৰ দাম ২॥ হাজাৰ ৫ হাজাৰ হৈছে। এই গৰু কিনিবৰ কাৰণে দুখীয়া খেতিয়কে মহাজনৰ ওচৰৰ পৰা টকা ধাৰে নিয়ে আৰু তেওঁৰ খেতিৰ আধা মহাজনক অতি কম মূল্যতে দিব লগা হয়। আৰু গৰু কিনাৰ পিচত যদি গৰুৰ বেমাৰ হৈ চিকিৎসাৰ অভাবত মৰে তেনেহলে খেতিয়কজনে হিয়া ভুকুৱাই মৰিব লগা হয়। দুখীয়া কৃষকে খেতি কৰিবলৈ একনো সুবিধা পোৱা নাই আৰু ঋণ লৈ সংসাৰ চলাবলৈ বৰ অসুবিধা হয়। আজি আমাৰ চৰকাৰে যান্ত্ৰিক ব্যৱস্থাৰে খেতি কৰাৰ কথা চিন্তা কৰিছে। কিন্তু আজি কিমান মানুহে যান্ত্ৰিক পদ্ধতিৰে খেতি কৰাৰ সুবিধা পাইছে? আজি কিমান খেতিয়কে ট্ৰেক্টৰ ব্যৱহাৰ কৰিছে? এই ট্ৰেক্টৰ ব্যৱহাৰ কৰিছে ধনী মহাজন সকলে। দুখীয়া খেতিয়ক সকলে এইটো কাম কৰিব পৰা নাই। আমাৰ দুখীয়া খেতিয়কে পুৰণি কলিয়া পদ্ধতিৰে খেতি কৰি আছে। গতিকে আমাৰ নতুন চৰকাৰে খেতিৰ ব্যৱস্থা কৰি-

বলৈ গৈ খেতিয়ককৰ সকলো ৰকমৰ সা-সুবিধা কৰি দিব লাগে।

উপাধ্যক্ষ মহোদয়, ইয়াৰ পিচত মই সঁচৰ সম্পৰ্কে কওঁ যে, দুখীয়া নিচলা খেতিয়কে আজি ভাল সঁচৰ অভাবত খেতি কৰিব পৰা নাই। গতিকে খেতিয়কক আমাৰ চৰকাৰে ভাল সঁচৰ ব্যৱস্থা কৰি দিবলৈ চিন্তা কৰিব লাগে। আগৰ বছৰ চৰকাৰে খেতিয়ক সকলক যিবিলাক সঁচৰ যোগান ধৰিছিল সেই সচৰ খেতি কৰাৰ পিচত দেখা গল যে, গছ গজিল কিন্তু গছ বিলাকত গোট নধৰিল। এই কথা অৱশ্যে আমাৰ মন্ত্ৰী মহোদয়েও জানে। গতিকে যিবিলাক সঁচৰ দ্বাৰা অধিক শস্য উৎপাদন হব পাৰে তেনে ধৰণৰ সঁচৰ যোগান ধৰাৰ ব্যৱস্থা আমাৰ কৃষি বিভাগে কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, ইয়াৰ পিচত মই সাৰৰ সম্পৰ্কত কব বিচাৰো। আগৰ দিনত সাৰৰ দাম আছিলে কিলোই প্ৰতি ছয় আনা। এতিয়া সাৰৰ দাম হৈছে ২৷৷ টকা আৰু ৩ টকা। ইমান দাম দি আমাৰ খেতিয়কে সাৰ কিনে কেনেকৈ? ইয়াৰ উপৰিও আজি যিবিলাক পোক পৰুৱাই খেতি নষ্ট কৰিছে সেই বিলাক ধ্বংশ কৰাৰ ব্যৱস্থা কৰিব লাগে। মহোদয়, আমাৰ অসমত শতকৰা ৫০ ভাগ মানুহে সাৰ কিনি, গৰু কিনি খেতি কৰিব নোৱাৰে। গতিকে আমাৰ চৰকাৰে চিন্তা কৰিব লাগিব যে কোন-বিলাক মানুহক সহায় কৰিলে আমাৰ ৰাজ্যৰ কৃষিৰ উন্নতি হব। এই-সকলোবিলাক কথালৈ লক্ষ্য কৰি আমাৰ চৰকাৰে খেতিৰ সা-সজুলি ৰাই-জক দি সহায় কৰিব লাগে। আজি কৃষিৰ কাৰণে যি ১৬ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে অসমৰ খেতিয়কৰ কাৰণে এইটো বেছি হোৱা নাই,

বৰঞ্চ কমহে হৈছে। এই টকা বৃদ্ধি কৰিব লাগিছিল কি কাৰণত এই টকা বঢ়াব নোৱাৰিলে কব নোৱাৰিলো। কিয়নো আমাৰ গাওঁ অঞ্চলত থকা খেতিয়ক সকলক যদি ভাল ধৰণে কৃষিৰ সা সজুলি আদিৰ যোগান দিব নোৱাৰো, আৱশ্যকীয় বুদ্ধি পৰামৰ্শ দিব নোৱাৰো তেনেহলে আমাৰ ৰাজ্যৰ কৃষিৰ অৱস্থা কেতিয়াও উন্নত হব নোৱাৰে। আজি আমাৰ অসমীয়া ৰাইজে আন্দোলন কৰিছে যে, খাদ্য বস্তুৰ দাম বৃদ্ধি হৈছে। আজি সকলো বস্তুৰে দাম বাঢ়ি গৈ আছে। সেই বস্তু বিলাকৰ দাম কমাই দিয়াৰ কিবা ব্যৱস্থা কৰিব পাৰিবনে? আমাৰ সৰ্ব্বসাধাৰণ ৰাইজে ব্যৱহাৰ কৰা চাউল, দাইল, নিমখ, কেৰাচিন আদি বস্তুৰ দাম বাঢ়িছে। গতিকে এই নিত্য প্ৰয়োজনীয় বস্তু বিলাকৰ দাম কমাবৰ কাৰণে চিন্তা কৰিব লাগে। যোৱা ৩০ বছৰে অসমত দাইল, সৰিয়হ খেতিৰ কাৰণে কি কামত উৎসাহ দিয়া হল? আমাৰ ৰাজ্যত মগুমাহ, মটুৰ মাহ, ৰহৰ মাহ, মাটিকলাই আদি উৎপন্ন কৰিব পৰা হলে আমাৰ ৰাজ্যত মাহজাতীয় দ্ৰব্যৰ দাম বৃদ্ধি নহল হয়। এইবিলাক সামগ্ৰী বাহিৰৰ পৰা অহাৰ বাবে আমাৰ ৰাইজে অপেক্ষা কৰি থাকিব লাগে। গতিকে মই ভাবো যে, আমাৰ কৃষক সকলক যদি আমি সকলো ধৰণৰ সা-সজুলি আৰু খেতিৰ সঁচ সাৰ আদি যোগান ধৰিব পাৰো তেনেহলে আমি আমৰ ৰাজ্যত কৃষিৰ উন্নতি হোৱা নিশ্চয় দেখিবলৈ পাম। ইয়াৰোপৰি আমাৰ ৰাজ্যত যিবিলাক মাটি ভি, জি, আৰ আৰু পি, জি, আৰ, পৰি আছে সেইবিলাকতো চৰকাৰে ইচ্ছা কৰিলে আৰু সুবিধা আদি দিলে খেতিয়কে নানা ধৰণৰ খেতি কৰিব পাৰিব। ইয়াৰ বাহিৰেও পতিত মাটি বিলাকো সেই ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা হব। কিন্তু অতি দুখৰ বিষয় এই

সমস্যা আজিও সমাধান নহল।

মই আশাকৰো যাতে এই আঁচনিৰ জৰিয়তে এই টকাৰ জৰিয়তে এই বছৰ আমাৰ খেতিয়ক সকলক প্ৰচুৰ পৰিমানৰ সৰিয়হৰ খেতি কৰিবলৈ প্ৰেৰণা যোগোৱা যায় আৰু সেই সৰিয়হ খেতিৰ পৰা যিখিনি সৰিয়হ আহিব সেইখিনি আমাৰ পুৰণিকলীয়া ব্যৱস্থাৰে তেল পেৰা যায় তেতিয়া তেলৰ দাম বৃদ্ধিৰ সনস্যা লগতে চিৰৰুগীয়া হোৱাৰ পৰা ৰাইজক ৰক্ষা কৰিব পাৰে। যদি চৰকাৰৰ তৰফৰ পৰা নতুন উন্নত পদ্ধতিৰে তেল পেৰাৰ শিক্ষা দিয়া হয় তেতিয়াহলে আমাৰ দুখীয়া ৰাইজৰ উদ্ধাৰ হব। কাৰণ এতিয়া যিটো চলিছে তাৰ ফলত আজি ভেজাল তেল খাই আমাৰ উঠি অহা কন কন লৰা ছোৱালী বিলাকে ঘূনীয়া হৈ আহিছে। এই ব্যৱস্থা কৰিলে আমি বেমাৰৰ পৰা নিশ্চয় হাত সাৰিব পাৰিম। গতিকে আমাৰ দুখীয়া জনসাধাৰণৰ মঙ্গলৰ কাৰণে এই ৪ বিধ বস্তুৰ প্ৰচুৰ উৎপন্ন কৰিব পাৰিলে সমস্যাৰ সমাধান হব। মই নতুন চৰকাৰক বিশেষকৈ আমাৰ কৃষি মন্ত্ৰী যিজন নিজে এজন অভিজ্ঞ খেতিয়ক এইখিনি পৰামৰ্শ দি মোৰ বক্তৃতা সামৰণি মাৰিলো।

শ্ৰীশূল বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, কৃষিৰ শিতানত ১৬ কোটিৰো অধিক টকা মঞ্জুৰী বিছৰা হৈছে তাৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি মই আলোচনাত অংশ গ্ৰহন কৰিব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশৰ আৰু ৰাজ্যৰ শতকৰা ৭০ ভাগ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। আৰু কৃষক সকলেই হ'ল দেশৰ

আৰু জাতিৰ মেৰুদণ্ড স্বৰূপ। আজি এই খেতিয়ক সকলে মহাজন, মালিকৰ বিৰুদ্ধে নানা ভাবে যুজি হলেও শস্য উৎপাদন কৰি আহিছে। কিন্তু এই শস্য উৎপাদন কৰিবলৈ যাওতে আগৰ চৰকাৰে আৰু এতিয়াৰ চৰকাৰে আমাৰ ৰাজ্যৰ কৃষি বিভাগৰ সাহায্যৰ যোগেদি বা অবদানৰ যোগেদি শস্য উৎপাদন কৰিছে তাৰ কাৰণে কোনো কৃতিত্ব বা দাবী কৰিব নোৱাৰে। খেতিয়ক সকলৰ মাজত থকা এই বাস্তব জীৱনৰ অভিজ্ঞতাৰ কাৰণে তেওঁলোকে আজি এইখিনি কৰিব পাৰিছে। আজি ১৬ কোটি টকা হয়তো মঞ্জুৰী দিব লাগিব। কিন্তু মঞ্জুৰী দিবলৈ যাওতে বিশেষকৈ আগৰ চৰকাৰে আৰু আজিৰ চৰকাৰেও কৃষি বিভাগৰ নামত ভাওনা চলিছে। এই সংক্ৰান্তত যিবিলাক ধন এই ধনৰ বিশেষকৈ শতকৰা ৭০ ভাগ কৃষকৰ স্বাৰ্থৰ কাৰণে বা অধিক শস্য উৎপাদনৰ কাৰণে খৰছ কৰা নহয়। আমাৰ ৰাজ্যৰ খেতিয়কৰ ক্ষমতা বঢ়াবৰ কাৰণে এই কৃষি বিভাগে দি অহা মঞ্জুৰীৰ জৰিয়তে আমাৰ এই জাতি আৰু দেশৰ গুৰুত্বপূৰ্ণ প্ৰশাসনৰ কিবা অৱদান আছে বুলি কব নোৱাৰে। তেলিৰ মূৰত তেল-পুজিপতি দেশত পুজিপতি ব্যৱস্থা আগতেও আছিল এতিয়াও আছে। দেশ স্বাধীন হোৱাৰ ৩২ বছৰ পাছতো পুজিবাদী ব্যৱস্থাৰে এতিয়াও দেশ শাসন হৈ আছে। ইয়াৰ দ্বাৰা আমাৰ কৃষক সকলৰ ভিতৰত পুজিপতি সকলে শ্ৰেণী বিভাজন আনিবলৈ চেষ্টা কৰি আছে। আজি আমাৰ দেশত ১৯৭১ চনৰ চেন্‌চাচমতে কৃষি শ্ৰমিক, ভূমিহীন খেতিয়কৰ সংখ্যা লাখে লাখে বাঢ়ি আছে। দিনকদিনে এই সংখ্যাই ভয়াবহ ৰূপ ধাৰন কৰি আহিছে। অথচ আমাৰ ৰাজ্যত এই কৃষি শ্ৰমিক সকলৰ কাৰণে এবিঘা মাটি বা

ভেটি মাটিও বা সংস্থাপনৰ সাহায্যৰ নামত আজি কি ঘটিছে। ইয়াৰ দ্বাৰা কৃষক শ্ৰমিকৰ উপকাৰত অহা নাই। আজি তেওঁলোকৰ কাৰণে মজুৰীৰ ব্যৱস্থা হোৱা নাই। আজি দৰিদ্ৰ কৃষক, ভুমিহীন কৃষক সকলক ভূমি দিয়াৰ কিবা আঁচনি চৰকাৰে লৈছে নে? যি সকলৰ ৬-৭ বিঘা মাটি আছে মধ্যবিত্ত শ্ৰেণীৰ খেতিয়ক ধনী খেতিয়ক বা মহাজনৰ সোদখোৰ লোক সকলে তেওঁলোকৰ মাজত বিভাজন অনাৰ চেষ্টা কৰিছে। ইয়াৰ দ্বাৰা পুজিবাদীলোক সকলে আৰু বেছি সহায় পাইছে আৰু ব্যবধান বেছি হৈ গৈছে। গতিকে দেখা যায় আজি আমাৰ এই ব্যৱস্থাই দুখীয়াক আৰু দুখীয়া কৰি দিছে আৰু ধনীক আৰু ধনী কৰি দিছে। গতিকে আমি পুজিবাদী মনোভাব পৰিহাৰ কৰি অপুজিবাদী ব্যৱস্থা কৰিবলৈ আগবাঢ়ি আহিবলৈ চেষ্টা কৰা উচিত। যিখন দেশত শতকৰা ৭০ ভাগ লোকেই খেতিৰ ওপৰত নিৰ্ভৰশীল তাত এই টকাৰে কিমান কামত আহিব তাতো সন্দেহ আছে। আজি আমাৰ টকা বিলাক খৰছ হৈছে কিন্তু ক'ত খৰছ কৰা হৈছে? কৃষি বিভাগত আজি ডিৰেক্টৰৰ পৰা আৰম্ভ কৰি সাৰ বিজ ইত্যাদি ইয়াৰ পৰাই খৰছ হব কিন্তু এই খৰছ এই আঁচনি মাত্ৰ কাগজৰ পাততে থাকিব। কিন্তু কাম একো নহয়। মজুৰীটো নিশ্চয় পাচ হৈ যাব কিন্তু এই টকাৰে ইমান উৎপাদন হৈছে ইমান কিবা ভাল কাম হৈছে বুলি আগৰ চৰকাৰেও সুকীৰ্ত্তি দাবী কৰিব পৰা নাছিল আৰু এতিয়াৰ চৰকাৰেও সেই সুকীৰ্ত্তি দাবী কৰিব নোৱাৰে আৰু কৰাটো উচিত নহব। আজি বিভিন্ন বিলাক চাব ডিভিজনেল কমিটি মহকুমা বিলাকত হৈছে। কংগ্ৰেছৰ দিনতো দলবাজী কমিটি হৈছিল আৰু এতিয়া জনতাৰ

দিনত আৰু বেছি দলবাজী কাম হৈছে।

আজি ডাঙৰ ডাঙৰ কথা কোৱা হয় যে বিধায়ক সকলৰ সহযোগিতা লাগে। ৰাজ্যখনৰ উন্নয়নৰ কাৰণে যিবিলাক চাব ডিভিজনেল কমিটি আছে তাত দল বাজি চলিছে। আজি বিধায়ক সকলে কোন ক্ষেত্ৰত সহযোগ কৰা নাই ? আমি সহযোগ কৰিবলৈ ৰাজী আছো। কিন্তু চাবডিভিজনেল কমিটি বিলাকত দল বাজি থকাতো অত্যন্ত দুখৰ বিষয়। ৰাজনৈতিক দৃষ্টি ভঙ্গিত এইটো কৰিবলৈ লৈছে। বৰ্ত্তমান চলি থকা পুজিবাদী ব্যৱস্থা ভাঙিব নোৱাৰিলে কৃষিৰ উন্নতি নহয়। আজি ৩২ বছৰে পুজিবাদী নীতি আৰু পথ লোৱাৰ কাৰণে কৃষক সকলৰ অৱস্থা উন্নত নহল। অধিক শস্য উৎপাদনৰ কথা কোৱা হৈছে। কিন্তু খেতিয়ক সকলে যি বস্তু উৎপাদন কৰে তাৰো উচিত মূল্য তেওঁলোকে নাপায়। সকলো ক্ষেত্ৰতে খেতিয়কৰ পৰিশ্ৰম আৰু খৰচৰ অনুপাতে ন্যায্য মূল্য পোৱাৰ পৰা বঞ্চিত হৈছে। ধান উঠাৰ সময়ত চৰকাৰে মোনে প্ৰতি ৩৩ টকা দিয়া হব বুলি ঘোষণা কৰিছে। কিন্তু খেতিয়কে ২৩ টকা দামত ধান বিক্ৰি কৰিব লগা হৈছে। আজি ডাঙৰ ডাঙৰ কথা কৈ ফুৰাৰ বাহিৰে কাম একো হোৱা নাই। খেতিয়কে বান্ধি দিয়া দৰত উৎপাদিত বস্তুৰ মূল্য পোৱা নাই। মাহ সৰিয়হকে আদি কৰি খেতিয়কৰ যি বিলাক উৎপাদিত বস্তু আছে সেই বিলাকৰ ন্যায্য মূল্য পোৱা নাই। আমাৰ কৃষি বিভাগৰ লগত জড়িত পশু চিকিৎসা বিভাগ, বাননিয়ন্ত্ৰণ বিভাগ, জলসিঞ্চন বিভাগ আৰু ৰাজহ বিভাগ আছে আজি ভূমি সংস্কাৰ কৰি আমোল পৰিবৰ্ত্তন কৰাৰ কথা কৈছে। চৰকাৰে কৰা ৰায়তী স্বত্ব আইন, প্ৰজাস্বত্ব আইন, চিলিং আইন এই বিলাক ধোঁৱা চাঙত উঠিছে। ভূমি সংস্কাৰ আয়োগ গঠণ কৰিছে, কিন্তু তাৰ প্ৰতিবেদন চৰকাৰক দিয়া

ব্যৱস্থা কৰা নাই। ভূমি সংস্কাৰৰ বাবে যি বৈপ্লবিক আইন চৰকাৰে কৰিছিল সেই বিলাক কাৰ্য্যকৰি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। তাৰ বাহিৰে কৃষক সকলক উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিছে। কৃষকৰ ওপৰত নিৰ্য্যাতন, শ্ৰমিকৰ ওপৰত নিৰ্য্যাতন দিয়া চৰকাৰ হিচাবে পৰিগণিত হৈছে। আজি যি বিলাক টকা ধৰা হৈছে সেই বিলাক যাতে দুখীয়া ৰাইজৰ সেৱাৰ বাবে খৰচ কৰে আৰু জনসাধাৰণক আগবঢ়াই লৈ যায় তাৰ বাবে চৰকাৰক আশীৰ্বাদ কৰিছো।

শ্ৰীদুলাল বৰুৱা :— আশীৰ্বাদ শিৰোগত কৰি লৈছো।

শ্ৰীশূল বৰা :— আমি আশা ৰাখিছো চৰকাৰে যাতে ৰাইজক ভুৱা নিদিয়ে। কৃষকৰ ওপৰত যাতে নিৰ্য্যতন নহয় তাৰ আশা ৰাখিছো। আজি চৰকাৰৰ কাম কাজ বিলাক বাস্তবত ৰূপায়িত হব লাগিব। জাতিৰ মেৰুদণ্ড হিচাবে এই ৰাজ্যত শতকৰা ৮০ ভাগ কৃষক হিচাবে পৰি গণিত হৈছে। এই কৃষক সকলৰ মাজত থকা শ্ৰেণী বিভাজন, ব্যবধান দুৰীকৰণৰ ব্যৱস্থা হব লাগিব। আজি কৃষি ব্যবস্থাত যদি সামন্তবাদী ব্যৱস্থা চলি থাকে তেন্তে ধনী আৰু ধনী হব আৰু গৰীব আৰু গৰীব হৈ যাব। এই ব্যৱস্থাৰ পৰা আতৰি থাকিবলৈ চৰকাৰক আহ্বান জনালো। আজি সমাজবাদৰ কথা কৈ ভুৱা দি পুজিবাদী নীতি গ্ৰহণ কৰি দুখীয়াসকলক আৰু দুখীয়া কৰিছে। কংগ্ৰেছৰ দৰে যদি জনতা চৰকাৰেও ভুৱা দিয়ে তেন্তে জনতা চৰকাৰক ৰাইজে বৰদাস্ত নকৰে। তাৰ পিচত আমাৰ লক্ষীমপুৰত যি কেইটা ট্ৰেক্টৰ আছে তাৰ ভিতৰত বহু কেইটা বেয়া হৈ আছে। গতিকে তাত এটা কৃষি বিভাগৰ মেকানিক্কেল অফিচ বহুওৱাৰ ব্যৱস্থা কৰিব লাগে। তাৰ পিচত লক্ষীমপুৰত

কৃষি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিব লাগে। আজি আমাৰ খেতি প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। এই দৰে খেতি কৰিলে অধিক শস্য উৎপাদন আঁচনি কাৰ্য্যকৰী কৰিব নোৱাৰে। আজি কৃষিৰ শিতানত ১৬ কোটি টকা ধৰা হৈছে। খাদ্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তুলিবৰ কাৰণে আগন্তুক বছৰত এই টকা খৰচ কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰ পিচত ভূমিহীন আৰু উপান্ত খেতিয়ক সকলক ভূমি সংস্কাৰ কৰি মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। খেতিয়ক সকলে অধিক শস্য উৎপাদন আঁচনি যাতে কাৰ্য্যকৰী কৰি তুলিব পাৰে আৰু তাত যাতে চৰকাৰ সহায়ক হয় তাৰ ব্যৱস্থা কৰিব লাগিব। এই খিনিকে কৈ প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীভূবনেশ্বৰ বৰ্মণ :— উপাধ্যক্ষ মহোদয়, কৃষিৰ শিতানত যিটো মূল দাবী আনিছে মই এইটো সমৰ্থন কৰিছো আৰু কৰ্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰিছো।

উপাধ্যক্ষ মহোদয়, এই দুদিনে নানান আলোচনা বিলোচনা হৈছে আৰু বিভিন্ন সদস্যই বিভিন্ন বক্তৃতাত আলোচনা, সমালোচনা কৰিছে আৰু সমৰ্থনো কৰিছে। কিন্তু এটা কথা মই লক্ষ কৰিছো যে আমাৰ যিটো কৃষি নীতি সেই নীতিটো প্ৰথমে পৰিস্কাৰ কৰি নললে, আমি আটায়ে সমালোচনা কৰাৰ ঠিক নহব। কৃষি পদ্ধতিটো যদি ঠিক দৰে বুজি লওঁ তেন্তে আলোচনা সমালোচনাৰ মাজেৰে পৰিস্কাৰ কৰি লওঁ তেন্তে আমাৰ ৰাস্তা সহজে ওলাব। জনতা চৰকাৰে পোন প্ৰথমে ৰাইজক প্ৰতিশ্ৰুতি দিছিল যে গাৱঁলীয়া ৰাইজৰ কাৰণে এটা পৰিকল্পনা কৰা হব আৰু আমি সেইমতে কাম কৰিম বুলি শপত গ্ৰহণ কৰিয়েই জনতা চৰ-

কাৰে ঘোষণা কৰিলে যে ১০ বিঘা লৈকে মাটিৰ খাজানা ৰেহাই দিয়া হয় আৰু লগে লগে ভূমি সেনা বাহিনী গঠণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এইটোৰ লগত যদি কৃষকৰ সম্বন্ধ নাই বুলি কোৱা হয় তেতিয়া হলে মাননীয় সদস্য সকলক মই কৃষি আৰু কৃষকৰ সম্পৰ্কটো ভালদৰে অনুসন্ধান কৰিবলৈ আহ্বান জনাইছো। এহাতে কৃষক সকলক সকাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে। আনহাতে যদি অধিক শস্য উৎপাদন কৰাৰ কাৰণে আৰু গৰীব কৃষক সকলক সংস্থাপন কৰাৰ কাৰণে এই দুটা পৰ্য্যায়ত কাম কৰিব নোৱাৰো তেন্তে কৃষক সকলৰ কেতিয়াও সকাহ নহব। যি সকল কৃষকৰ মাটি নোহোৱা হৈছে বা মাটিহীন হৈ পৰিছে এই সকলৰ লৰাই চাকৰি বিচাৰি চহৰমুখী হৈ ৰিক্সা চলাই, ঠেলা চলাই, অফিচাৰৰ দুৱাৰে দুৱাৰে ফুৰি হাবাথুৰি খাব লগা হৈছে। নিবনুৱা সমস্যা সমাধান কৰাৰ লগে লগে কৃষি শ্ৰমিক আৰু কৃষক সকলৰ মাজৰ পৰা ভূমিহীন হৈ পৰা লোক সকলক সংস্থাপন দিয়াৰ চিন্তা প্ৰথমে কৰিব লাগিব। ভূমি সেনা বাহিনী গঠণ কৰাৰ সিদ্ধান্ত কৰা হৈছে, ইয়াৰ দ্বাৰা কৰ্ম্ম যুৱকক উন্নত প্ৰণালীৰে কৰ্মসংস্থানৰ জড়িয়তে খেতি উন্নত কৰাৰ এটা পৰিকল্পনা কৰা হৈছে।

(ভইচ— তবে তো হো যায়গা)

তো হো যায়গা। তাৰ পিচত উপাধ্যক্ষ মহোদয়, আজি খেতিয়কৰ যিটো সমস্যা, খেতিৰ যিটো সমস্যা সেই সমস্যা অকল অফিচাৰৰ সংখ্যা বঢ়াই দপ্তৰৰ ভাগ লৈ সমাধান কৰিব পৰা নহব। প্ৰকৃততে খেতিয়কক খেতিৰ কাৰণে আৱশ্যকীয় যিখিনি সা-সুবিধা সেইখিনি খেতি-

য়কে সহজে কেনেকৈ পায় বিধানৰ পৰা আৰম্ভ কৰি ঔষধ, সাৰ আদি-লৈকে সকলো পোৱাৰ ব্যৱস্থাটো চৰকাৰৰ ফালৰ পৰা কৰিব লাগে, নহলে বিধান বিচাৰি এঠাইলৈ, সাৰ বিচাৰি এঠাইলৈ আৰু সা-সজুলি বিচাৰি আন এঠাইলৈ এই ধৰণেৰে যদি ঘূৰি ফুৰিব লগা দুৰৱস্থা হয় তেন্তে তাৰ পৰা কৃষকৰ উপকাৰ নহৈ অপকাৰহে হব। তাৰ বাবে চৰকাৰে বাস্তৱমুখী দৃষ্টি-ভঙ্গী লব লাগিব যাতে সহজতে খেতিয়কে খেতিৰ মাটি-খিনি, খেতি কৰিবলৈ সাৰখিনি, বিধান খিনি আৰু সা-সজুলিখিনি পাব পাৰে। ইয়াৰ বাবে কিছুমান গোট সৃষ্টি কৰি ব্লকে ব্লকে, গাওঁ পঞ্চা-য়তৰ জৰিয়তে দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই সংক্ৰান্তত সদস্য শ্ৰীদীনেশ আলি চাহাবে কৈছে। যিসকল ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰিব নোৱাৰে আৰু আন কোনো কাম কৰাৰ আঁচনি নাই সেই সকলেও খেতি কৰিবলৈ আগ বাঢ়ি নাহে। কাৰণ খেতিয়কৰ সন্মান নাই। পঞ্জাৱ, হাৰিয়ানা আদি উন্নত ঠাইৰ দৰে খেতি কৰাৰ পৰিবেশ সৃষ্টি কৰি খেতিয়কৰ সন্মান আৰু মৰ্য্যদা ৰক্ষা কৰি বৈজ্ঞানিক প্ৰণালীৰে খেতিৰ ব্যৱস্থা কৰিলে পঢ়া শুনা কৰিব নোৱাৰা লৰা বিলাক খেতি কৰিবলৈ আগবাঢ়ি আহিব। আজি কালি ৰেদিঅ'ত পঢ়িব নজনা আৰু কথা কব নজনা খেতিয়ক সকলক লৈ কৰা এটা ৰেদিঅ কথা কোৱা আমি শুনি-বলৈ পাওঁ, শুনি মনলৈ এনে ধাৰণা আহে যে আমাৰ খেতিয়কৰ মান-দণ্ড সমাজত যেন তেনেই তল খাপৰ। এইখিনিৰে মই আমাৰ কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি কব খোজো প্ৰচাৰ যোগেদি যেন আমাৰ কৃষ-কৰ মৰ্য্যদা বাঢ়ে তাৰ ব্যৱস্থা কৰা হয়। এখন কৃষি স্কুল পতাৰ কথাটো আমাৰ কৃষি মন্ত্ৰীয়ে চিন্তা কৰি থকা বুলি কৈছিল। এই

আঁচনি অৱশ্যেই ভাল। কৃষি স্কুলত পঢ়া লৰাক ডিপ্লোমা চাৰ্টিফিকেট দিয়াৰ কোনো আৱশ্যক নাই। যি সকল দুখীয়া ডেকা লৰা গাৱেঁ-ভূৱে আছে সৰু সৰু কিছুমান ট্ৰেনিং চেণ্টাৰ খুলি খেতি কৰাৰ কাৰণে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে আধুনিক পদ্ধতিৰে খেতি কৰি অধিক শস্য উৎপাদন কৰাৰ ব্যৱস্থা কৰা হয়। ইয়াৰ দ্বাৰা এফালে অধিক শস্য উৎপাদন হব আৰু আনফালে বেকাৰ সমস্যা সমাধান হব। অকল খাবৰ কাৰণেই আমাৰ খেতি কৰাৰ অভ্যাস নাৰাখি ব্যৱসায়িক ভিত্তিত আৰু উদ্যোগ মুখী খেতি কৰাৰ পৰিবেশ যদি সৃষ্টি কৰিব পৰা হয় তেন্তে বহু সমস্যা সমাধান হব।

উপাধ্যক্ষ মহোদয়, আপুনি জানে আৰু আমিও জানো যে একেটা অঞ্চলত একে বছৰতে দুই তিনিবাৰ বান হৈ খেতি ধ্বংশ কৰে। কোনো ৰকমে যি অলপ অচৰপ খেতি বাচে তাকে লৈ খেতিয়কৰ জীৱন নিৰ্ব্বাহৰ ডাঙৰ সমস্যা হয়। মানুহৰ জীৱনৰ নিৰাপত্তাৰ কাৰণে যেনেকৈ জীৱন বীমা কৰা হয় ঠিক তেনেকৈ খেতিৰ কাৰণেও বীমা একোটা থাকিব লাগে। যদি আমি জীৱন বীমাৰ নিচিনাকৈ "কৃষি বীমা আঁচনি" গ্ৰহণ কৰিব পাৰো তেতিয়াহলে আমাৰ দুখীয়া খেতিয়কক ৰক্ষা কৰিবৰ কাৰণে কিছু কাম কৰিব পাৰিম। সেইফালৰ পৰা দৰকাৰ হলে আইন প্ৰনয়ন কৰি হলেও নীতি নিয়ম সংশোধন কৰি হলেও এই ব্যৱস্থা কৃষকসকলৰ কাৰণে লবলৈ দৃঢ় পদক্ষেপ দিলে ভাল হব। আমাৰ জনতা চৰকাৰে বৃদ্ধ খেতিয়ক সকলক পেন্সন দিয়াৰ কাৰণে যি সিদ্ধান্ত কৰিছে এইটো অত্যন্ত সমাজবাদী দৃষ্টিভঙ্গী আৰু দৃঢ় পদক্ষেপ বুলি মই অনুভৱ

কৰিছো।

শ্ৰীছামচুল হুদা :— মাননীয় সদস্যই খেতিয়কক পেন্সন দিয়াৰ যিটো কথা কৈছে সেইটো আমি বাজেটত দেখা নাই।

শ্ৰীভূবনেশ্বৰ বৰ্মন :— ৰাজ্যপালৰ ভাষণখন ভালদৰে পঢ়ি চাবলৈ অনুৰোধ কৰিলো। আৰু যদি আপোনালোকে দৰকাৰ বুলি ভাবে বাজেটত সোমাই দিবলৈ জোৰ দি ধৰক। আমি এইটো কথা জানো। কাৰণ কৃষিমন্ত্ৰী ডাঙৰীয়াই এইটো কথা আমাক জনাইছে। এই সম্প-ৰ্কতো আলোচনা হৈছে। আৰু এই বছৰেই প্ৰত্যেক মহকুমা আৰু ব্লকৱাইজ কৈ এজনকৈ খেতিয়কক হলেও পেন্সন দিয়াৰ কথা চিন্তা কৰা হৈছে।

শ্ৰীছামচুল হুদা :— চৰকাৰে এইটো চিন্তা কৰা নাই।

শ্ৰীভূবনেশ্বৰ বৰ্মন :— চৰকাৰে সিদ্ধান্ত কৰিছে। যিবিলাক আমাৰ বৃদ্ধ খেতিয়ক আছে সেইবিলাকক পেন্সন দিয়া হব।

শ্ৰীঅতুল গোস্বামী :— 'মোমায়েকৰ ঘৰত সাতজনী গাই, মোৰ নাম দুধ কোৰঁৰ।' ৰাজ্যপালৰ ভাষণত আছে যদিও বাজেটত নাই।

শ্ৰীভূবনেশ্বৰ বৰ্মন :— উপাধ্যক্ষ মহোদয়, মই এইখিনি কথা এই কাৰণেই কব বিচাৰিছা যে এই কৃষক সকল, যিসকলে শ্ৰম কৰিছে তেওঁলোকক সন্মান কৰাৰ কাৰণে এটা পৰিবেশ সৃষ্টি কৰিব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— উপাধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে আমি বৃদ্ধ খেতিয়কক অলপ টকা পইচা দি অৰ্থনৈতিক ভাবে সহায়

কৰিবৰ কাৰণে নীতিগত ভাবে সিদ্ধান্ত গ্ৰহণ কৰিছো। এই বস্তুটো হিচাব নকৰাকৈ কব নোৱাৰো কিমান টকা দিব লাগিব। এই গোটেই বস্তুটো চালি জাৰি চাওতে সময় লাগিব।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী :— মাহে কিমান টকাকৈ দিব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— অন প্ৰিন্সিপুল মাহে ৫০ টকাকৈ ধৰিছো।

শ্ৰীভূবনেশ্বৰ বৰ্মন :— উপাধ্যক্ষ মহোদয়, যিসকল প্ৰকৃত খেতিয়ক, সেইসকলক বৃদ্ধ অৱস্থাত পেন্সন দিয়াৰ আঁচনি গ্ৰহণ কৰা হৈছে। আমাৰ খেতিয়কৰ নামত মধ্যবিত্ত শ্ৰেণীৰ লোকো কিছুমান আছে তেওঁলোকক যাতে সামৰি লোৱা নহয়। আমাৰ কৃষক সকলক মাহে ৫০ টকাকৈ পেন্সন দিয়াৰ কথাটো তেওঁলোকে মৌলিক স্বত্তত সাধাৰণ ভাবে গ্ৰহণ কৰিব পৰা নাই।

Shri Atul Goswami :— This is not correct we are all for the pension to the agriculturists and we are not against it. But in the budget there is no a single paisa allotted for this.

Mr. Deputy Speaker :— The honourable Minister has explained the matter.

Shri Bhubaneswar Barman :— In Assamese.

শ্ৰীভুবনেশ্বৰ বৰ্মন :— উপাধ্যক্ষ ডাঙৰীয়া, এই টকাটো পৰিপূৰক

বাজেট হিচাপেই ধৰি দিয়ক বা যি হিচাপেই নিদিয়ক চৰকাৰে চিন্তা কৰিব। এই বিষয়ে মই কব বিচাৰিছো যে আজি কৃষিৰ আতাইতকৈ ডাঙৰ সমস্যা হৈছে মাটিৰ সমস্যা। এই সমস্যাটো চিন্তা কৰিবলগীয়া। খেতিয়কৰ যিবিলাক মাটি অন্যান্য কামৰ কাৰণে অধিগ্ৰহণ কৰা হৈছে সেইবিলাক পইচা পোৱা নাই। তেওঁলোকে ক'ত পইচা লয় তাকো নাজানে। অন্যান্য কৰ্মচাৰী সকলে দাবী কৰি ধৰ্মঘট কৰি তেওঁলোকৰ প্ৰাপ্য আদায় কৰে। কিন্তু খেতিয়কসকলে এদিন বিক্ষোভ কৰিবলৈ আহিলেই ঘৰত লঘোণ পৰিব। সেইকাৰণে খেতিয়কৰ সংগঠন আন্দোলনমুখী কৰাত অসুবিধা আছে। খেতিয়কৰ যি মাটি অধিগ্ৰহণ কৰা হয়, জলসিঞ্চনৰ কাৰণে, মথাউৰিৰ কাৰণে সেইবিলাক পইচা তেওঁলোকে নাপায়। আমাৰ বৰপেটা মহকুমাৰ পাটাছাৰকুছি সমষ্টিত ই এণ্ড, ডিয়ে মথাউৰিৰ কাৰণে যি মাটি অধিগ্ৰহণ কৰিলে সেই মাটিৰ ক্ষতি পূৰণ পোৱা নাই। এই কৃষক সকলক এইধৰণৰ জুলুম যাতে কৰিব নোৱাৰে তাৰ কাৰণে কৃষি বিভাগৰ ফালৰ পৰা কৃষক সকলক সচেতন হোৱাৰ কাৰণে কৃষি বিশ্ব বিদ্যালয় পতাৰ কথা যিটো কৈছে সেইটো এডাল্ট এডুকেচনৰ পাঠ্যক্ৰমত সোমাই দিলে ভাল হব। অকল কৃষি পথাৰৰ লগত যিসকলৰ সম্পৰ্ক আছে তেওঁলোকৰ কাৰণে এই কৃষি বাজেট কৰা হৈছে। পানীৰ কথা ওলালেই জলসিঞ্চনৰ কথা নুবুজায়, ট্ৰেক্টৰৰ কথা বুলিলেই উদ্যোগৰ কথা নুবুজায়। আজি কৃষিৰ ক্ষেত্ৰত কৃষকসকলক প্ৰথমতে বিভাগত সোমোৱাই লৈ পথাৰত খেতি উৎপন্ন কৰিবৰ কাৰণে যিখিনি সা-সজুলি, এই গোটেইখিনি সোমোৱাই লৈ আঁচনি কৰিব লাগিব। এটাক বাদ দি আনটো কৰিলে প্ৰকৃততে খেতিয়ক সকলৰ উন্নতি নহব। সেই-

কাৰণেই মই পৰামৰ্শ আগবঢ়াইছো যাতে আমি দৃঢ় গতিত অধিক শস্য উৎপাদন কৰিব পাৰো বা ব্যৱসায় ভিত্তিক খেতি কৰি আমি কৃষক সকলৰ পৰিশ্ৰমৰ মৰ্য্যদা দিয়াৰ কাৰণে যি পৰিবেশ লাগে সেই পৰিবেশৰ সৃষ্টি কৰিব পাৰো। ইয়াকে পৰামৰ্শ দি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Fakrul Islam :— Sir, a large number of members are anxious to participate in the discussion and therefore, unlimited time should not be given one persons only. We have got other subjects on which we would like to speak otherwise these will be guillotined.

Shri Dulal Chandra Barua :— Yes, time limit should be there. It also depends on the leaders of the respective groups. If they want to spend the whole time on one subject only, we have got nothing to say.

শ্ৰীমুকুট শৰ্মা :— সময় বান্ধি দিলে ভাল হয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— উপাধ্যক্ষ মহোদয়, আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি মই কৈছো যে সদনে বিচাৰিলে আপুনি সময় নিৰ্দ্ধাৰণ কৰি দিলে ভাল হয়।

শ্ৰীফণী মেধী :— আগতে এনেকুৱা অৱস্থা হৈছে যে যিসকলে আগতে কলে আনলিমিটেড সময় পালে আৰু যিসকলে পিচত কৰলৈ

থাকিল তেওঁলোকে এটা শব্দও কবলৈ নাপালে। সেইকাৰণে এটা ৰুল কৰি দিলে ভাল হব।

Mr. Deputy Speaker :— I would like to say that I would be happy if the House agree to the limitation of the time so that all the members can participate.

Shri Phani Medhi :— Kindly read out the list how many of us are yet to participate.

Mr. Deputy Speaker :— There are 7 members yet. If you agree I can allow 10 minutes.

শ্ৰীবুদ্ধ বৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়,

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— চাৰ, আজি মই শেষ কৰি দিব লাগে। পাচ কৰি দিব লাগে।

শ্ৰীবুদ্ধ বৰুৱা :— এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা কব খুজিছো। প্ৰধান কথা হ'ল স্বাধীনতাৰ বত্ৰিশ বছৰৰ পিচতো আমাৰ কৃষক সকলৰ কোনো অৱস্থা ভাল নহল। আজি কৃষক সকলৰ অৱস্থা ভাল কৰিবৰ কাৰণে কি ধৰণৰ আঁচনি লব বিচাৰিছে সেই সম্পৰ্কে আমি জানিবলৈ পাম বুলি আশা ৰাখিছো। স্বাধীনতাৰ পিচৰে পৰা পাচটা পৰিকল্পনা শেষ হৈ এতিয়া ষষ্ঠ পৰিকল্পনা পাইছোহি। আজি আমাৰ অসমৰ শতকৰা আশী ভাগ কৃষকৰ উন্নতিৰ কাৰণে বিভিন্ন ধৰণৰ উন্নয়ন-

মূলক আঁচনি বিগত চৰকাৰে গ্ৰহণ কৰিছিল কিন্তু আজি সেই পৰিকল্পনা সমূহ কিয় কাৰ্য্যত পৰিণত কৰা নহল আৰু কৃষক সকলৰ যিমান খিনি উপকাৰ হব লাগিছিল সিমান খিনি উপকৃত কৰিব পৰা নাই তাৰ ছবি এটা দাঙি ধৰিলেই আমি দেশৰ সমগ্ৰ ছবি পৰিস্কাৰ হিচাপে দেখা পাম। এই পাচ বছৰীয়া পৰিকল্পনাৰ ভিতৰত আমাৰ কৃষকৰ অৱস্থা উন্নত হওক চাৰি শতকৰা সত্তৰৰ পৰা পয়সত্তৰ জন লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তললৈহে গতি কৰিলে। পৰিকল্পনাৰ নামত চৰকাৰে কোটি টকা খৰচ কৰিলে কিন্তু কৃষকৰ কাৰণে একো কৰিব পৰা হোৱা নাই। ডেভেলপমেণ্ট ব্লক বা পাইলট প্ৰজেক্ট আদি যিবিলাক পৰিকল্পনা কৰিছে বা কৃষি সম্প্ৰসাৰণৰ কাৰণে যিমান বিলাক আঁচনি গ্ৰহন কৰিছিল ঢাল-তৰোৱাল লৈ মটৰ গাড়ী লৈ ব্লক বিলাকৰ জৰিয়তে যেতিয়া কৃষকৰ কাৰণে কাম কৰিবলৈ ওলাই গৈছিল তেতিয়া আমাৰ ৰিভলিউশ্যনাৰি কমিউনিষ্ট পাৰ্টিৰ তৰফৰ পৰা কৈছিলো যে এইটো আমেৰিকাৰ নিচিনা ধনীক দেশৰ পৰা অনা পৰিকল্পনা কেতিয়াও আমাৰ নিচিনা দুখীয়া দেশত কাৰ্য্যকৰী হব নোৱাৰে। এইটো ফুল দানি। ইয়াত ফুল সজাই থলেই নহয়। ফুল মৰহি যাব। স্থায়ী ভাবে ফুলৰ সৌৰভ লবলৈ হলে ফুল গছ কৰ লাগিব। আমি তেতিয়া যি কৈছিলো সেইটো বাস্তৱত ৰূপায়িত হৈছে। আজি লাখ লাখ টকা খৰচ কৰা হৈছে কিন্তু কৃষকৰ কাৰণে একো কৰিব পৰা নাই। কৃষক সকলক স্বাৱলম্বী হোৱাৰ পথত আগুৱাই নিব পৰা নাই। ব্লক বিলাকত যি বিলাক ঘৰ সজাইছিল সেইবিলাকত এতিয়া শিয়াল, ছাগলী, গৰু আদিৰ বাসস্থান হৈ পৰিছে। তাত থকা কৰ্মচাৰী সকলক এতিয়া কোনেও শ্ৰদ্ধাৰে নেচায়। জাপানী পদ্ধতিৰে খেতি কৰিবলৈ, উন্নত পদ্ধতিৰে খেতি

কৰিবলৈ হলে সাৰ, বীজ, পানী যোগান আদি হব লাগিব। যিসময়ত পানী যোগানৰ কাৰণে পাম্পৰ দৰকাৰ হৈছিল তেতিয়া মাত্ৰ প্ৰদৰ্শন-মূলক খেতি কৰাৰ কাৰণে যি পৰিমানৰ পাম্পৰ ব্যৱস্থা কৰিব লাগিছিল কৃষি কাৰ্য্যত সুযোগ সুবিধা যি ভাবে আগবঢ়াব লাগিছিল সেই ব্যৱস্থা চৰকাৰে বাহাল ৰাখিব নোৱাৰিলে। পথাৰ পৰিচলনা কমিটি কৃষি সম-বায় আদি গাৱে ভূঞে কৰা হৈছে যদিও তাৰ পৰা স্থায়ী উন্নত কৃষি পদ্ধতি প্ৰয়োগ কৰিব পৰা নহল। সেই পৰিকল্পনাই ভুল। এইটো কথা ঠিক যে আগৰ পৰিকল্পনাই এতিয়াও বাহাল আছে। নতুনত্ব একো হোৱা নাই। কৃষক সকলক স্বাৱলম্বী কৰাৰ কাৰণে একো নতুন আঁচনি দেখা নাই। অৱশ্যে এতিয়া এটা কথা শুনিবলৈ পাইছো যে 'বেনৰ' প্লেন জনতা চৰকাৰে গ্ৰহণ কৰিছে। সেই সম্পৰ্কে কমৰেড মুকুল হুদাই কৈছেই। বিশ্ব বেংকৰ পৰা যিটো টকা আহিব সেই বিশ্ব বেংকৰ কেচি-য়াৰ বা পৰিচালক জন হল ধনীক গোষ্ঠীৰ লোক। গতিকে এই বেংকৰ পৰা অনা ধন খিনিও ধনীক পৰিকল্পনাতহে কামত লাগিব। আনহাতে কৃষক সকলৰ কাৰণে অসমত যি টকা খৰচ কৰা হল সেইটো আমে-ৰিকাৰ পৰা ধাৰ কৰি আনি খৰচ কৰা হৈছে। এইধাৰ পৰিশোধ কৰি-বৰ কাৰণে যি ধৰণে উৎপাদন হব লাগিছিল সেই ধৰণে উৎপাদন নোহো-ৱাৰ ফলত আমি আমেৰিকাৰ ওপৰত এই ধাৰ পৰিশোধ কৰিবলৈ এই মেটমৰা বোজা বহন কৰিব লাগিব অসমৰ ছালচিগা কৃষক সকলেই। আনহাতে এইটো কথাও ঠিক যে কংগ্ৰেছ চৰকাৰ আৰু জনতা চৰকাৰৰ মাজত মূলগত কোনো পাৰ্থক্য নাই। এই কাৰণেই নাই যে তেওঁলোকে "জনতা চৰকাৰ" নাম লৈ কাম কৰিছে। কংগ্ৰেছৰ লগত পাৰ্থক্য একো নাই। আগৰ কংগ্ৰেছ চৰকাৰেও গান্ধীবাদত বিশ্বাস কৰিছিল আৰু এতিয়া জনতা চৰকাৰেও গান্ধীবাদত বিশ্বাস কৰে। আগৰ চৰকাৰেও গান্ধীবাদত

বিশ্বাস কৰি সমাজবাদৰ কথা কৈছিল আৰু মিশ্ৰিত অৰ্থনীতি গ্ৰহন কৰিছিল আৰু জনতা চৰকাৰেও মিশ্ৰিত অৰ্থনীতি গ্ৰহণ কৰিছে। জনতা চৰকাৰে কৈছিল যে কংগ্ৰেছতকৈ আমি জনতা চৰকাৰে নিকা আৰু ভালকৈ প্ৰশাসন চলাম। যদি সেই মতে কাম কৰে তেতিয়াহলে আমি কংগ্ৰেছতকৈ জনতা চৰকাৰে ভাল কৰিছে বুলি কম। বৰ বেছি পাৰ্থক্য আমি একো দেখা নাই।

(সময়ৰ সংকেত)

যি কি নহওক, কৃষিৰ আমূল পৰিবৰ্তন কৰিবলৈ হলে ধন তান্ত্ৰিক পদ্ধতিৰে কেতিয়াও কৃষিৰ উন্নতি কৰিব নোৱাৰিব সেই কাৰণে সমাজতান্ত্ৰিক পদ্ধতি কৃষিৰ ক্ষেত্ৰত প্ৰয়োগ কৰি তেনে ভাবে আগুৱাব লাগিব। কিন্তু কাগজে পত্ৰে সমাজবাদৰ কথা কলেই নহব বাস্তৱ ক্ষেত্ৰত তাক ৰূপায়িত কৰিবলৈ হলে সমাজতান্ত্ৰিক পদ্ধতি কামত খটুৱাব লাগিব তেতিয়াহলে আমি প্ৰকৃত সমাজবাদী ব্যৱস্থাৰে কৃষিৰ ক্ষেত্ৰত আগুৱাই যাব পাৰিম। গতিকে মই বৰ বেছি দীঘলীয়া নকৰো কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰী হৰেন্দ্ৰ দেৱ গোস্বামী :— মাননীয় উপাধ্যক্ষ মহোদয়, মই কৃষিমন্ত্ৰী মহোদয়ে দাঙি ধৰা ১৬০১৪৬৭০০ টকাৰ দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰিছো আৰু বিৰোধী দলৰ মাননীয় সদস্য সকলে দাঙি ধৰা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছো। ১৬ কোটি টকাৰ দ্বাৰা যদি কৃষি বিভাগত কাম কাজ সম্পাদন কৰাত অসুবিধা ঘটিছে, তেনে ক্ষেত্ৰত এই দাবী মঞ্জুৰী ১০০ টকা বা এটকালৈ হ্ৰাস কৰি কৃষি বিভাগ কেনেকৈ চলাব বুলি বিৰোধী দলে ভাবিছে। কৃষি বিভাগত ১৬ কোটি টকাৰ ভিতৰত দৰমহা শিতানত খৰচ হয় ৪, ০৪, ২৪ ৭০০ টকা। বিৰোধী

দলৰ কৰ্ত্তন প্ৰস্তাৱ সমুহে "কমিটেড দি ফেলাচী অৱ পষ্ট হগ্ এৰগো প্ৰপটাৰ হগ্" অৰ্থাৎ গৰু হালৰ আগত গাড়ীখন জুতি দি চলোৱাৰ কথা কৈছে। কৃষিৰ ক্ষেত্ৰত যি স্থবিৰতা আহিছে, সেই সম্পৰ্কে প্ৰকৃত পৰিসংখ্যা জনাটো কষ্টকৰ হৈছে। কৃষিৰ ক্ষেত্ৰত গণনা কৰা পৰিসংখ্যা কিমান দুৰ শুদ্ধ মই কব নোৱাৰো, কাৰণ যি পদ্ধতিত কৃষিৰ পৰিসংখ্যা লয়, তাৰ লগত বাস্তৱৰ কিবা সংহতি আছে নে নাই মই সন্দিহান।

এইটো কথা ঠিক যে অসম এখন কৃষি প্ৰধান ৰাজ্য হিচাবে, অসমৰ কৃষিৰ ক্ষেত্ৰত থকা হেঙাৰ সমুহ আতৰাব নোৱাৰিলে, কৃষিৰ ক্ষেত্ৰত উন্নতি সাধন কৰা সম্ভব নহয়। বেনৰ আঁচনিৰ জৰিয়তে কৃষিৰ প্ৰগতিৰ কথা চিন্তা কৰা হৈছে। অসমৰ খেতি পথাৰত ভৌগিলিক পৰিস্থিৰ কথা লক্ষ্য কৰিলে এই আঁচনি কিমান দুৰ কৃতকাৰ্য্য হৈছে বা হব, চিন্তা কৰা উচিত। এইটো দুখৰ কথা যে কৃষি বিভাগৰ বেনৰ আঁচনি ধাৰ্য্য কৰা টকাৰ পৰা ২৪ লাখ টকা উভতি যাব লগা হৈছে। তেনেহলে কি বেনৰ আঁচনিত যি চুক্তি হৈছিল সেই মতে অসমত কাম হোৱা নাই।

কৃষি বিভাগৰ পুণৰ সংগঠন কৰা হল। কেনেকৈ ? জ্ঞানী মুৰ্খ ৰজা মহম্মদ বিন্ টোগলকৰ পদ্ধতিৰে। ভৌগিলিক পৰিস্থিৰ প্ৰতি কান সাৰ নিদি ঘুটীয়া সঞ্চলক একোজনৰ তত্বাবধানত বিভিন্ন অঞ্চলক সামৰি লৈ একোটা জোন কৰিলে, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সমন্বিতে বিভিন্ন অঞ্চলৈ কাৰ্য্যলয় স্থানান্তৰিত কৰিবলৈ নিৰ্দেশ দিছে। এনে যদি কৃষি বিভাগৰ পুণৰ গঠন হয়, তেনেহলে মহম্মদ বিন্‌টোগলকৰ ৰাজত্ব আৰম্ভ হৈছে। ইয়াৰ পৰা নিস্তাৰ পোৱা টান। এই পুণৰ গঠনৰ ফলত নতুন নিয়োগৰ কোনো সম্ভৱনা নাই অথচ পুৰনি খিনিক চাৰিও ফালে

বিতাৰিত কৰাৰ ব্যৱস্থা হৈছে, মুখ্য কাৰ্য্যালয়ত অস্থিৰতাৰ সৃষ্টি কৰি।

সমূহীয়া উন্নয়ণ খন্দ সমূহত কিবা কৃষি আঁচনি আছে নে নাই মই নেজানো, কাৰণ ৰাস্তৱত একো দেখা নাই। ১৫০০০ টকা গুৱাহাটী মহকুমাৰ ১০ টা উন্নয়ন খণ্ডৰ কৃষি কাৰ্য্যৰ বাবে ধাৰ্য্য কৰা হৈছে-কথাটো সাঁথৰ সাঁথৰ লাগে। গ্ৰামোত্থান আঁচনি ৩-৪ খন উদ্বোধন কৰা বুলি বাতৰি কাকত যোগে জানিব পাৰিছো। এই গ্ৰামোত্থানখন কেনেকুৰা, কি একো নাজানো। কৃষি কাৰ্য্যত এই আঁচনি অন্তৰ্ভুক্ত হৈছেনে নাই? জনসাধাৰণক এই আঁচনি সম্পৰ্কে সজাগ কৰাৰ কিবা ব্যৱস্থা হৈছে নে নাই? জলসিঞ্চন বিজুলীৰ যোগান এই গ্ৰামোত্থান আঁচনিত অন্তৰ্ভুক্ত হৈছে নে নাই?

কৃষি মন্ত্ৰী নিজে এজন খেতিয়ক। কৃষি সম্পৰ্কে তেখেতৰ অভিজ্ঞতা প্ৰচুৰ। কিন্তু তেখেতে যি সকলক লৈ কৃষি বিভাগ চলাইছে তেখেত সকলৰ কিমান জনৰ খেতি কৰাৰ অভিজ্ঞতা আছে, কৃষকৰ সুখ দুখৰ লগত মিলি যোৱা সৌভাগ্য ঘটিছে। অসমৰ পথাৰৰ প্ৰকৃতিৰ সম্পৰ্কে কিমান জন বিষয়াই অধ্যয়ণ কৰিছে। তেখেতসকলৰ অধ্যয়ণৰ জৰিয়তে বিভিন্ন পথাৰ সমীক্ষা সম্পৰ্কীয় টোকা বোধকৰো বিভাগত নাই। এনে টোকাৰ অভাবত প্ৰকৃত খেতিৰ সম্পৰ্কে কিমান দূৰ পৰিকল্পনা কৰিব পাৰিছে—ই সন্দিহান হৈ উঠিছে।

মই আগতেও কৈছো আৰু এতিয়াও কওঁ বাৰ্ষিক পৰিকল্পনা ৭৪'-৩১ অংশ কৃষি, জলসিঞ্চন আৰু বিজুলী বাবে ধাৰ্য্য কৰিছে। এই তিনিটা

বিভাগে যুটীয়া ভাবে আঁচনি প্ৰস্তুত কৰক। নহলে জনসাধাৰণক ফাঁকি দিয়া হব।

ধুবুৰীত থকা কৃষি বিভাগৰ গোদামৰ পৰা কৃষিৰ সাৰ বীজ আদি বালাং দেশলৈ চালান হয় বুলি অভিযোগ উৎথাপন হৈছে। অনুসন্ধান কৰিলে সুখী হম।

গুৱাহাটী কৃষি অভিযন্তাৰ কাৰ্য্যলয়ত ফটুৰী কৃষি সমবায় সমিতিয়ে আজি ৩ মাহৰ আগতে ট্ৰেক্টৰৰ বাবে প্ৰায় ৩ হাজাৰ টকা জমা দিয়ে হাল বোৱাৰ বাবে। কিন্তু এই ট্ৰেক্টৰ এতিয়ালৈকে যোগান ধৰা নাই। টকা উভতাই দিয়া নাই। ইয়াৰ কাৰণ কি ?

কৃষি বিশ্ববিদ্যালয়ত যি সকলে পঢ়াশুনা কৰে তেখেতসকলে কিতাপৰ পাট লুটিয়াই থাকিলে জানো প্ৰকৃত শিক্ষা হব ? কৃষি বিশ্ব-বিদ্যালয়ত পঢ়া ছাত্ৰ ছাত্ৰী সকলৰ বিশ্ববিদ্যালয় প্ৰতিজনক পঢ়াৰ কিছু মাটি দিয়ক আৰু সেই মাটিত খেতি কৰি তেখেতসকলক পঢ়াৰ খৰচ যোগান ধৰক। ধনেৰে বৃত্তি দিয়া বন্ধ কৰক। এনে কৰিব পাৰিলেহে কৃষি সম্পৰ্কে ছাত্ৰ ছাত্ৰী সকলৰ প্ৰকৃত শিক্ষা হব। পাছ কৰি আহি মেজত বহি কাম কৰাৰ দিন উঠাবৰ হল, পথাৰত কাম কৰাৰ অভ্যাস কৰক।

গৰু কিনাৰ বাবে ঋণ দিয়া হয়। এহাল গৰু কিনিবৰ বাবে প্ৰায় ২ হেজাৰ টকা লাগে। আনহাতেদি হালোৱা গৰু পাবলৈ নোহোৱা হৈছে। গতিকে চৰকাৰক অনুৰোধ কৰো উন্নয়ণ খণ্ড সমূহত যথেষ্ট পৰি-মানে ট্ৰেক্টৰৰ যোগান ধৰক, এই ট্ৰেক্টৰ ভাৰা কৰি খেতি কৰাৰ বাবে

উদ্যগনি যোগাওক। এই কাম ১ বছৰত কৰিব পৰা নহব। কিন্তু লক্ষ্য আগত থাকিলে নিশ্চয় সুফল ধৰিব।

ভুমিসেনা গঠনৰ আঁচনিক স্বাগতম জনাইছো। দাইলৰ দাম বাঢ়ি আছে। আৰু বাঢ়ি থাকিব যেতিয়ালৈকে অসমত দাইলৰ খেতি পৰ্য্যাপ্ত পৰিমাণে কৰিব পৰা নহব। গতিকে চৰকাৰে দাইলৰ খেতি বৃদ্ধি কৰাৰ ব্যৱস্থা ললে সুখী হম। অসমৰ মাটিত কলাৰদাইল খেতি যথেষ্ট হয়, কলাৰদাইল খেতিৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই লওক।

কৃষি ঋণ দিয়া হয় কিন্তু কাক দিয়া হয় সেই সম্পৰ্কে বহুতো সমালোচনা হৈছে। ঋণ দিয়া হয় কিন্তু আদায় কৰা নহয়। আদায় কৰাৰ ক্ষেত্ৰত যি হেমাহি হৈছে, সেয়া অত্যন্ত পৰিতাপৰ কথা। আমাৰ মানুহে ঋণ পৰিশোধ নকৰে। ফলত এতিয়া ঋণ নোপোৱা হৈছে। ঋণ আদায় কৰাৰ বাবে কঠোৰ ব্যৱস্থা লব লাগে, নহলে ভৱিষ্যত বেয়া।

অতি পৰিতাপৰ কথা যে আমাৰ দেশত আজি দন্দৰ বিধান নোহোৱা হৈছে অকল কৃষি বিভাগেই নহয় সকলো বিভাগতে। গতিকে কোনোৱে কাকো মানিব নোখোজে। সকলোৱে স্বয়ম্ভু ৰাজা। এখন দেশৰ প্ৰশাসন বিনা শাস্তিত চলিব নোৱাৰে। গতিকে চৰকাৰে এই বিষয়ে ব্যৱস্থা লব। প্ৰশাসনত শাস্তিৰ ব্যৱস্থা থাকিব লাগিবই অগনতান্ত্ৰিক নহয়।

আমাৰ কৃষকে আজি কি বিচাৰে? সময়মতে খেতিৰ বীজ লাগে। বীজ ক'ত পায়? নাপায়। অতি দুখেৰে সৈতে মই কবলৈ বাধ্য হৈছো যে আগেয়ে আমাৰ গাওঁ সমূহত ধান, মাহ, সৰিয়হ, তিল আদিৰ বীজ

গাওঁতেই পাইছিল কিন্তু আজি কালি জিলা কৃষি বিষয়াৰ ওচৰতহে পায়। তেখেত থাকে চহৰত। কাগজৰ মঞ্জুৰী নহলে বীজৰ যোগান ধৰিব নোৱাৰে। এই প্ৰথা বাদ দিবৰ হল।

( At this stage Mr. Deputy Speaker vacated the Chair and Mr. Chairman Shri Premadhar Bora occupied it. )

আমাৰ গাওঁৰ মানুহে ধানৰ তপা কৰি বীজ সাঁচিছিল, কিন্তু আজি কালি ডি ডি টি প্ৰমুখ্যে বৈজ্ঞানিক ঔষধৰ মাজত পকা ঘৰত পেলাই থয়। গতিকে খেতিৰ সময়ত এই বীজৰ গজালি নগজে। কোনটো বিজ্ঞান সন্মত মই নাজানো।

আৰু এটা দুখৰ কথা কবলৈ বিচাৰিছোঁ, অসমৰ বাহিৰে আন ৰাজ্যত গৰু মুকলি কৰি ৰখাৰ নিয়ম নাই। গৰুৱে খেতি খাব, গতিকে খেতি নকৰো এই চিন্তাধাৰা অসমৰ মানুহে পৰিহাৰ কৰিবৰ হ'ল। লগতে গৰু বান্ধি ৰখা নিয়মো বলবৎ কৰিব লাগে। মাঘৰ পৰা তিনি মাহৰ বাবে অসমৰ পথাৰবোৰ এনেয়ে পৰি থাকে, এই কথা গভীৰ ভাবে চিন্তা কৰিবৰ হ'ল। আচল কথা হ'ল মানুহ চৰকাৰ মুখী হৈছে— চৰকাৰৰ পৰা সাহাৰ্য্য নেপালে যেন একোৱেই কৰিব নোৱাৰে, এই চিন্তা ধাৰা কি কাৰণে হৈছে? প্ৰশাসন কেন্দ্ৰীভূত হোৱা বাবে এনে চিন্তাধাৰাৰ উদ্ৰেক হৈছে। প্ৰশাসন বিকেন্দ্ৰীকৰণ কৰক, পঞ্চায়তক খেতিৰ দায়িত্ব দিয়ক। কৃষক সকলক পেন্সন দিয়াৰ আঁচনি কাৰ্য্যকৰী কৰক তেওঁলোকেও একেখন দেশৰে মানুহ বুলি যাতে অনুভৱ কৰিব

পাৰে, তাৰ বাবে কৃষক সকলক উদগনি দিয়াৰ ব্যৱস্থা কৰক। কৃষক সকলক বীজ দিয়া, সাৰ দিয়া ব্যৱস্থা উন্নত কৰক। ৰঙা ফিটাৰ মেৰপাক দলিয়াই দিয়ক। মঞ্জুৰী নাই বুলি খেতিৰ সময়ত বীজ দিব পৰা নহ'ল, এনেবোৰ অভিযোগ আঁতৰ কৰক।

এই বছৰ বাজেটত কৃষিমূলক শিক্ষাৰ বাবে ২ কোটি ১১ লাখ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। এই টকা যাতে অথলে নাযায় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

বিষয়া সকলে ভ্ৰমণ কৰে, কৰাটো উচিত, কিন্তু জিলা বা মহকুমাৰ সদৰ কাৰ্য্যালয়ত নহয়, খেতি পথাৰৰ লগত সমন্বয় ঘটাইহে ভ্ৰমণ কৰক। এই বছৰৰ বাজেটত কৃষি পামৰ বাবে ১ কোটি ৬৬ লাখ ২৪ শ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। মই অসমত থকা কৃষি পামবোৰ দেখা নাই। কিন্তু কাহিকুচি কৃষি পামখনক পাম বুলি কোৱাৰ শক্তি নাই। মাঘৰ পৰা এই পামখনো নিষ্ক্ৰিয় হৈ থাকে। এই পামখনে বাটৰ বাটৰুৱাক কয়— "মুছাফিৰ, তুমিও টুকিছা আজি বেদনাৰ নীৰ, চাই লোৱা চাই যোৱা, ইয়াতে লুকাই আছে, এখনি অণ্ঠ কণ্ঠ শুকাই পৰা এখনি বুকু।" পামখনৰ মাটিবোৰ ফাটি ওলাইছে, জীপ নাই, পানী পানীকৈ চিঞৰি আছে পানী নাই খেতি নাই। কৃষি পামেও আশা কৰে পাম বুলি।

আন এটা দিশ, এই পামত উৎপাদিত মালভোগ কলৰ দাম কিলোত পঞ্চাশ পইছা নিয়ন্ত্ৰিত দাম? এই বাজেটত ব্যৱসায়িক শস্যৰ শিতানত ৫৬ লাখ ৬১ হেজাৰ ৪শ টকা ধাৰ্য্য কৰা হৈছে। এই ব্যৱ-

সায়িক শস্য বিক্ৰী কৰি যোৱা বছৰত কিমান টকা লাভ কৰিছে জনালে সুখী হ'ম। মই জনাত প্ৰায় ৩০ লাখ টকা লোকচান হোৱা বুলি শুনিছোঁ। কৃষি বিভাগত গাওঁ পৰ্য্যায়ৰ সম্প্ৰসাৰণ কৰ্মী বা ভি, এল, ই ডব্লিও সকলৰ অভাৱ অভিযোগ সমূহৰ সম্পৰ্কে চৰকাৰে উদাসীনতা অবলম্বন কৰিছে। ১৫-২০ বছৰ কাম কৰাৰ পিচতো অস্থায়ীভাৱে কাম কৰি থাকিব লগাটো কিমান দুখদায়ক। নিম্ন কৃষি বিষয়া সকলৰ মাজৰ পৰা প্ৰথম শ্ৰেণী উঠাই দিয়া হ'ল। ১ক মাৰি খেতি পথাৰত পুতি থৈ ২,৩,৪ক খেতিত লগালে। কিন্তু খেতি কৰোতে সীতা মাটি ফুটি ওলোৱাৰ দৰে ১ক পুতিও মাৰিব নোৱাৰে। তেনে অৱস্থা হৈছে নিম্ন কৃষি বিষয়াসকলৰ প্ৰমোচন, দৰ্মহা, চাকৰিৰ স্থায়িত্ব ইত্যাদি সম্পৰ্কত। চৰকাৰে এই সকল কৰ্ম্মচাৰীক বিশ্বাসত লব লাগে।

কৃষিৰ প্ৰচাৰ বিভাগ আতাইতকৈ দুৰ্বল। সবল কৰাৰ চেষ্টা কৰিলে ভাল হয়। এই দুষাৰ কৈ কৰ্ত্তন প্ৰস্তাৱ সমূহৰ বিৰোধিতা কৰি দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনালোঁ।

শ্ৰীনেপাল চন্দ্ৰ দাসঃ— মাননীয় চেয়ারম্যান মহোদয়, কৃষিমন্ত্ৰী কৃষি খাতে যে টাকা ধাৰ্য্য করেছেন সেই টাকার উপর যে কর্তন প্রস্তাব আনা হয়েছে তা সমর্থন করে কয়েকটা উপদেশ আমি রাখতে চাই।

মহোদয়, জনতা সরকার কংগ্রেস সরকারের থেকে কৃষিক্ষেত্রে বেশী সুযোগ সুবিধা কৃষকদের দিয়েছেন বলে বলেছেন। শুধু আসামের যিনি কৃষি মন্ত্রী তিনিই নন, বিশেষ করে কেন্দ্রীয় অর্থমন্ত্রী চরণ সিং

যিনি নাকি ইণ্ডিয়ান ইকোনোমিক্সের অথর বলে পরিচিত তার যে বাজেট সেখানেও তিনি পরিস্কার বলেছেন যে কৃষকদের এ বৎসর বিশেষ সুবিধা দেওয়া হয়েছে। আসাম রাজ্য সরকারও সে কথা বলেছেন যে কৃষক-দের জন্য বিশেষ সুবিধা এই বাজেটে রয়েছে। কিন্তু আমরা দেখছি যে কেন্দ্রীয় বিত্ত মন্ত্রীর বাজেটে যে সব কৃষকদের সুবিধা দেওয়া হয়েছে তারা অধিকাংশই ধনী কৃষক এবং যে সব কৃষকদের চরণসিং'র বাজেটে সুবিধা দেওয়া হবে বলে বলেছেন তেমন কোন কৃষক আসামে একটিও নেই। কাজেই সেই ধনী শ্রেণী কৃষকদের জন্য কিছু করা হলে তা অত্যন্ত ভুল করা হবে।

আমাদের আসাম রাজ্যে অধিকাংশ লোক অর্থাৎ শতকরা ৮০-৯০ জনই কৃষক। মহোদয, আমাদের রাজ্যের ভূমি বিহার বা ওরিষ্যার ভূমি থেকে অনেক উর্বরতর। এই উর্বরা শক্তি থাকা স্বত্বেও আজ আমাদের খাদ্য শস্য পাঞ্জাব ও হারিয়ানা থেকে আনতে হচ্ছে। অত্যন্ত দুখের কথা আজ কৃষকদের সুবিধা করতে হবে বলে বলা হচ্ছে কিন্তু কৃষি বিভাগের সঙ্গে ইরিগেশন বিভাগ, ফ্লাড কণ্ট্রোল বিভাগ ও পশু বিভাগের জন্য যে সমন্বয় থাকা দরকার সেই সমন্বয় আমাদের রাজ্যে নেই। আমার মতে এই বিভাগ গুলির সমন্বয় থাকতে হবে, কৃষকদের ব্যাংক থেকে লোন পাওয়ার সুবিধা করে দিতে হবে। আজকে বলতে শোনা যাচ্ছে ব্যাংকগুলি আসাম থেকে যতটাকা সংগ্রহ করছে তার মাত্র শতকরা ৪০ ভাগ টাকা এখানে খরচ করছে। কিন্তু এই যে খরচ হচ্ছে তাও আবার কৃষকদের জন্য নয়— যারা কোটী টাকার মালিক, লক্ষ লক্ষ টাকার ব্যবস্থা করে তাদের জন্য এই টাকা খরচ হচ্ছে। আমার মনে হয়

শতকরা ২ ভাগ টাকাও কৃষকদের জন্য খরচ হচ্ছে না। কাজেই কৃষক-দের উন্নতির কথা চিন্তা করতে হলে আমাদের ব্যাংকগুলি গ্রামে টেনে আনতে হবে। গ্রামের কৃষকদের সময়মত কৃষি ঋণ দেওয়ার ব্যবস্থা করতে হবে।

চেয়ারম্যান মহোদয়, আজকে ব্যাংক থেকে ঋণ দেওয়ার যে পদ্ধতি তা আমার মতে ভাল নয়। কারণ আমাদের যেসব প্রকৃত কৃষক তারা সবাই গরীব। যাদের মাটি আছে তাদের সবার মাটির পাট্টা নাই। তারা ব্যাংক থেকে লোন নেবার জন্য বোণ্ড দেওয়ার পরেও দেখা যায় যে মাটির মালিক ঠিক নাই। সময় মত সবকিছু ঠিক থাকলে সময় মত ব্যাংক থেকে টাকা দেওয়া হয়। সময়মত টাকা না পাওয়াতে এই-সব কৃষকরা তাদের প্রয়োজনীয় সার বীজ এবং জল পায় না।

(ভয়েস :— জলমন্ত্রীতো আপনার কাছেই থাকেন?)

সুতরাং সব দিক দিয়ে যদি দৃষ্টি রাখা না যায় তাহলে কৃষি বিপ্লব আসবে না।

চেয়ারম্যান মহোদয়, আমি কাছাড় জেলার কয়েকটি বড় বড় ফিল্ডের কথা বলেছি। এই সব ফিল্ডে বর্ষাকালে জলে ভর্ত্তী থাকে আর হেমন্তকালে শুকিয়ে যায়। এই সব ফিল্ড অসময় জল আসিয়া গোটা ফসলই নষ্ট করে ফেলে। কাজেই আমি মাননীয় কৃষিমন্ত্রী মহো-দয়কে অনুরোধ করছি যে এই ফিল্ডগুলি থেকে কি করে লক্ষ লক্ষ মন ধান নষ্টের হাত থেকে রক্ষা করা যায় তার বিহিত ব্যবস্থা হাতে নিবেন।

চেয়ারম্যান মহোদয়, আমাদের দেশে যেসব অঞ্চলে নদী ভরাট জমি সেসব যায়গায় ভাল পাট, সরিষা এবং মশুরী ডাল হয়। কিন্তু এইসব মশুরী ডালের বাকল ছাড়ানো যায় না। এইসব ডালের বাকল ছাড়ানোর জন্য আমাদের রাজ্যে মেশিনের দরকার। আশাকরি মন্ত্রী মহোদয় এই মেশিনের কথা বিশেষ ভাবে চিন্তা করবেন।

(হাসি।)

এই ভাবে কৃষকদের উৎসাহ দিতে পারলে আমাদের রাজ্যে মশুরীর ডাল উৎবৃত্ত হবে।

মাননীয় চেয়ারমেন মহোদয়, আমি ব্যক্তিগত ভাবে বলতে চাই যে, অফিসারদের গাফিলতির জন্যেই আমাদের কৃষি ব্যবস্থার এই অবনতি হইয়াছে। আমি যখন ১৯৬৭-৬৮ সালে গাওঁ পঞ্চায়েত প্রেসিডেণ্ট ছিলাম তখন গম চাষের জন্য ব্লক অফিসার আমারে অনুরোধ করে এবং গমের চাষের জন্য ২০ বিঘা জমি লওয়া হয় এবং পূর্বে মাটি পরীক্ষা করে জানাই গম হবে কিন্তু দেখা যায় ২০ বিঘার মধ্যে প্রত্যেক বিঘায় মাত্র ১০০-১৫০ ছড়া ফুটেছে এবং অফিসারের বিশেষ অভি-জ্ঞতা না থাকায় এইরূপ হয়েছে। সুতরাং আমি বলতে চাই যে, সর-কার যাতে গরীব চাষীদের উন্নত ধরণের সার ও বীজ দিয়ে সাহায্য করেণ।

মাননীয় চেয়ারমেন মহোদয়, আমি আশা করি, নিশ্চয়ই এই সর-কার উন্নত ধরণের কৃষি-পদ্ধতি করার জন্য গরীব চাষীদের সহায়তা করিবেন এবং আমাদের খাদ্য-শস্যের অভাব থাকিবেনা। এই বলে,

কাট-মোশন সমর্থন করে, আমি আমার বক্তব্য শেষ করছি।

শ্রীফনী মেধী :— মাননীয় চেয়াৰমেন মহোদয়, মাননীয় কৃষি মন্ত্ৰী মহোদয়ে বাজেটত ১৬ কোটি টকা কৃষিৰ শিতানত নিৰ্দ্ধাৰণ কৰিবলৈ দাবী জনাইছে। অসমৰ শতকৰা ৯১'১ ভাগ মানুহেই পৰোক্ষ বা প্ৰত্যক্ষ ভাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল, অথৱা কৃষক। এই ৯১ ভাগ মানুহৰ কাৰণে যিখিনি টকা ধাৰ্য্য কৰা হৈছে এই টকা খিনি প্ৰয়োজন অনুসাৰে নিতান্তই কম। বাজেটত অন্ততঃ ইয়াৰ দুগুণ টকা ধাৰ্য্য কৰা উচিত আছিল। তথাপি এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিবলগীয়া হৈছে এই কাৰণেই যে যিখিনি টকা বাজেটত ধৰা হৈছে আৰু যিখিনি কৃষিৰ শিতানত খৰছ কৰি চৰকাৰে আঁচনি আদি কৰিব বুলি দেখা যায় তাৰ দ্বাৰা যিখিনিৰ উপকাৰ হয় গাঁৱে গাঁৱে গাওঁ অঞ্চলৰ প্ৰকৃত খেতিয়ক সকলৰ নিম্নতম ভাগহে খেতিয়ক সকলে পায়। নিম্নতম ভাগ মানে নগন্যতম।

চেয়াৰমেন মহোদয়, অসমত যদি এই কৃষি বিভাগটো একেবাৰে নাথাকিলেহেঁতেন মাননীয় মন্ত্ৰী মহোদয়ে হয়তো কব কৃষি বিভাগটো যেতিয়া নাছিল তেতিয়া বোধহয় অসমত যি উৎপাদন হৈছিল এই উৎপাদন কম পৰিমানৰ হোৱা নাছিল। এই কৃষি বিভাগটো থকাত ডাঙৰ ডাঙৰ কৃষি বিষয়া কিছুমান আমি নিয়োগ কৰাৰ সুবিধা পাইছো কিন্তু যদি কৃষি বিভাগটো নাথাকিলহেঁতেন বোধহয় উৎপাদন বেছি হলহেঁতেন।

এই কৃষি বিভাগটো এটা প্ৰদৰ্শনী। এই বিভাগৰ জৰিয়তে প্ৰকৃত খেতিয়ক সকলৰ এক পইচাও উপকাৰ হোৱা নাই। গতিকে

যিবিলাক টকা এই বাজেটত বৰাদ্ধ কৰা হৈছে কৃষি বিভাগৰ কাৰণে এইটো তুখীয়া কৃষকৰ কাৰণে ব্যয় কৰা নহব বুলি কৈ এই বিভাগৰ বিষয়াসকলৰ কাৰণে ব্যয় কৰা হব বুলি বাজেটত থকাহেঁতেন কথাটো অত্যন্ত সত্য হলহেঁতেন।

উপাধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্রত এটা কথা মই ভাবো আৰু সকলো শ্রেণীৰ চিন্তাশীল মানুহেই কথাটো সমর্থন কৰিব নিশ্চয়। যে যেতিয়ালৈকে আমূল ভূমিসংস্কাৰ নহয়, তেতিয়ালৈকে প্ৰকৃত খেতিয়ক সকলে মাটিৰ অধিকাৰী হব নোৱাৰে, যেতিয়ালৈকে ভূমিৰ যি বণ্টন, সেই বণ্টন প্ৰয়োজন ভিত্তিক নহয় তেতিয়ালৈকে কৃষকৰ উন্নতি হব নোৱাৰে। আৰু কৃষিৰ উন্নতি বা কৃষকৰ উন্নতি নহলে উৎপাদন বাঢ়িব নোৱাৰে। প্ৰকৃত খেতিয়ক সকলে যদি মাটিৰ মালিক হব নোৱাৰে তেতিয়া-হলে দেশত শিল্পৰ বিকাশ কেতিয়াও হব নোৱাৰে। আৰু শিল্পৰ বিকাশ নহলে দেশৰ যিবিলাক জলন্ত সমস্যা সেই সমস্যাৰ সমাধান কেতিয়াও নহব। বস্তুৰ যিটো বৰ্দ্ধিত মুল্য সেইটো কেতিয়াও নামি নাহিব, মুদ্ৰাস্ফীতি যিধৰণে ঘটিছে সেইটো কমি নাহে আৰু আনহাতে যিসকলে মেহনত কৰে যিসকল শ্ৰমজীৱি তেওঁলোকৰ অৱস্থা দিনক দিনে বেছিকৈ বেয়াৰ ফাললৈ যাব। গতিকে মুখ্য প্ৰশ্ন হৈছে আমূল ভূমি সংস্কাৰৰ প্ৰয়োজন। উপাধ্যক্ষ মহোদয়, ভূমিসংস্কাৰৰ নামত আগৰ চৰকাৰে যিটো কৰিছিল, তেতিয়া আমি জেলত আছিলো। জেলৰ ভিতৰত আমি বাতৰি কাকতত দেখিছিলো যে বহুত মাটি বিতৰণ কৰা হল, তাৰ পিচত দেখিলো ইমান লাখ মাটি বিতৰণ কৰা হল, পিচত দেখিলো যে যিমান ভূমি চৰকাৰে বিতৰণ কৰা বুলি কাগজত ওলালে সিমান মাটি অসমত নায়েই।

উপাধ্যক্ষ মহোদয়, ভূমি সংস্কাৰৰ নামত যি সকলে আইন তৈয়াৰ কৰিছে সেই আইন বিলাকত প্ৰকৃততে ডাঙৰ ডাঙৰ ফাক ৰাখি গৈছে। চিলিঙৰ আইনেই হওক বা আধিয়াৰ আইনেই হওক ভূমি সংস্কাৰৰ ক্ষেত্ৰত যিবিলাক আইন তৈয়াৰ কৰিছে প্ৰত্যেকখন আইনতেই খেতিয়ক সকলক ফাকি দিয়াৰ কাৰণে, খেতিয়ক সকলক প্ৰৱঞ্চনা কৰাৰ কাৰণে আইন ৰচনা কৰিছে। আৰু এই আইনৰ মাজেৰে ডাঙৰ ডাঙৰ ৰৌ-বৰালী, যিবিলাক মাটিগীৰি আছে, যিবিলাক জমিদাৰ আছে তেওঁলোকে মাটিৰ অধিকাৰী হৈ আছে।

উপাধ্যক্ষ মহোদয়, চিলিং আইনৰ ফলত প্ৰকৃততে যিবিলাক মাটিহীন তেওঁলোকে মাটি পোৱা নাই। যিসকলৰ ৫০ৰ পৰা ৫৫ বিঘালৈ মাটি আছে আৰু ৩ গণ্ডাকৈ লৰা-ছোৱালী আছে তেওঁলোকৰ পৰা চৰকাৰে মাটি অধিগ্ৰহণ কৰিছে আনহাতে যি সকলৰ ২শ বিঘা, ৩শ বিঘা ৫০০ বিঘা মাটি আছে তেওঁলোকে লৰাৰ নাম, ছোৱালীৰ নামত, নাতিয়েকৰ নাম, কুকুৰ, মেকুৰীৰ নামত মাটি নামজাৰী কৰি থৈছে, সেই মাটি বিলাক চিলিঙত ওলাই নাহিল।

উপাধ্যক্ষ মহোদয়, জনতা পাৰ্টিৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছে যে চিলিঙত যিবিলাক মাটি অধিগ্ৰহণ কৰা হৈছে সেইবিলাক সেইখিনি বিতৰণ কৰি দিব লাগে। কিন্তু আগৰ চৰকাৰৰ দিনত যি বিলাক দুখীয়া মানুহক মাটি দিয়া হৈছিল জনতা চৰকাৰৰ দিনত সেই মাটি বিলাক মাটিৰ মালিকে কেচ খেলিয়েই হওক বা বেদখল কৰিয়েই হওক পুনৰ নিজৰ হাতলৈ আনিছে। গতিকে চিলিং উৎবৃত্ত মাটি কাগজে পত্ৰহে বিতৰণ কৰা হৈছে প্ৰকৃত ক্ষেত্ৰত বিতৰণ কৰা হোৱা নাই। গতিকে আজি

জনতা চৰকাৰে যিটো ব্যৱস্থা লৈছে এই ব্যৱস্থাৰ আমূল পৰিবৰ্তন নকৰিলে, আমূল ভূমি সংস্কাৰ নকৰিলে আমাৰ জনজীৱনৰ মৌলিক সমস্যাৰ সমাধান নহব। কিন্তু উপাধ্যক্ষ মহোদয়, এটা কথা জনতা চৰকাৰে সদায়েই ঘোষণা কৰি থাকে, এইটো হৈছে কিবা এটা কলেই কয় যে উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰি দিয়া হৈছে। সমবায়ৰ ক্ষেত্ৰত কলেই কয় উচ্চ ক্ষমতাৰ কমিটি কৰা হৈছে। গতিকে সদায় উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰাৰ কথাই শুনি থাকো। কিন্তু এই উচ্চ ক্ষমতাৰ কমিটি বোৰে কি ধৰণে জনসাধাৰণৰ সমস্যা সমাধান কৰিব তাত সন্দেহ আছে। তাত যি সকল সভ্য থাকে তেওঁলোক বহুতেই মাটিৰ মালিক আৰু সেই কাৰণে প্ৰকৃত খেতিয়ক সকলৰ অভাৱৰ সম্পৰ্কে তেওঁলোকৰ জ্ঞান মুঠেই নাই। কেৱল তেওঁলোক কলিকতীয়া ভদ্ৰলোকৰ নিচিনা উপৰে উপৰে কথা বিলাক চায়। গতিকে এওঁলোকৰ হাতত যদি খেতিয়ক সকলৰ মৌলিক সমস্যাৰ সমাধান কৰিবলৈ দিয়া হয় সি কেতিয়াও সমাধান নহয়। দ্বিতীয় কথা হ'ল কৃষক সকলক বহুতো বস্তু দিম বুলি, বহুতো সুবিধা দিয়া হব বুলি সদায় কৈ অহা হল। উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত হংকঙত এটা সম্প্ৰদায় আছে তেওঁলোকৰ মানুহ মৰিলে কান্দিবলৈ ভাৰা কৰি মানুহ অনা হয়। ঠিক তেনেকৈ খেতিয়কৰ সমস্যা বিলাকৰ সমাধানৰ কাৰণেও ৰাজনৈতিক চাল খেলা আমি দেখিবলৈ পাইছো। এইদৰে খেতিয়কৰ সমস্যা সমাধান নহয়। কৃষক সকলৰ আজি ভূমি সমস্যাৰ লগতে আৰু বহুতো সমস্যা আছে।

( সময়ৰ সংকেত )

উপাধ্যক্ষ মহোদয়, আজি খেতিয়ক সকলে কৃষিজাত সামগ্ৰীৰ

উচিত মূল্য নাপায়। কৃষি আৰু শিল্পজাত সামগ্ৰীৰ আজি মূল্য আকাশ পাতাল প্ৰভেদ। আজিৰ পৰা ২০ বছৰ আগতে কৃষি সামগ্ৰীৰ যি মূল্য আছিল বৰ্তমানেও একেই আছে। আনহাতে শিল্পজাত সামগ্ৰীৰ মূল্য ১০ গুণ বাঢ়িছে। আজি কৃষক সকলক তেওঁলোকৰ কৃষিজাত সামগ্ৰীৰ মূল্য নিদি দালাল আৰু ধনী মানুহ বিলাকক সুবিধা দিয়া হয়। কৃষক সকলৰ যিবিলাক প্ৰয়োজনীয় বস্তু সেই বিলাক তেওঁলোকে অধিক দাম দি কিনিব লাগে। গতিকে কৃষক সকলৰ আয় হোৱাৰ ৰাস্তা এক হলে পইচা যোৱাৰ ৰাস্তা ১০ হয়। গতিকে তেওঁলোকে কেনেকৈ উন্নতি কৰিব। গতিকে কৃষক সকলক তেওঁলোকৰ কৃষিজাত সামগ্ৰীৰ কাৰণে নাৰ্য্য মূল্য দিব লাগে। উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে আজিৰ পৰা ৩০ বছৰ আগতে মৰাপাটৰ বস্তাৰ যি ৭০-৮০ টকা আছিল সেই ৭০-৮০ টকাই আছে। আজি খেতিয়ক সকলে আয় কৰা বস্তু মূল্য ঠিকে আছে। আনহাতে যিবিলাক বস্তু কৃষক সকলে ক্ৰয় কৰে সেই বিলাক বস্তুৰ মূল্য ১০ গুণলৈ বাঢ়িছে।

গতিকে আজি জনতা চৰকাৰে এনেকুৱা এটা 'বল্ড' ষ্টেপ লব লাগে যাতে আমাৰ কৃষক আৰু খেতিয়ক সকলে তেওঁলোকৰ উৎপাদিত বস্তুৰ নাৰ্য্য দাম আৰু উচিত মূল্যত পায়। মই জনতা চৰকাৰক স্বাগতম জনাইছো যে আমাৰ খেতিয়ক সকলক পেন্সন দিয়াৰ ক্ষেত্ৰত যিটো ব্যৱস্থা চৰকাৰে ললে, ইয়াৰ কাৰণে অকল ময়ে নহয় আমাৰ অসমৰ ৰাইজ আৰু খেতিয়ক ৰাইজে ধন্যবাদ জনাব। কিন্তু ইয়াত এটা 'কনদিচন' লগাই দিছে যে যাৰ খেতিৰ বাহিৰেও অন্যান্য ধৰণৰ কিবা আয়ৰ পথ আছে সেই সকলে নাপায়। কিন্তু আচৰিত কথা আমাৰ যিসকল

চৰকাৰী কৰ্ম্মচাৰী আছে সেই সকলে নাপায়। কিন্তু আচৰিত কথা আমাৰ যিসকল চৰকাৰী আছে, দি, চি (এচ, দি, অ' আই, এ, এচ, আছে সেই সকলৰ লৰা-ছোৱালীয়ে কোনোবাটোয়ে ডাঙৰ ডাঙৰ চাকৰি কৰিছে কোনোবাটো নিজেই চেক্ৰেটৰী হৈছেগৈ। কিন্তু তেওঁলোকতো চৰকাৰৰ পৰা পেন্সন পাই আছে। অথচ আজি আমাৰ এই কৃষক খেতিয়ক সকলে ওৰে জীৱন খেতি কৰি ৬০-৭০ বছৰ পাৰ কৰাই দিলে আৰু তেওঁলোকৰ কোনোবাটো লৰা-ছোৱালীয়ে খেতিৰ প্ৰতি বিতুষ্ট হৈ বা আন উপাৰ্জনৰ পথ বিচাৰি কৰবাত চাকৰি কৰিলে বা অইন উপাৰ্জন পথ উলিয়ালে সেই বুলিয়েই সেই মানুহজনে পেন্সন নেপাব সেইটো কি ধৰণৰ কথা। তেওঁলোকৰ মাজত এনেকুৱা হয় যে কেইবাদিনো নোখোৱাকৈ থাকিব লগীয়া হৈছে সেইকাৰণে মই জনতা চৰকাৰক এই ক্ষেত্ৰত এটা বলিষ্ঠ পদক্ষেপ লৈ যাতে সকলো কৃষকে নিয়ম অনুযায়ী পেন্সন পাব পাৰে তাৰ কাৰণে সিদ্ধান্ত লয়। পেন্সনৰ ব্যৱস্থাটো কাৰণে মই ধন্যবাদ দিছো। আজি সেউজ বিপ্লৱৰ কথা কৈছে। সমাজতান্ত্ৰিকৰ মাজত নামত ইম্পেৰিয়েৰিষ্ট সকলৰ সা-সুবিধাৰ কাৰণে এই 'সেউজ বিপ্লৱৰ' ভুৱা আৱাজ দি মানুহক প্ৰবঞ্চনা কৰিবলৈ বিচৰা হৈছে। গান্ধীৰ বিপ্লৱটো কথা কৈ এইখন দেশত ভুৱা আৱাজ দি থকা হৈছে। অথচ এইখন অসম দেশতে, ভাৰতবৰ্ষত শতকৰা ৭০ জন মানুহে দৰিদ্ৰ সীমা ৰেখাৰ তলত থাকিব লগীয়া হৈছে। এই বিপ্লৱৰ সূচনা কৰিছিলে। সেয়েহে এই সেউজ বিপ্লৱক মই টাইম ব'ম বুলি অভিহিত কৰিব বিচাৰিছো।

(সময়ৰ সংকেত)

মাননীয় উপাধ্যক্ষ মহোদয় মই এটা পইণ্ট কৈ শেষ কৰিব বিচাৰিছো আজি মাইনৰটি সকলৰ বিষয়ে বহুতো কথা কোৱা হয়। কিন্তু ব্ৰহ্মপুত্ৰ চ'ৰ এলেকাত যিবিলাক কৃষকে খেতি কৰি আছে সেইসকলে তেওঁলোকৰ উৎপাদিত বস্তুৰ মূল্য কোনো দিনে পোৱা নাই। তেওঁলোকে আজি এসেৰ গাখীৰ আঠ অনা বাৰ অনাত বেচিব লগা হৈছে। অথচ তেওঁলোকৰ লাগতিয়াল বস্তু কিনিব লগীয়া হৈছে তাতকৈ বহুত অধিক দামত। আৰু কণী টকাত ৩-৪ টাকৈ বিকিব লগীয়া হৈছে। ইয়াৰ কাৰণ হল তেওঁলোকৰ যোগাযোগ ৰাস্তা পথৰ ব্যৱস্থা অতিকৈ শোচনীয়। তেওঁলোকে উৎপাদিত দ্ৰব্য যাতে উচিত মূল্যত বিক্ৰী কৰিবলৈ পায় তাৰ কাৰণে ব্যৱস্থা কৰাৰ দাবী মই কৰো। কৃষক সকলে তেখেত সকলৰ উৎপাদত বস্তুৰ নাৰ্য্য দাম পাব লাগে সেইদৰে আজি অনুসূচিত জাতি, জনজাতিৰ কথা কৈ থকা হয়, মাইনৰিটি কথা কৈ থকা হয় কিন্তু প্ৰকৃততে তেওঁলোকৰ বাস্তৱ উন্নয়ণৰ ক্ষেত্ৰত কি কৰা হৈছে। ইঞ্জিনিয়াৰ সকলে সেই অঞ্চল বিলাকত ৰাস্তা পদূলী কৰাৰ ক্ষেত্ৰত টেক্‌নিকেলী চাউন্দ নহয় বুলি কব খোজে। কিন্তু তাত যদি ৰাস্তা পদূলী আৰু যাতায়তৰ সুবিধা কৰি দিব পাৰি তেতিয়াহলে কৃষক সকলে তেওঁলোকৰ উৎপাদিত বস্তু কিনা বেচা কৰাত সুবিধা পাব আৰু তেওঁলোকৰ উৎপাদিত বস্তু নাৰ্য্য দাম পোৱাৰ বিশেষ অসুবিধা নহব।

শ্ৰীভুবনেশ্বৰ বৰ্মন :— মোৰ পইণ্ট অৱ অৰ্ডাৰ আছে, যে মাননীয় সদস্য গৰাকীয়ে বক্তৃতা দিওঁতে মাননীয় উপাধ্যক্ষ মহোদয়ৰ ফালে আঙুলিয়াছে।

শ্ৰীফণী মেধী :— উপাধ্যক্ষ মহোদয় মই সামৰণি মাৰিম। জনতা

চৰকাৰক অনুৰোধ কৰিছো এই বিস্তিন চ'ৰ এলেকাত ভূমি সংস্কাৰৰ এটা আমোল পৰিবৰ্ত্তন প্ৰয়োজন হৈ পৰিছে। সেই প্ৰয়োজনীয়তাৰ প্ৰতি জনতা চৰকাৰে উপলব্ধি কৰি সেই চৰ এলেকা কৃষক সকলৰ যিটো সমস্যা সেই সমস্যা সমাধান কৰাৰ কাৰণে চেষ্টা কৰিব বুলি আশা কৰি এই বেচিকৈ খিনি সময় কৰলৈ দিয়াৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই শেষ কৰিলো।

শ্ৰীউমেশ দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি মন্ত্ৰী মহোদয়ে যিটো মঞ্জুৰী উৎথাপন কৰিছে সেই মঞ্জুৰীৰ দাবীৰ প্ৰতি সমৰ্থন জনাই যি কৰ্ত্তন প্ৰস্তাব ইয়াত উৎথাপিত হৈছে সেইটো মই বিৰোধিতা কৰি খুব চমুকৈ দুআষাৰ মান কৰলৈ বিচাৰিছো। বিশেষকৈ কৃষিৰ শিতানত এতিয়ালৈকে যথেষ্ট সংখ্যক সদস্যই অংশ গ্ৰহণ কৰিছে। আৰু দীঘলীয়া আলোচনা হল মই আৰু দীঘলীয়া কৰিব বিচৰা নাই। কৃষিৰ জৰিয়তেই মানব সভ্যতা সুচনা হয়। আৰু তেতিয়াৰ পৰাই আজিলৈ বিভিন্ন ৰাষ্ট্ৰই বৈজ্ঞানিক ধৰণে কৃষিৰ উন্নয়ণ কৰি তেওঁলোকে অৰ্থনৈতিক দিশত যথেষ্টখিনি আগুৱাই গৈছে। সেই ক্ষেত্ৰত অসমৰ কথা যদি চোৱা হয়, এইটো বৰ দুখ লগা ছবি হয়। অতি পৰিতাপৰ কথা আজিও এই প্লটনিকৰ যুগতো আমাৰ অসমত বুঢ়া গৰু, যাক পথাৰত ঠেলি দিলে বাগৰি পৰে তেনেকুৱা গৰুৱে খেতি কৰি জীৱিকা উপাৰ্জনৰ পথ বাহিৰ কৰিছে। আজি দেখা যায় বাহিৰৰ ঠাই বিলাকত শতকৰা ১০ জন মানুহে খেতি কৰি ১০০ জন মানুহৰ খাদ্য সম্ভাৰৰ যোগান ধৰে। অথচ আমাৰ দেশত শতকৰা ৯০ জন মানুহে হাৰভঙা পৰিশ্ৰম কৰিও ১০০ জন মানুহৰ কাৰণে খাদ্যৰ যোগান ধৰিব পৰা

নাই। এনেকুৱা এটা পৰিস্থিতিত আজি কৃষিৰ ক্ষেত্ৰত কেনেধৰণৰ পদক্ষেপ লব লাগিব সেইটো চিন্তা কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে। আজি কৃষিৰ ক্ষেত্ৰত যিবিলাক উন্নয়ণমূলক আঁচনি লোৱা হৈছে সেইবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে যথেষ্ট সতৰ্কতা অৱলম্বন নকৰিলে আজি আমি যিধৰণৰ সমস্যাৰ সম্মুখীন হৈছো সেই সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আমি আশা কৰা মতে কেতিয়াও ফল নেপাম। মই সংক্ষেপে কেইটামান কথা কব বিচাৰিছো, কৃষি উন্নয়ণৰ ক্ষেত্ৰত গ্ৰাম্য উন্নয়ণ আৰু কৃষকৰ উন্নতি কল্পে কৃষকক কিবা যদি উপকৃত কৰিব খোজো তেতিয়াহলে আমি কেইটামান কথালৈ মন দিব লাগিব। প্ৰচলিত পদ্ধতিৰে আওপুৰণি কৃষি পদ্ধতিৰে কৃষি কৰিবলৈ হলে আমি আগুৱাই যোৱাটো টান হব। বৰ্ত্তমান জনতা পাৰ্টি আৰু আধুনিক পদ্ধতিৰে যদি আমি আমাৰ গাৱলীয়া কৃষকক খেতি কৰাৰ কাৰণে এই যন্ত্ৰপাতি বিলাক আৰু সাৰ বীজ ইত্যাদি সহজে দিব পাৰো আৰু সহজলভ্য কৰি তুলিব পাৰো তেতিয়াহলে আগবাঢ়ি যোৱাৰ আশা আছে। এইটো নিতান্তই প্ৰয়োজনীয় কথা। দ্বিতীয় কথা হল আমি যিবিলাক খেতিৰ সা-সজুলি কৃষিৰ যাবতীয় সাৰ বীজ ইত্যাদি কৃষক সকলক যোগান ধৰো সেইবিলাক সময়োপযোগী আৰু সঠিক সময়ত দিব নোৱাৰা কাৰণে সেই বিলাক কামত নলগা হৈ পৰে। কেতিয়াবা সেই বীজ বিলাক পলমকৈ পোৱাৰ কাৰণে খেতি পথাৰত নলগাই ভাত খোৱা বা গৰুৰ দেনা হিচাবে ব্যৱহাৰ কৰা হয়। কৃষিৰ উন্নতিৰ হকে সাৰ যোগান পেষ্টিচাইড ইত্যাদিত নিৰ্দিষ্ট সময়ত উপযুক্ত সময়ত খেতিয়কৰ ওচৰলৈ বা হাতলৈ যাতে আহে সেই বিষয়ে ব্যৱস্থা কৰাটো নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে তাৰোপৰি

বিশেষকৈ ৰেগুলেটিং মাৰ্কেটিং ব্যৱস্থা নথকাৰ ফলত কৃষক বন্ধুসকল নিশ্চয় উপকৃত হব পৰা নাই। সেই উদ্দেশ্যে বিভিন্ন অঞ্চলত অন্ততঃ প্ৰত্যেক মহকুমাতে তেনে ধৰনৰ ৰেগুলেটিং মাৰ্কেটৰ ব্যৱস্থা কৰি আমাৰ কৃষক বন্ধু সকলে যি শষ্য উৎপাদন কৰে তাৰ উচিত মূল্য পাবলৈ চৰকাৰে ব্যৱস্থা কৰিব লাগে। তাৰোপৰি মই আন এটা কথা কবলৈ বিচাৰিছো যে আমাৰ যিটো প্ৰশিক্ষণ ব্যৱস্থা আছে সেই প্ৰশিক্ষণ ব্যৱস্থা যি ধৰণে হব লাগিছিল তেনে ধৰণে হোৱা নাই। অৱশ্যে এই কথা ঠিক যে আমাৰ খেতিয়ক সকল খেতিৰ বিষয়ত অভিজ্ঞতা নথকা নহয়। তথাপি আমি বৰ্ত্তমান যিবিলাক বিজ্ঞান পদ্ধতিৰে খেতি কৰিবৰ সূচনা কৰিছো সেই ক্ষেত্ৰত আমাৰ খেতিয়ক সকলক উপযুক্ত ভাবে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি সেই সুবিধা যাতে আমাৰ খেতিয়ক সকলে গ্ৰহণ কৰিব পাৰে সেইটো পৰামৰ্শ আগবঢ়ালো। গতিকে ইয়াৰ বাবে আমাৰ প্ৰত্যেক ব্লকত অন্ততঃ সপ্তাহত এদিনকৈ হলেও এই বিষয়ত প্ৰশিক্ষণ দি তেওঁ-লোকক উপযুক্ত কৃষক হিচাবে গঢ়ি তুলিব লাগে। আমাৰ কৃষিৰ শিতঃ-নত যি ধন ধৰা হৈছে সেই ধন পৰিস্কাৰ ভাবে প্ৰয়োগ কৰি কৃষি ব্যৱস্থা উন্নত কৰিব লাগে। গতিকে মই ভাবো সেই ব্যৱস্থা কৰিলে আমাৰ কৃষক সকল কিছু পৰিমানে হলেও উপকৃত হব। এই বিষয়ত আমাৰ কেইবাজনো সদস্যই ইয়াৰ আগতে কৈছে। এই সম্পৰ্কত আমাৰ বিশেষকৈ কৃষি বিশ্ববিদ্যালয় আৰু কৃষি দপ্তৰৰ যিমানখিনি সহযোগ থাকিব লাগে সেইটো দেখা পোৱা নাযায়। ৰিচাৰ্চ সম্পৰ্কত আমাৰ কৃষি বিভাগৰ যি দায়িত্ব আছে সেই দায়িত্ব বিশ্ববিদ্যালয়ক দিলে আমি নিশ্চয় সুফল পাব পাৰিম। ৰিচাৰ্চ সম্পৰ্কত ইয়াৰ আগতেও শ্ৰীবৰা ডাঙৰীয়াই

উল্লেখ কৰি কৈছে যে কৃষিৰ সম্পৰ্কত যি ধন খৰচ কৰি বিচাৰ্ছ কৰা হৈছে সেইমতে আমি সুফল পোৱা নাই। তেখেতে উৰিষ্যাৰ সাখি গোপাল ফাৰ্মৰ কথা উল্লেখ কৰিছে। সেই ক্ষেত্ৰত কৃষক সকলক আমি বিশ্বাস জন্মাব লাগিব কেনেকৈ একোটা প্লটতে বিভিন্ন ধৰণৰ খেতি কৰি কৃষিক নতুনকৈ ৰূপায়ণ কৰিব পৰা যায়। তেওঁলোকক প্ৰশিক্ষণ দি বুজাব পাৰিব লাগিব কেনেকৈ খেতিত পানী দিয়ে, কেনেকৈ সাৰ দিয়ে আৰু কেনেকৈ এক-ডৰা মাটিতে খেতি কৰি উপকৃত হব পাৰে। তাৰ কাৰণে বিচাৰ্চ কৰি গাওঁ অঞ্চলৰ কৃষক সকলক সু-শিক্ষিত কৰিব পাৰিলে তেওঁলোকৰ নিশ্চয় এই ক্ষেত্ৰত বিশ্বাস জন্মিব। আৰু বিভিন্ন বিজ্ঞান পদ্ধতিৰে খেতি কৰিবলৈ আশ্বাস জন্মিব। আমাৰ ষ্টেটিচটিক বিভাগে এডৰা মাটিত অধিক সাৰ আদি ব্যৱহাৰ কৰি খেতি কৰি আনি হিচাব দেখুৱায় অধিক শস্য উৎপাদন হোৱা বুলি। কিন্তু এইদৰে যদি আমি সকলো ক্ষেত্ৰতে চাবলৈ যাওঁ তেনেহলে ভুল কৰা হব।

পানী যোগানৰ ক্ষেত্ৰত আমাৰ যি ব্যৱস্থা চলি আছে তাৰ কাৰণেই আজি আমি কৃষিৰ ক্ষেত্ৰত পিচ পৰি থাকিব লগা হৈছে। আজি আমাৰ অসমত যি অৱস্থা হৈছে তালৈ লক্ষ্য ৰাখি আমি যদি জলসিঞ্চনৰ সু-ব্যৱস্থা কৰিব পাৰিলোহেঁতেন তেন্তে নিশ্চয় এই ক্ষেত্ৰত আমি উপকৃত হব পাৰিলোহেঁতেন। বৰ্ত্তমান জ্ঞান-বিজ্ঞানৰ যুগত আমাৰ মানুহে প্ৰকৃতিৰ লগত যুদ্ধ কৰি কৃষিত আগবাঢ়িব লগা হৈছে। সেই ক্ষেত্ৰত আমি যদি কৃষিৰ ক্ষেত্ৰত আৰু বেচি টকা ধৰিলোহেঁতেন তেন্তে নিশ্চয় আমি উপকৃত হব পাৰিলোহেঁতেন। এই ব্যৱস্থা নকৰিলে আমি যে কেতিয়াও উপকৃত হব নোৱাৰিম সেইটো ধুৰুপ। এইখিনি কথা কৈয়ে

কৃষিমন্ত্ৰী ডাঙৰীয়াই যি মঞ্জুৰী উত্থাপন কৰিছে সেইটোৰ প্ৰতি পৰামৰ্শ আৰু সমৰ্থন জনালো আৰু লগতে কৰ্ত্তন প্ৰস্তাৱটো বিৰোধীতা কৰি মোৰ বক্তব্য সামৰিলো।

* শ্ৰীআফাজুদ্দিন আহমেদ :— উপাধ্যক্ষ মহোদয়, মোক এই খিনি সময় দি তুষাৰ কবলৈ সুবিধা দিয়াৰ কাৰণে প্ৰথমতে ধন্যবাদ জ্ঞাপন কৰিছো। নিৰবে বহি থকা বিধায়ক হিচাবে এই বিধান সভাত প্ৰথম বাৰৰ কাৰণে ঠিয় হৈছো ৰাজ্যপালৰ ভাষণ গল, বিত্ত মন্ত্ৰীৰ বাজেট বক্তৃতা গল, আৰু এতিয়াও ২-১ টা মঞ্জুৰীৰ বিষয়ে আলোচনা চলোৱা হল। আজি কৃষি মন্ত্ৰীৰ মঞ্জুৰীৰ ওপৰত যথেষ্ট আলোচনা সমলোচনা আৰু পৰামৰ্শ দাঙি ধৰা হৈছে। এই বিষয়ে মই কি কম সেইটো বৰ্ত্তমান উল্লেখ কৰিব পৰা নাই। মাত্ৰ এটা মিনতি কৰিবৰ কাৰণেই ঠিয় হৈছো। আমাৰ ভাৰতবৰ্ষখন এখন কৃষি প্ৰধান দেশ আৰু লগে লগে অসমখনো এখন কৃষি প্ৰধান ৰাজ্য। এই ৰাজ্যৰ কৃষি উন্নতি অবিহনে ৰাইজৰ অৱস্থাৰ উন্নতি কেতিয়াও হব নোৱাৰে। এই কথা স্বীকাৰ কৰো, চৰকাৰেও স্বীকাৰ কৰে। সুদীৰ্ঘ ৩২ বছৰৰ পাচতো আমাৰ কৃষকৰ অৱস্থা কোনো ফালৰ পৰাই উন্নতি হোৱা দেখা নাযায়। আমি কাগজে পত্ৰই যিমান বিলাক কথা ঘোষণা কৰিছো, কৃষকৰ উন্নতিৰ কাৰণে নানা ধৰণে প্ৰতিশ্ৰুতি দিছো কিন্তু সেই বিলাকৰ আচল ৰূপান্তৰ আমি দেখিবলৈ পোৱা নাই। আনকি আজি এবছৰে নতুন চৰকাৰ হোৱাৰ পিচত আমি ভাবিছিলো যে কৃষকৰ কিবা এটা উন্নতি দেখিবলৈ পাম। কিন্তু কাৰ্য্য-

* Speech not corrected

ক্ষেত্ৰত নিশ্চয় তেওঁলোকৰ একো উন্নতি হোৱা নাই। দিনৰ পিচত দিন ধৰি আমাৰ এই অভিযোগ চৰকাৰৰ দৃষ্টি গোচৰ কৰি অহা হৈছে আৰু এই ক্ষেত্ৰত মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে আমাৰ নিজৰ ৰাইজৰ কাৰণে এই বিষয়ে অলপ চিন্তা কৰি চায়।

মোৰ দ্বিতীয় কথা হৈছে আমাৰ যি ৫ বছৰীয়া পৰিকল্পনা আছে আৰু তাত যিবিলাক ব্যৱস্থা লোৱাৰ দিহা আছে সেই ব্যৱস্থা বিলাক কাৰ্য্যকৰী কৰিব নোৱাৰাৰ কাৰণে আশানুৰূপ ভাবে কৃষকৰ উন্নতি হোৱা নাই। এই সমস্যা সম্পৰ্কে বিভিন্ন মাননীয় সদস্যই বহুতো সমালোচনা কৰিছে আৰু পৰামৰ্শ দিছে। সেই বিষয়ত কৃষিৰ লগতে যেনে জল-সিঞ্চন, সমবায়, যোগান আদি যিবিলাক বিভাগ আছে সেইবিলাক অন্তৰায় দুৰ কৰি কৃষক ৰাইজৰ উপকাৰ কৰিম বুলি চৰকাৰে যি মঞ্জুৰী দাবি ধৰিছে প্ৰকৃতাৰ্থত কবলৈ হলে ই যথেষ্ট হোৱা নাই। এই দাবীত কৰ্ম্মচাৰী, বিষয়া আদিৰ দৰমহাৰ বাবে যি টকা ধৰা হৈছে আৰু প্ৰকৃত খেতিয়কৰ উন্নয়নৰ কাৰণে যি ধন ধৰা হৈছে সেই ধনৰ পৰিমান কম হব বুলি মই ভাবো। সেই কাৰণে আৰু বেচি টকা ধৰি প্ৰকৃত ৰায়তী কৰিবৰ কাৰণে আঁচনি সমূহ লৈ আমাৰ নৈতিকতাৰ জৰিয়তে যি অৰ্থ-পতন হ'ল তাক আতৰাই সজ ৰাজনীতিত পৰিণত কৰিবলৈ বুলি আশা ৰাখি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু কৃষি বিষয়ত ইতিমধ্যে বহুতে বহু কথা কৈছে, তাৰ উপৰি আমাৰ কৃষি মন্ত্ৰী মহো-দয়ো এগৰাকী প্ৰকৃত খেতিয়ক গতিকে তেখেতক এই বিষয়ত বেচি পৰামৰ্শ দিয়াৰ সকাম নাই বুলি মই ভাবো। কৃষি বিষয়ত তেখেতে যি আঁচনি লৈছে তাত সকলোৱে সহযোগ কৰি যি থিনি দোষ-ত্ৰুতি

আছে, সেই কৰ্ম্মচাৰী সকলৰ অবহেলা আছে, তাত প্ৰকৃত ভূমিনীতি সমন্বয় কৰি ৰাইজক উপকৃত কৰিবলৈ যাতে যত্নপৰ হবলৈ আমাৰ চৰকাৰৰ ওচৰত আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— অধ্যক্ষ মহোদয়, কৃষিৰ অবস্থা চাৰি ভাগত বিভাক্ত কৰিব পাৰি। এবিধ খেতিয়ক আছে চহৰত থাকে গাড়ীত উঠি খেতি কৰিবলৈ যায়, অৰ্থাত চাবলৈ যায়। বৰ বেচি বোকা পানী দেখিলে গাড়ীৰ পৰা নামি নাযায়, মাত্ৰ সোধে খেতি বাতি চব ঠিক আছেতো? আৰু এবিধ খেতিয়ক আছে মানুহ লগাই খেতি কৰে। বেচি বোকা পানীত হাল বাব দৰ্কাৰ নাই। আন এবিধ খেতিয়ক আছে ৰাতি পুৱাতে উঠি হাল-খন লৈ পথাৰলৈ যায়। তাৰ পাচতো আৰু এবিধ খেতিয়ক আছে যাৰ নিজৰ মাটি নাই, গৰু নাই। তেওঁলোকেও খেতি কৰে। পুহ মাহত এবিধ চৰাই যেনেকৈ ধান বিলাকৰ ওপৰত জাকে জাকে পৰে আৰু হুই বুলি খেদি দিলে উৰা মাৰে, এই খেতিয়ক দলৰো একেই অৱস্থা হৈছে। তেওঁলোকৰ মাটি নাই। কৰবাত মাটি ওলালে তেওঁলোকে খেতি কৰে কিন্তু এভিকশ্যন কৰি খেদি দিয়ে। তাৰ পৰা আহি গ্ৰেজিংত খেতি কৰিলেও উঠাই দিয়ে। মুঠৰ ওপৰত এঠাইৰ পৰা আন ঠাইলৈ ঘলেকে নাযাওঁক লাগিলে তেওঁলোকক খেতিৰ পৰা বঞ্চিত কৰা হয়। উপাধ্যক্ষ মহোদয়, এই খেতিয়ক সকলক বৰ্ত্তমান কেনেকৈ খেতিকৰাত সহায় কৰিব পাৰি তাৰে আঁচনি লব লাগিব। মোৰ সময় খুব কম কাৰণে বেচি কবলৈ চিন্তা কৰা নাই। মই ভাবো প্ৰতি ৫ হাজাৰ গাৱলীয়া কৃষকৰ মাজত এটা ভৰাল কৰিব পাৰিলে ভাল হয়। সেয়ে

কৃষি ভৰাল উৎপাদনৰ যোগেদি খেতিয়ক ৰাইজক সহায় সহযোগ দিব পৰা হব। ইয়াৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। তাৰ পিচত জাপানী পদ্ধতীত খেতি আৰম্ভ কৰা বিষয়ে কওঁ। নেচনেল হাইওৱেৰ দাতীয়ে দাতীয়ে খালি ঠাইত একঠা দুকঠা মাটিত খেতি কৰা আৰু তাত চাইনবোৰ্ড দিলেই নহব, বহল ও ভাল খেতি হব লাগিব। খেতিয়ক ৰাইজৰ মাজত গাৱে গাৱে ৰেডিও দিয়া হওক। এইবিলাক কথা বহলাই কবলৈ সময়ৰ অভাৱত সুবিধা নাপালো। এই চাৰি ধৰণৰ খেতিয়কৰ ভিতৰত মাটি বাৰী নোহোৱা খেতিয়কৰ যি সমস্যা হৈছে সেই সমস্যা সমাধান কৰিবলৈ যাতে ৰাইজক সুবিধা দিব পাৰে তেনেকৈ প্ৰতি ৫ হাজাৰ মানুহৰ মাজত একোটাকৈ ভৰাল কৰা হওক। উপাধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কওঁ চোৰ গলে বুদ্ধি, বৰষুণ গলে জাপি। যিবিলাক খেতিয়কৰ গৰু নাই ঋন দিব লাগে। মই ভাবো সেইবিলাক খেতিয়কে নলা খান্দি যিদৰে যুম খেতি কৰা হয় তেনেদৰে খেতি কৰা হওক। মই আশা ৰাখিছো আমাৰ জনতা চৰকাৰে প্ৰকৃত খেতিয়কৰ আঁচনি লৈ ৰাইজক সুবিধা দি বেকংৰ পৰা টকা পইচা আদি দিবৰ বাবে মঞ্জুৰী লৈ তেওঁলোকক সহায় কৰিব। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাবটোৰ বিৰোধিতা কৰি মূল প্ৰস্তাবটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰিলো।

Mr. Deputy Speaker :— Hon'ble member, Shri Prasad Doloi. I hope the hon'ble member will try to understand that another member is there to speak.

শ্ৰীপ্ৰসাদ দলৈ :— মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি মন্ত্ৰীৰ যিটো

মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত দুষাৰ কবলৈ ওলাইছো। সমাজবাদী দেশ এখনত জনসংখ্যা অনুপাতে খাদ্য সামগ্ৰীৰ যিমানখিনি উৎপাদন হোৱাৰ দৰকাৰ সিমানখিনি হোৱা নাই। তাৰোপৰি সমান সমানভো হোৱা নায়েই বৰং কমহে হৈছে। এইটো এটা মন কৰিব লগীয়া কথা। আমাৰ দেশ ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। অসম কৃষি প্ৰধান ৰাজ্য। এই কৃষিৰ ওপৰতেই শিল্প আৰু অন্যান্য অনুস্থান বিলাকৰ উন্নতি সাধিব লাগিব। বৰ্ত্তমান অসমত ৭৮ হাজাৰ ৫ শ ২৩ বৰ্গ কিলোমিটাৰ মাটি আছে। তাৰে ২৬০০:১ হাজাৰ হেক্টৰ মাটিত খেতি হয়। আমাৰ প্ৰধান খেতি হৈছে ধান খেতি। ১৯৭৭-৭৮ চনত যি তথ্য দেখুওৱা হৈছে সেই তথ্যমতে ২২৫০.৯ হাজাৰ হেক্টৰ মাটিত খেতি হয়। অধ্যক্ষ মহোদয়, আমাৰ অসমত ১ কোটি ৭৭ লাখ ২ হাজাৰ ৫ শ জন মানুহ বসবাস কৰে। ইমান খিনি মানুহৰ ভিতৰত আমাৰ উৎপাদন হয় ২৩১১.২ হাজাৰ টন ধান। এজন মানুহক খাবলৈ অসমীয়া হিচাবমতে বছৰত ১২ মোন ধান লাগে। কিন্তু আচলতে অসমত বসবাস কৰা মানুহৰে ১ বছৰত উৎপন্ন হোৱা ধানক ভাগ কৰিলে চাৰে তিনিমোণ পৰে। তাৰ পৰা বুজা যায় আমাৰ যিমান শস্য উৎপাদন হব লাগে সিমান ধান উৎপাদন হোৱা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমত ৭৩.৪ হাজাৰ হেক্টৰ মাটিত ঘেহু খেতি কৰে। ১৯৭৭-৭৮ চনৰ যি তথ্য পাতি আছে সেইমতে ৮৪.৭ হেজাৰ টন ঘেহু হোৱা বুলি কৈছে। ইমানখিনি ঘেহু যদি ১, ৭৭, ২৫০০ জন মানুহক বিলাই দিয়া হয়তে তিয়াহলে প্ৰতি জনৰ ভাগত ৫॥

সেৰ মানকৈ পৰে। তাৰ পৰাই বুজা যায়-অসমত যিমান খাদ্য উৎপাদন হব লাগে-সিমান হোৱা নাই। কিন্তু নোহোৱাৰ কাৰণ কি? ইয়াৰ কাৰণ বহুতো হব পাৰে। হয়তো অসমত অতিকৈ বানপানী হোৱাটোও কাৰণ হব পাৰে আৰু অসমৰ খেতিয়ক সকলে যি ভাবে খেতি কৰাৰ সুবিধা পাব লাগিছিল যিভাবে পানীযোগানৰ সুবিধা পাব লাগিছিল নাইবা যিভাবে হাল-খোৰ, ট্ৰেক্টৰ আদিৰ সুবিধা পাব লাগিছিল সেই সুবিধা নোপোৱাটোও ইয়াৰ কাৰণ হব পাৰে আৰু অনাবৃষ্টি-অতিবৃষ্টি আদিও ইয়াৰ কাৰণ হব পাৰে। কিন্তু মহোদয় এইটো কথা ঠিক যে যেতিয়ালৈকে মানুহৰ নৈতিক চৰিত্ৰ সংশোধন নহয় তেতিয়ালৈকে দেশ ভাল হব নোৱাৰে। উপাধ্যক্ষ মহোদয় ৰিপৰ্ট অৱ ডি ক্ৰমট্ৰলাৰ এণ্ড অডিটৰ জেনেৰেল'ৰ ৪৯ পৃষ্ঠাত কৈছে এইখন দেখিলে মোৰ বুকু ঢপঢপায়।

"Loss on hiring of tractors/bulldozers:— The Sub-Divisional Agricultural Engineer ( Mechanical ) Silchar was maintaining 16 tractors and 5 bulldozers for being lent to the interest interested cultivators on hire. According to the department, the operation was to be on no-profit no-loss basis. The receipts from hire charges of these troctors and bulldozers fell short of the running cost during 1972-73 to 1976-77 by Rs. 4.88 lakhs as under".

উপাধ্যক্ষ মহোদয় মিচ-এপ্ৰপিয়েচনৰ ৫০ পৃষ্ঠাত কৈছে—

"Alleged misappropriation, Agriculture Depart-

ment :—

(a) The Director of Agriculture detected ( September, 1975 ) an alleged misappropraition of Rs. 0·60 lakhs in the office of the District Agriculture Officer, Barpeta. A test check of the cash book during the audit ( January, 1977) disclosed that, between March, 1972 and March, 1974, the District Agricultural Officer, Barpeta drew Rs. 0.65 lakhs for payment to a Government Corporation at Barpeta being the cost of manure and pesticides supplie by it. Of this, only Rs. 0. 05 lakh were actually paid in October, 1974 and May, 1975 to the corporation though the entire amount was shown as paid in the cash book either on the date of drawal or on the following day. The balance amount of Rs 0. 60 lakh was allegedly misappropriated."

Mr. Deputy Speaker :— I request the hon ble member to conclude because there are other members.

Shri Prasad Chandra Doloi :— I am sorry Sir, although other members have been allowed much more time I have been allowed much less. ( voices : Sir, he is speaking in English ). I am sorry for that.

এইটোৱেই যদি অৱস্থা হয় ইমান ডাঙৰ কৰ্মচাৰী যি কৰ্ম্মচাৰীৰ ওপৰত গোটেই কৃষি বিভাগ উন্নতিৰ কাৰণে, যি কৃষি বিভাগৰ ওপৰত দেশখন মঙ্গল হবৰ কাৰণে দায়িত্ব দিছে, যি কৃষি বিভাগৰ ওপৰত পেটৰ ভাত মুঠিৰ কাৰণে দায়িত্ব দিছে সেই কৰ্ম্মচাৰী সকলৰ যদি নৈতিক চৰিত্ৰ নাথাকে তেতিয়াহলে দেশৰ উন্নতি হব নোৱাৰে।

শ্ৰীনগেন বৰুৱা :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যি ধৰণে চেয়াৰলৈ লক্ষ্য কৰি কথা কৈছে সেইটো জানো ভাল হৈছে ?

( ভইচেচ্ — ফিলিং এক্সপ্ৰেছ কৰিছে সেইটো একো নহয় )

শ্ৰীপ্ৰসাদ দলৈ :— উপাধ্যক্ষ মহোদয়, সেইকাৰণে মই কব বিচাৰিছো আজি জনসাধাৰণক উপকাৰ কৰিবলৈ হলে, কৃষকক উপকাৰ কৰিবলৈ হলে আৰু কৃষিৰ উন্নতি সাধিবলৈ হলে বৈজ্ঞানিক পদ্ধতিৰে সহায় কৰিবলৈ ওলাওক আৰু তাত যিবিলাক কেৰোণ আছে সেইবিলাক ভালদৰে লক্ষ্য কৰক। তাৰোপৰি আমাৰ ৱৰ্কচ'প আছে য'ত ট্ৰেক্টৰ আদি বিভিন্ন সজুলি ভাল কৰিবলৈ দিয়া হয় সেইবিলাকত এটা পাইপৰ কাৰণে এটা নটৰ কাৰণে কিমান বাৰ অনুৰোধ কৰিব লাগে তাৰ অন্ত নাই। শেষত তাৰ ফল ৰাইজে নাপায় আৰু ট্ৰেক্টৰ কৃষকে নাপায়। গতিকে যিকেইটা ৱৰ্কচ'প আছে সেই কেইটাত বিভাগে ভালদৰে নজৰ দিব আৰু তাৰ প্ৰতি কৃষিমন্ত্ৰীও লক্ষ্য ৰাখিব বুলি আশা কৰিলো। শেষত কৃষিৰ ক্ষেত্ৰত পাবলগীয়া বৈজ্ঞানিক সুবিধাবিলাকৰ পৰা কৃষকক বঞ্চিত নকৰে। মোৰ পেটত বহুত কথা থাকিল যদিও বক্তব্যৰ সামৰণি মাৰিলোঁ।

শ্ৰীনজমুল হক :— ডেপুটি স্পীকাৰ ছাৰ, সদন কিমান সময় চলিব।

মাননীয় উপাধ্যক্ষ :— ছয় বজালৈ।

শ্ৰীনজমুল হক :— তেতিয়াহলে এই আঢ়ৈ মিনিটে এজন মেম্বাৰৰ কাৰণে যথেষ্ট সময় হয় নেকি?

( ভইচেচ্— আপুনি কওকচোন বাৰু সময়ৰ কাৰণে কিয় ভাবিছে )।

মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ মঞ্জুৰীৰ দাবীত যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপিত হৈছে সেই প্ৰস্তাৱৰ সমৰ্থনত মই কব বিচাৰিছো। আমাৰ পূৰ্ব্বৰ বক্তা সকলে উল্লেখ কৰি গৈছে যে আমাৰ দেশৰ সৰহ সংখ্যক লোকেই দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰি আছে। সেই কাৰণেই মই কৈছো যে জনতা চৰকাৰে কৃষি অৰ্থনীতিৰ যদি উন্নতি ঘটাব নোৱাৰে তেতিয়াহলে দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা এই অগনন কৃষক জনসাধাৰণৰ কোনো কালেই উন্নতি সাধন কৰিব নোৱাৰিব। আমি এই সকল দুঃখকাৰী জনসাধাৰণক উদ্ধাৰ কৰিবলৈ হলে বৈজ্ঞানিক কৃষি প্ৰণালীৰে সৈতে বলিষ্ঠ পদক্ষেপ লব লাগিব। তাৰ কাৰণে প্ৰথম পদক্ষেপ হব এক্কেৰাহে হোৱা উৰ্দ্ধমুখী দ্ৰব্য মূল্য ৰোধ কৰা। দ্বিতীয়তে সুদখোৰ মহাজনৰ নিৰ্ম্মম শোষণৰ কবলৰ পৰা দৰিদ্ৰ খেতিয়ক জনসাধাৰণক উদ্ধাৰ কৰা। ইয়াৰ বাহিৰেও গোটেই অসমত যিবিলাক খেতিৰ উপযোগী চৰকাৰী ৰিজাৰ্ভ আৰু খাচ মাটি আছে সেইবিলাক ভূমিহীন কৃষকৰ মাজত বিতৰণ কৰি দিব লাগিব। কিয়নো আজি কম সংখ্যক খেতিয়কৰ হাততহে মাটি আছে বাকী সৰহ সংখ্যক খেতিয়ক ভূমিহীনদৈ

ৰূপান্তৰিত হৈছে। সেইকাৰণে কৃষি অৰ্থনীতিৰ উন্নতি কৰিবলৈ হলে আমাৰ কৃষি মন্ত্ৰী মহোদয়ে অসমত যিমান আবাদী উপযোগী খাচ মাটি আছে, চাহ বাগিচাৰ যিমান খাচ মাটি পৰি আছে আৰু যিমান ৰিজাৰ্ভ আছে আৰু সেইবিলাকত যিমান খেতিৰ উপযোগী মাটি আছে সেই সমুদায় মাটিখিনি ভূমিহীন আৰু নদী ভঙ্গ দৰিদ্ৰ কৃষকৰ মাজত ভগাই দিব লাগিব।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ খেতিৰ উন্নতিৰ কাৰণে প্ৰধানতঃ জলসিঞ্চনৰ অভাৱ আতাইতকৈ বেচি। অসমত যিমান খেতিৰ উপযোগী মাটি আছে তাৰ ভিতৰত ৬০ ভাগ মাটিত বছৰত এটা খেতি হয়। সেইবিলাকত নিয়মিত ভাবে পানীৰ যোগান ধৰিব পাৰিলে বছৰি অধিক শস্য উৎপাদন কৰিব পাৰিব আৰু তেতিয়াহে কৃষি অৰ্থনীতিত এটা বিৰাট পৰিবৰ্ত্তন হোৱাৰ সম্ভৱনা সৃষ্টি হব। গতিকে কৃষি অৰ্থনীতিৰ বৈপ্লবীক পৰিবৰ্ত্তন ঘটাবলৈ হলে জলসিঞ্চনৰ ব্যাপক ব্যৱস্থা কৰিব লাগিব। অসমৰ কিছুমান আঁচনিৰ ব্যৰ্থতাৰ মূল কাৰণ বিদ্যুৎ শক্তি। জলসিঞ্চনৰ ব্যাপক ব্যৱস্থাৰ দ্বাৰা খেতি পথাৰত পানীৰ যোগান ধৰিবলৈ হলে তাত বিদ্যুত শক্তিৰো ব্যৱস্থা কৰিব লাগিব। সেই কাৰণে মই ব্যাপক বৈদ্যুতিকৰণৰ মাজেদি জলসিঞ্চনৰ ব্যৱস্থা হাতত লবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ মাটিত বিঘাই প্ৰতি মাত্ৰ ৫ মোন ধান উৎপাদন হয় ইয়াক হতাশজনক উৎপাদন বুলি কব পাৰি। যোৱা বছৰত কিছুমান ঠাইত বিঘাই প্ৰতি ৫ মোন ধানো উৎপাদন

হোৱা নাই। সেইকাৰণে খেতিৰ উপযোগী মাটি বিলাকত যাতে উৎপাদন বৃদ্ধি কৰিব পৰা যায় তাৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এইখিনি কৈ মোৰ বক্তব্য সামৰিলোঁ। ধন্যবাদ।

Mr. Deputy Speaker :— It is 6 P.M. now, the Hon. Minister will give reply tomrrow.

## MISCELLANEOUS

শ্রীবীরেশ মিশ্র :— মাননীয় উপাধ্যক্ষ মহোদয়, আমি গতকাল সন্ধ্যায় লামডিং থেকে লামডিং গাওঁ পঞ্চায়েতের প্রেসিডেন্টের নিকট থেকে একটা টেলিগ্রাম পেয়েছি এবং সেখানে লেখা আছে যে লামডিং বাজারে ৬ জন ব্যবসায়ীর দোকান এবং ঘর আগুনে পুড়ে গিয়েছে।

( ভয়েস : লামডিংএ তো বার বার আগুন লাগে )

হ্যাঁ। এটা খুবই দুর্ভাগের ব্যাপার যে লামডিংএ বার বার আগুন লাগে এবং তারজন্য চরকার কি স্থায়ী ব্যবস্থা গ্রহণ করবেন জানিনা। কিন্তু এই মুহূর্তে এই আগুনে যারা ক্ষতিগ্রস্থ হয়েছেন তাদের যাতে রিলিফ এবং রিহেবিলিটেশন করার ব্যবস্থা করা হয়, সেই বিষয়ে সংশ্লিষ্ট মন্ত্রীমহোদয়কে আমি অনুরোধ করছি। সঙ্গে সঙ্গে এই কথা বলতে চাই যে গত বৎসরও এমন দিনে লামডিং বাজারে এক বিরাট অগ্নি কাণ্ডের ফলে বহুলোক এমনকি একটি সিনেমা হলের সমস্ত সম্পত্তি ভস্মীভূত হয়েছিল এবং তাদের তৎক্ষনাৎ রিলিফ ও দেওয়া হয়েছিল। কিন্তু আমি অত্যন্ত দুঃখের সঙ্গে বলছি যে আজ পর্যন্ত ঐ সমস্ত ক্ষতি-

গ্রস্থ লোক আজ ১ বৎসর পরেও তাদেরে কোনওভাবে রিহেবিলিটেশন করার কোন ব্যবস্থা সরকারের তরফ থেকে করা হয়নি। যদিও আমাদের মুখ্যমন্ত্রী মহাশয় এই সদনে এই ব্যাপারে প্রতিশ্রুতি দিয়েছিলেন কিন্তু সেই প্রতিশ্রুতির মর্যাদা এখন পর্য্যন্ত রক্ষিত হয়নি। এই ক্ষতিগ্রস্থ লোকেরা এই জন্য বার বার দরখাস্ত ও দিয়েছে।

আমার দ্বিতীয় কথা এই যে, এই অগ্নি কাণ্ডের কথা এই সদনে বলতে গিয়ে আমি বলতে চাই যে গত ১৭ তারিখে নওগা শহরের হয়বরগাওঁএ এই দ্বিতীয় অগ্নিকাণ্ড হয়। সেদিন আমি নিজে নওগা ছিলাম। এই অগ্নিকাণ্ডের ফলে ৬ টা বড় বড় ঘর, বাসস্থান ( আসাম টাইপ বিল্ডিং ) এবং ছাত্রবাস পুড়ে ছাই হয়ে গিয়েছে। কিছুই সেখানে রক্ষা পায়নি। পরের দিন নওগা জেলার ডিসির সঙ্গে আমি নিজে এবং স্থানীয় অন্যান্য লোক দেখা করার পর ( তাঁকে ধন্যবাদ ) তিনি সঙ্গে সঙ্গে এই ৬ টি পরিবারের মধ্যে ৫ টি পরিবারকে ৩০০ টাকা করে সাহায্য দিয়েছেন। আর ১৫জন ছাত্রদের মধ্যে ৮জন ছাত্রকে ৩০০ টাকা করে, এক জনকে ১০০ টাকা এবং বাকী ৬ জন ছাত্রদের দুই জনকে ২৫ টাকা করে দিয়েছেন। কিন্তু পুনর্বাসনের ব্যাপারে এই সরকারের অবহেলা কেন ?

আমি সেদিন হয়বরগাওঁ এর কাঠের পুলের মুখের প্রথম অগ্নিকাণ্ডের ফলে ক্ষতিগ্রস্থ লোকেদের অবস্থা দেখে এসেছি। আর আমাদের মাননীয় মন্ত্রীমহাশয় যে কথা বলেছিলেন সেটা খুবই দুঃখজনক যে এরা যেহেতু 'এনক্রোচার' সেজন্য তারা সরকারী রিহেবিলিটেশনের সুযোগ

পাবেনা। আমি স্পষ্ট করে বলতে চাই যে এইসব লোক ২৫-৩০ বৎসর ধরে সেখানে ছিল এবং তারা সরকারকে খাজনাও দিয়েছে। আর, আগের মন্ত্রীসভার মন্ত্রীমহোদয় সেই জায়গা তাদেরে বন্দোবস্ত দেবার জন্য পাট্টা দেওয়ার কথা সিদ্ধান্ত করেছিলেন এবং তাদের পাট্টা প্রায় রেডি ছিল। জানিনা কি কারণে আজ তা বানচাল হতে চলেছে। কিন্তু যে কারণেই হোক তারা এই সরকারী রিহেবিলিটেশনের সমস্ত বেনিফিট পাওয়ার যোগ্য। ঐসব ক্ষতিগ্রস্ত লোকগণ দুঃখী মানুষ, সাধারণ কারিগর। তারা কাঠের চেয়ার টেবিল এবং এই ধরণের জিনিষ তৈরী করে জীবিকা অর্জন করতো, তাছাড়া সেখানে একটা চা-এর দোকান এবং ঔষধের দোকান ও ছিল। সেজন্য আমি বলব যে মাননীয় মন্ত্রীমহাশয় যেন এই ব্যাপারে ডিসির নিকট থেকে সম্পূর্ণ বিবরণ আনার ব্যবস্থা করেণ। কারণ কবে কোন যুগে মতিবরা যখন মন্ত্রী ছিলেন তখন ঐ যায়গাটাতে মরিগাওঁ-এর বাসষ্টেও করার জন্য সিদ্ধান্ত নিয়েছিলেন। মরিগাওঁএর বাসষ্টেণ্ড অন্যত্র কবে হবে গিয়েছে আর সেই অর্ডার কবে প্রাক্তন মন্ত্রী শ্রীছত্রসিং টেরং আগের অর্ডার নাকচ কবে পাট্টা দেওয়ার অর্ডার দিয়েছেন।

Mr. Deputy Speaker :— The hon. member wlll try to finish early.

শ্রীবীরেশ মিশ্র :— ঠিক আছে। এই অগ্নিকাণ্ডগুলির সম্পর্কে সরকারের তরফ থেকে যে সব প্রতিশ্রুতি দিয়েছেন তা যেন পালন করেণ এবং অন্ততঃ ৫০০ টাকা করে যেন তাদেরে রিলিফ দেওয়ার ব্যবস্থা করেণ এবং তাদের উপযুক্ত ভাবে যেন রিহেবিলিটেশন করার ব্যবস্থা

করেণ এই অনুরোধ করবো।

* শ্ৰীলক্ষেশ্বৰ গোহাই ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, লামডিংত যি অগ্নিকাণ্ড হৈছে সেই বিষয়ে এতিয়ালৈকে আমাৰ দৃষ্টিগোচৰ হোৱা নাই। অৱশ্যে হয়বৰগাওঁৰ অগ্নিকাণ্ড আমাৰ দৃষ্টিলৈ আহিছে। লামডিংত আমি অতি সোনকালে তদন্ত কৰি আৱশ্যকীয় ব্যৱস্থালৈ সাহায্য দিয়াৰ ব্যৱস্থা কৰিম। লগতে মই এই কথাও কব বিচাৰিছো যে, আমাৰ যি পুনৰ সংস্থাপন ঋণ দিয়া হয় তাৰ কাৰণে আবেদন কৰিলে আমি তাক দিয়াৰ ব্যৱস্থা কৰিম। আমাৰ মিশ্ৰ ডাঙৰীয়াই হয়বৰগাওঁত ৩০০ৰ কৈ টকা দিয়াৰ কথা কৈছে। তেওঁলোকেও পুনৰ বসতিৰ বাবে আবেদন কৰিলে সেইটোও বিবেচনা কৰা হব। ইতিমধ্যে আমাৰ মুকুট শৰ্ম্মা ডাঙৰীয়াই পুৰণি দলঙৰ অগ্নিকাণ্ডৰ কথাও কৈছিল।

* শ্ৰীবীৰেশ মিশ্ৰ ঃ— যার সম্পর্কে বলা হচ্ছে, তাকে বাদ দেওয়া হয়েছে। আর পট্টা দেওয়ার কি হবে?

* শ্ৰীলক্ষেশ্বৰ গোহাই ঃ— কিন্তু কথাটো হল যে, তেওঁলোক চৰকাৰী মাটিত বহি আছে। সেইকাৰণে কিমানদূৰ বিবেচনা কৰিব পাৰিব সেই বিষয়ে চৰকাৰে চিন্তা কৰিব। আৰু তেওঁলোকক মাটিৰ পট্টা দিয়া সম্পৰ্কে আমি পৰীক্ষা নিৰিক্ষা কৰি আছো।

* শ্ৰীমুকুট শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, হয়বৰগাওঁৰ দ্বিতীয় বাৰ জুই লাগোতে ৬টা ঘৰ জুই লাগিছিল তেতিয়া ৰাইজে তাৰ ওচৰৰ ঘৰ-

* Speech not corrected

টোতো জুই লাগিব বুলি ঘৰটো ভাঙি পেলালে। এতিয়া দি, চিয়ে কৈছে যে, তেওঁ অৰ্থাৎ সেই ভঙা ঘৰৰ মালিকে সাহায্য নাপায়। তাৰ কি ব্যৱস্থা হব ?

* শ্ৰীলক্ষেশ্বৰ গোহাই :— ৰিলিফ মেনুৱেলত এই ধৰণৰ কোনো ব্যৱস্থা নাই। আচলতে ঘৰটো সম্পূৰ্ণ ভাবে ভস্মীভূত হলেহে দিয়াৰ ব্যৱস্থা আছে। অৱশ্যে মাননীয় সদস্য গৰাকীয়ে কৈছে বাবে বিবেচনা কৰিম।

## CALLING ATTENTION

Mr. Deputy Speaker :— Now, item No. 3

Shri Purno Boro :— Sir, I beg to call the attention of the Chief Minister under Rules 54 of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Agradoot, dated 18 February, 1979 under the caption. "চোৰাং চোৰা বিভাগটোৰেই দুৰ্নীতি"।

* শ্ৰীকেশৱচন্দ্ৰ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, (১) অসমৰ অপৰাধ অনুসন্ধান বিভাগে ৰাজ্যত হোৱা অপৰাধ বিলাকত লক্ষ্য ৰাখি জিলা সমূহৰ আৰক্ষী অধীক্ষক সকলক প্ৰয়োজনীয় উপদেশ দিয়ে আৰু প্ৰয়োজন অনুযায়ী "ফিঙ্গাৰ প্ৰিণ্ট" বিশেষজ্ঞ "ফুট প্ৰিণ্ট" বিশেষজ্ঞ,

* Speech not corrected

"ফটো গ্ৰাফাৰ" বিশেষজ্ঞৰ সহায় আগবঢ়ায়। লগতে ফৰেন্সিক লেবৰেটৰীৰ বিশেষজ্ঞ সকলৰ লগত যোগাযোগ কৰি তেওঁলোকৰ পৰা বিশেষজ্ঞৰ অভিমত লৈ মোকৰ্দ্দমা ধৰা পেলোৱাত সহায় যোগায়। প্ৰয়োজনমতে অপৰাধী ও চোৰাং মাল আদি ধৰা পেলোৱাবৰ কাৰণে কুকুৰও নিয়োগ কৰে। অসম পুলিচ আয়োগৰ (Assam Police Commission) পৰামৰ্শমতে জিলাৰ এচ, পি, আৰু ৰেঞ্জ ডি, আই, জি, সকলৰ ওপৰতহে অপৰাধ নিবাৰণ আৰু অপৰাধ ধৰা পেলোৱাৰ দায়িত্ব দিয়া হৈছে। অপৰাধ গুৰুত্ব বিবেচনা কৰি কেতিয়াবা কেতিয়াবা অপৰাধ অনুসন্ধান বিভাগে আন্তঃৰাষ্ট্ৰীয় বা কঠিন মোকৰ্দ্দমাৰ তদন্ত পৰিচালনা কৰে। ইয়াৰ উপৰিও এই বিভাগে কেন্দ্ৰীয় তদন্ত সংস্থাৰ ( Central Bureau of Investigation ) আৰু কেন্দ্ৰীয় আৰক্ষী গবেষণা আৰু উন্নতি সংস্থাৰ ( Bureau of Plice Research Developments ) লগত সংযোগ ৰাখি এই বিলাক সংস্থাৰ পৰামৰ্শ আদি জিলা বিলাকত কাৰ্য্যকৰী কৰিবলৈ নিৰ্দ্দেশ দিয়ে। ইয়াৰ উপৰিও বহুত বিলাক চৰকাৰ আৰু আৰক্ষী মহাপৰিদৰ্শকে দিয়া গোপনীয় তদন্ত C. I. D. বিভাগে কৰিব লাগে। আধুনিকতম বৈজ্ঞানিক পদ্ধতিৰে তদন্ত আদি কৰিবলৈ স্তৰে স্তৰে ( by phase ) পুলিচ বিভাগক সহায় কৰিবলৈ অপৰাধ অনুসন্ধান বিভাগে যথাবিহিত কাম কৰি আছে। গতিকে অপৰাধ অনুসন্ধান বিভাগৰ অকৰ্ম্মন্যতাৰ অভিযোগ সম্পূৰ্ণ ভিত্তিহীন।

(১) অপৰাধ অনুসন্ধান বিভাগৰ উপ আৰক্ষী মহাপৰিদৰ্শকে 'ফিয়েট' গাড়ী এখন আৰু অৰ্দ্দালীৰ অপব্যৱহাৰ কৰাৰ কথাটো সত্য নহয়। উপ-আৰক্ষী মহাপৰিদৰ্শক পৰ্য্যায়ৰ বিষয়া এজনে সাধাৰণতে তিনিজন অৰ্দ্দালীক পালাপালি কৰি ( by Rotation ) চৰকাৰী কাম

কৰিবৰ কাৰণে নিয়োগ কৰে। এই অৰ্দ্দালীবোৰক ডাক লোৱা, ডাক পঠোৱা, টেলিফোন ধৰা ইত্যাদি চৰকাৰী কামত নিয়োগ কৰিছে। এই সংখ্যাও চৰকাৰী কামৰ হেচা অনুযায়ী কেতিয়াবা দুই এজন সাময়িক ভাৱে বঢ়োৱা হয়। তেখেতৰ অধীনত আবণ্টন (Alloled) কৰা গাড়ী-খনৰ উপৰিও আৰু এখন 'ফিয়েট' গাড়ীখন সম্পূৰ্কে এইটো কোৱা হয় যে সময়ে সময়ে তেখেতে কিছুমান গোপনীয় কাম কৰিব লগা হয় যিহৰ কাৰণে পতাকা আৰু ভৰা চিনৰ প্লেইট থকা চকুত পৰা আবণ্টন গাড়ী ব্যৱহাৰ কৰাটেপ যুক্তি যুক্ত ( Advisable ) নহয়। আৰু আবণ্টন কৰা গাড়ীখন বেয়া হলেও সময়ে সময়ে অন্য গাড়ী ব্যৱহাৰ কৰিব লগা হয়। এই 'ফিয়েট' গাড়ীখন অন্য বিষয়া আৰু বাহিৰৰ পৰা অহা বিষ-য়াইও সময়ে সময়ে ব্যৱহাৰ কৰে। ১৯৭৯ চনৰ জানুৱাৰী, ফেব্ৰুৱাৰী মাহত তেখেতে এই গাড়ীখন কেতিয়াবা কেতিয়াবা ব্যক্তিগত কামত ব্যৱহাৰ কৰাৰ বাবদ চৰকাৰী নিৰিখ মতে দিব লগা পইচা জমা দিছে। আবণ্টন কৰা গাড়ীৰ তেল আদিৰ খৰছ বিষয়াজনে নিজৰ পৰা দিব লাগে।

(৩) এজন খেমবাহাদুৰ ছেত্ৰীক ঝাড়ুৱালা আৰু কুকুৰৰ কেনেল বয় ( kennel boy ) হিচাবে দেড় বছৰ মান আগতে এটা খালি থকা চাকৰিত বৰ্ত্তমান ডি, আই, জিৰ আগৰ বিষয়াজনৰ কালছোৱাত নিয়োগ কৰা হয় আৰু তেওঁ নিয়মিত ভাৱে কুকুৰ বিভাগত (Dog squad) কাম কৰি আছে। আন এজন ভীমবাহাদুৰ ছেত্ৰীয়ে সম্পূৰ্ণ অস্থায়ীভাৱে ঝাড়ুৱালা আৰু কেনেল বয় (Kennel boy) হিচাবে কিছুদিন কাম কৰিছিল। তেওঁ এতিয়া চাকৰিত নাই। এই মানুহ দুজনক কোনো

বিষয়াৰ ঘৰত কাম কৰিবৰ কাৰণে নিযুক্তি দিয়াটো সত্য নহয়।

চোৰাংচোৱা বিভাগৰ এচ, এচ পিয়ে কোনো ৰাজমিস্ত্ৰী আৰু কাঠমিস্ত্ৰী নিযুক্তি দি ঘৰ সজা কামত লগোৱা কথাটো একেবাৰে মিছা। তেওঁ গুৱাহাটীলৈ বদলি হৈ অহাৰ আগতেই তেওঁৰ ঘৰ সজা কাম সম্পূৰ্ণ হয়। ১৯78 চনত তেওঁ এটা কোঠালি বঢ়ায় আৰু এই কাম ব্যক্তিগত ভাৱে নিয়োগ কৰা ঠিকাদাৰে কৰে। কোনো যন্ত্ৰপাতিও চৰকাৰী খৰছত কিনি ঘৰ সজা কামত ব্যৱহাৰ কথাটো মিছা।

(৪) কুকুৰৰ কাৰণে গাখীৰ আৰু অন্য ৰচদ নিযুক্ত কৰা ঠিকাদাৰে বাহিৰে কুকুৰ বিভাগত ( Dog squad ) যোগান ধৰে। এই ৰচদ কুকুৰ বিভাগৰ ( Dog squad ) বিষয়াই চমজি লৈ সম্ভাৰত ( Stock ) লয়। কুকুৰৰ দৈনিক ৰচদ যোগান আৰু বণ্টন সম্পৰ্কত কোনো উচ্চ পদস্থ বিষয়া জড়িত নাথাকে। সেই কাৰণে কোনো এজন বিষয়াই কুকুৰৰ ভাগৰ গাখীৰ নিজৰ কাৰণে ৰখাটো সম্পূৰ্ণ মিছা। ১৯৬২ চনৰ পৰা এতিয়ালৈ যিকিটা কুকুৰ নানা ধৰণৰ বেমাৰত ভুগি মৰিছে ও এই কুকুৰ কিটাক খানাপাৰাত পশু চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকে বা জিলাৰ পশু চিকিৎসকে নিয়মিতভাৱে চিকিৎসা কৰিছিল আৰু শ'ৰ মৰনোত্তৰ পৰীক্ষাও কৰিছিল। কিন্তু কতো কুকুৰ খোৱা বোৱাৰ অভাৱৰ কাৰণে ( Matnutrition ) মৃত্যু হৈছে বুলি কোৱা নাই। সেই কাৰণে খাদ্যৰ অভাৱত কুকুৰৰ মৃত্যু হোৱা কথাটো সঁচা নহয়।

(৫) অপৰাধ অনুসন্ধান বিভাগৰ মটৰগাড়ী বাবদ চৰকাৰী ধনৰ

অপচয় আৰু আত্মসাত হোৱা কথাটো দৃষ্টিগোচৰ হোৱা নাই। উপ-পৰিদৰ্শক পৰ্য্যায়ৰ এজন বিষয়াই গাড়ীৰ নথীপত্ৰ আদি ৰখা, মেৰামত আদি কৰা কামৰ তত্বাবধান এজন আৰক্ষী উপ-অধীক্ষকৰ প্ৰত্যক্ষ পৰ্য্যবেক্ষণত লয়। এই সংক্ৰান্তত কোনো গৰমিল কৰ্তৃপক্ষৰ নজৰলৈ অহা নাই। গাড়ীত চৰকাৰী কামৰ কাৰণে পেট্ৰল দিয়া হয়। আৰু প্ৰত্যেকখন গাড়ীৰ কাৰণে "গাড়ীৰ দিন পঞ্জী" ( Car Diary ) ৰখা হয়। কোনো গাড়ীত হয়তো একে দিনতে বিশ লিটাৰ পেট্ৰল দিয়া হৈছে। কিন্তু এইটো কথা সত্য নহয় যে অকল উলুবাৰীৰ পৰা দিশ-পুৰলৈ যাবৰ কাৰণে ২০ (বিশ) লিটাৰ তেল দিচু দেখুৱা হৈছে।

(৬) অপৰাধ অনুসন্ধান বিভাগৰ চিপাহী, প্ৰধান চিপাহী আৰু সহ উপ আৰক্ষী পৰিদৰ্শকক সময়মতে চৰকাৰী কাপোৰ নিদিয়াৰ কথাটো সত্য নহয়। সম্ভাৰৰ ( Stock ) ওপৰত নিৰ্ভৰ কৰি চৰকাৰী কাপোৰ সময় মতে তেওঁলোকক দি থকা হৈছে। পোচাক চিলোৱা সম্পৰ্কে স্থানীয় দৰ্জিৰ (Local tailors) পৰা নিবিদা (Quotation) লৈ সৰ্ব্বনিম্নহাৰ গ্ৰহন কৰি দৰ্জি নিযুক্ত কৰা হয়। সেই কাৰণে এই ক্ষেত্ৰত দুৰ্নীতি থকাটোৰ কোনো যুক্তি যুক্তিতা নাই।

(৭) কাপোৰ-কানি আৰু লেখন সামগ্ৰী আদিৰ ক্ষেত্ৰত ৯৭৪-৭৫ চনত হোৱা খেলি মেলি কিছুমান নজৰত পৰিছে। তেতিয়া বৰ্ত্ত-মানৰ ডি, আই, জি, বা এচ, এচ, পি এই বিভাগত যোগদান কৰা নাই। দুজন আৰক্ষী উপ-পৰিদৰ্শকৰ বিৰুদ্ধে ওপৰোক্ত খেলি মেলি কাৰণে বিভাগীয় বিচাৰ কৰা হৈছে। বৰ্ত্তমানে তেনে কোনো খেলি-মেলিৰ কথা দৃষ্টিগোচৰ হোৱা নাই।

শ্ৰীফণী মেধী :– চৰকাৰী বিষয়া সকলক দিয়া চৰকাৰী গাড়ী লৈ সেই বিষয়া সকলে লৰা-ছোৱালীক স্কুললৈ অনা নিয়া কৰা বাবে ব্যৱহাৰ কৰিব পাৰেনে নোৱাৰে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— এই বিষয়া জনে নিজৰ কামত ব্যৱহাৰৰ কাৰণে যি কেইদিন গাড়ী চলাছিল তাৰ কাৰণে চৰকাৰক পইচা জমা দিবলগীয়া হৈছে আৰু তাৰ কাৰণে দিবলগীয়া টকাও জমা দিছে।

শ্ৰীফণী মেধী :— মোৰ প্ৰশ্নটো হৈছে, চৰকাৰী গাড়ীত তেওঁলোকৰ নিজৰ লৰা ছোৱালী অনা নিয়া কৰিব পাৰেনে নোৱাৰে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— চৰকাৰী বিষয়াই গাড়ী নিজৰ কামত ব্যৱহাৰ কৰিলে নিজে খৰচ কৰিব লাগে গতিকে প্ৰশ্নটোৰ উত্তৰ মই নিদিলেও তেখেতসকলে নিজেই বুজিব পাৰিছে।

শ্ৰীনগেন বৰুৱা :— চৰকাৰী বিষয়া যিসকলৰ নামত গাড়ী এলট কৰা হয় সেই গাড়ীত চৰকাৰী ড্ৰাইভাৰ দিয়া হয় কিন্তু সেই ড্ৰাইভাৰে নিজে নচলাই বিষয়াজনৰ পুতেকে, ভায়েকে, খুলশালীয়েকে যদি চলাই সেইটো বৈধ হবনে নহয় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— চৰকাৰী গাড়ীত চৰকাৰী ড্ৰাইভাৰ নাথাকিলে চলোৱাটো উচিত নহয়।

## MATTER UNDER RULE 301

Shri Ramendra De :— Mr. Deputy Speaker, Sir, I beg to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legis-

lative Assembly relating to the news item appearing in the Dainik Matribhumi dated 6th February, 1979 under the caption "অরুনাচল পঞ্চায়তীরাজ প্রশিক্ষণ কেন্দ্রের প্রতি রাজ্য সরকারের নিদারুণ অবহেলা"।

উপাধ্যক্ষ মহোদয়, আসাম রাজ্যে একসঙ্গে তিনটি গাওঁ-পঞ্চায়েত প্রশিক্ষণ কেন্দ্র স্থাপনের সিদ্ধান্ত নেওয়া হয়। এবং মধ্যে কাছাড় জিলার অরুণাচল কেন্দ্রটি তৃতীয়। ১৯৬৫ ইংরাজীতে কাছাড় জেলার অরুণাচলে এই গাওঁ-পঞ্চায়েত প্রশিক্ষণ কেন্দ্র স্থাপন করা হয়। কিন্তু এই প্রশিক্ষণ কেন্দ্রটি আজ পর্য্যন্ত পঞ্চায়েত বিভাগের কাছে আসেনি। আজও তা কৃষি বিভাগের হাতে রয়েছে এবং যেসব কর্ম্মচারী সেখানে কাজ করেন, সেইসব কর্ম্মচারী এখনো নিয়মিত বেতন পাচ্ছেন না। এইসব কেন্দ্রে কেন্দ্রীয় সরকার ১৯৬৫-৬৬ ইংরাজীতে প্রচুর অর্থ বরাদ্দ করেছিলেন। আর রাজ্য সরকারের কাছে এই টাকাও আছে, এখনো খরচ হয়নি। আর, এই অরুণাচল কেন্দ্রের জন্য একখণ্ড জমিও কেনা হয়েছিল। তাছাড়া এই প্রশিক্ষণ কেন্দ্রে আজ ১৪ বৎসর যাবৎ প্রিন্সিপাল নাই। কৃষি বিভাগের একজন অধিকর্তা সেখানে প্রিন্সিপাল হিসাবে কাজ করছেন। এবিষয়ে বার বার আবেদন করা স্বত্ত্বেও এই ১৪ বৎসরের মধ্যে তৎকালীন সরকার বলেন যে এটা ষ্টেট পঞ্চায়েতের ব্যাপার আর তারা বলেন এটা সরকারের ব্যাপার। এইভাবে ঠেলাঠেলির ঘর খোদা রক্ষা কর অবস্থা চলে আসছে। যার জন্য আজ এই কেন্দ্র প্রায় ভেঙ্গে পড়েছে। সেখানকার ৪র্থ শ্রেণীর কর্ম্মচারীর মাত্র ৮০ টাকা বেতন পান, ইন্স্ট্রাকটরগণ বেতন পান না, সুতরাং আমাদের বক্তব্য হলো

যে ষ্টেট পঞ্চায়েত পরিষদের যদি প্রশিক্ষণ দেওয়ার দায়িত্ব না থাকে তাহলে যে অর্থ মঞ্জুরী দেওয়া হয় তা খরচ করার জন্য তাদেরে ফিনান্সিয়েল পাওয়ার দেওয়া উচিত ছিল। কিন্তু আজ ১৪ বৎসর ধরে কংগ্রেস সরকার ঢাক ঢোল বাজিয়ে যে পঞ্চায়তীরাজ ঘোষণা করেছেন সেই পঞ্চায়েত প্রশিক্ষণ কেন্দ্রে আজ পর্য্যন্ত একটি পয়সাও খরচ করা হয়নি এবং তা একই অবস্থায় আছে। আশাকরি, জনতা সরকার এই কেন্দ্রটিকে উন্নত করার জন্য যথাযোগ্য ব্যবস্থা গ্রহণ করবেন।

* Shri Zahirul Islam :— Mr. Deputy Speaker, Sir I am grateful to the Hon'ble Member for pointing out the news item under the caption "অরূণাচল পঞ্চায়তীরাজ প্রশিক্ষণ কেন্দ্রের প্রতি রাজ্য সরকারের নিদারুণ অবহেলা" appearing in the issue of "Dainik Matribhumi" published on 6th February, 1979 which has come to the notice of the Govt. Regarding the points raised in the news item, it may be mentioned as below :—

(1) All the three Panchayat Raj Training Centres in Assam are now being run in common campus of other institutions as follows :—

(a) Jaisagar PRTC— With GPATC, Jaisagar.

(b) Kahikuchi PRTC— do

(c) Arunachal PRTC— with upgraded Gram

Sevak Training Centre, Arunachal (belonging to Agriculture Department )

All the thres PRTCs are run under a common Principal along with other institututs concerned. But separate Instructors have been provided with the PRTCs wherever feasible.

2. The Principal of Arunachal PRTC and Upgraded Gram Sevak Training Centre being the same person there might be some internal adjustment in holding classes at different buildings. But there should not be any impression that the PRTC is being run as a refugee organisation. Govt. is however seized with the question of construction of separate buildings of the PRTC, Arunachal and are trying to get a piece of land within the campus of the said Upgraded G. S. Training Centre. The matter is undercorrespondence with Agriculture Department, and the Agriculture Deptt. is not willing to provide land separately for this institute. The question of getting Govt. land at Arunachal is difficult. As such, no progress could be made in providing separate buildings for the PRTC Arunachal so far. Nevertheless, we will try to get Govt. land within 1979 for

construction of the building for the training centre.

The expenditure on this Training Centre is now borne by the State Govt. and no financial assistance is forthcoming from the Govt. of India since 1966-67.

3. At the moment the Gram Sevak Training Centre, Arunachal stands transferred to the Assam Agricultural University. So far, the University authorities have not raised any objection in running the PRTC in their campus under a common Principal.

4. Buildings for running the PRTC are being provided by the Govt. of Assam. As such, there can be no question of handing over any fund for construction of building to any other body by the Govt. of Assam.

5. Goan Panchayat Secretaries Training Organisations are altogether different organisations. However, PRTCs provided by Govt. of India at Jaisagar and Kahikuchi are run in the same campus with the respective GPSS Training Centres. Originally Govt. of India's scheme now taken over by the State Govt. under State Plan Schemes was only for training of non-

official Panchayat workers and they are called Panchayat Raj Training Centres.

6. For the next financial year Rs. 1.50 lakhs have been provided for construction of the buildings of PRTC, Arunachal.

শ্রীরামেন্দ্র দে :— একটা ক্লারিফিকেশন, ১৯৬৫/৬৬ ইংরাজীতে কেন্দ্রীয় সরকার যে টাকা বরাদ্দ করেছিলেন সেটা খরচ করা হবে কি না? আর যে জমিটা আছে you are trying to arrange a plot of land for constraction but I think সেই জমিটা এখনো আছে।

শ্রীজহিরুল ইসলাম :— সেটা এগ্রিকালচার ডিপার্টমেন্টের কেম্পাসের ভিতর, তারা পরিস্কার বলেছে যে তাদের এতে অসুবিধা হবে এবং এই মর্মে এগ্রিকালচার ইউনিভারসিটি থেকে তারা জানিয়ে দিয়েছে। সুতরাং একটা সেপারেট প্লটএর জন্য দেখতে হবে।

শ্রীরামেন্দ্র দে :— এই ব্যাপারে মাননীয় সদস্য আলতাফ হোসেন মজুমদার সাহেব ভাল বলতে পারবেন।

শ্রীআলতাফ হোসেন মজুমদার :— মন্ত্রী মহোদয়ের জ্ঞাতার্থে আমি বলছি যে যেখানে যায়গার অভাব নাই, ঐ কেম্পাসে যথেষ্ট যায়গা রয়েছে, সেই প্লটে এই প্রশিক্ষণ কেন্দ্র করতে কোন অসুবিধা নাই বলে আমার জানানেই।

শ্রীজহিরুল ইসলাম :— সেই ব্যাপারে বার বার চেষ্টা করে দেখা

হয়েছে। তবুও আমরা আবার নতুন করে চেষ্টা করে দেখব। অবশ্য বিরাট একটা কেম্পাস এগ্রিকালচারকে দেওয়া হয়েছে। আর সেটা যদি না হয়, তাহলে অন্য মাটি দেখতে হবে।

Mr. Deputy Speaker :— The House stands adjourned till 9 A. M. tomorrow, Friday, the 23rd March, 1979.

## ADJOURNMENT

The House then rose at 6·27 P. M. and stood adjourned till 9 A. M. on Friday, the 23rd March, 1979.

DISPUR :
The 22nd March, 1979.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.